● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জীৱনত মই ইয়াকে শিকিলো যে আপুনি যদি ক'ৰবালৈ সঁচাকৈয়ে যাব বিচাৰে, তেন্তে তাত উপস্থিত হোৱাৰ বাট খোলা আছে।

লেংষ্টন হিউফ
*আমেৰিকাৰ কবি*



৭ পুনৰ ভাৰতক প্ৰতাৰণা চীনৰ
১৫ শৃংখলাত সমতা স্থাপন কৰিলে ভাৰতে
৪ বিতৰ্কৰ চাকনৈয়াত ৰাজনৈতিক ধুমুহা আৰু সাম্প্ৰদায়িকতবাদৰ উত্থান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪৮তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৮ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 18 June 2022 মূল্য ঃ ৯.০০ টকা

■ এদিনতে বানাক্ৰান্ত জিলাৰ সংখ্যা ২৩ৰ পৰা ২৭লৈ বৃদ্ধি ■ এই পৰ্যন্ত কমেও নজন লোকৰ মৃত্যু ■ ঘৰ-বাৰী হেৰুৱাই হাহাকাৰ বহু লোকৰ ■ বিপদসীমাৰ ওপৰেদি বৈছে অধিকাংশ নৈ

# প্ৰলয়ংকৰী বানত ১৯ লক্ষ গৃহহাৰা



*বাগ্‌সা জিলাৰ সুৰনখাটা আৰু নিকাছি সংযোগী দিৰিং নৈৰ বৃহৎ দলং তৰপে তৰপে খহাই পেলালে বানপানীয়ে, শুকুৰবাৰে।*

## ■ সাহায্য বিতৰণ ভালদৰে চলিছে ঃ দাবী মুখ্যমন্ত্ৰী ড° শৰ্মাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** ক্ৰমে প্ৰকোপ বৃদ্ধি হোৱা ৰাজ্যৰ দ্বিতীয়টো বানত আজিলৈকে কমেও নজন লোকে প্ৰাণ হেৰুৱালে। লগতে প্ৰলয়ংকৰী বানৰ কবলত পৰা জিলাৰ সংখ্যাও কালিৰ ২৩ৰ পৰা ২৭খনলৈ আজি বৃদ্ধি হয়। নতুন নতুন অঞ্চল বানৰ কবলত পৰাৰ ফলতে আক্ৰান্ত লোকৰ সংখ্যা আজি ১৮,৭৫,১৭৫ জনলৈ বৃদ্ধি হয়। মৃত্যু হোৱা লোকসকলৰ ভিতৰৰ এজনকৈ লোক বজালী, ধুবুৰী, কামৰূপ, কোকৰাঝাৰ আৰু শোণিতপুৰ জিলাৰ। দুজনকৈ লোকৰ মৃত্যু হয় হোজাই আৰু নলবাৰীত। ইয়াৰ উপৰি *ছয় পৃষ্ঠাত চাওক*

## বিশেষ পেকেজ দাবী চিপিআই-ইউডিএফৰ
# বানাক্ৰান্তক সাহায্য প্ৰদানত ব্যৰ্থ দিছপুৰ ঃ কেন্দ্ৰৰ হস্তক্ষেপ দাবী আজমলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** ৰাজ্যৰ সাম্প্ৰতিক বানপানীত আক্ৰান্ত আৰু ক্ষতিগ্ৰস্তসকলক সাহায্য প্ৰদানত ৰাজ্য চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ কৰিছে বিৰোধী দল এআইইউডিএফ আৰু চিপিআইয়ে। আজি এক বিবৃতিত এআইইউডিএফৰ মুৰব্বী সাংসদ বদৰুদ্দিন *১০ পৃষ্ঠাত চাওক*

## ২০১৮ত যোৰহাটৰ যুৱকৰে বিবাহ হৈছিল
# বুজাবুজিৰ মাজেৰে বিবাহ বিচ্ছেদৰ আবেদন জনালে লাভলীনাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** আজি মহানগৰীৰ পাৰিবাৰিক আদালতত বিবাহ বিচ্ছেদৰ আবেদন জনালে অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁয়ে। ২০১৮ত যোৰহাট বালিগাঁৱৰ নৱনীত গোস্বামী (৩১)ৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল বক্সাৰগৰাকী। আজি দুয়োৱে বুজাবুজিৰ মাজেৰে মহানগৰীৰ পাৰিবাৰিক *১০ পৃষ্ঠাত চাওক*

■ অগ্নিপথ আঁচনিৰ বিৰুদ্ধে হিংসাত্মক প্ৰতিবাদ ■ কমেও সাতখন ৰাজ্য হিংসাত উত্তাল ■ এজনৰ মৃত্যু, কে'বাজনো আহত ■ আঁচনিৰ প্ৰস্তাৱসমূহক লৈ তীব্ৰ ক্ষোভৰ সৃষ্টি যুৱ সমাজৰ

# প্ৰতিবাদকাৰীয়ে জ্বলাই দিলে ১২খন ৰেল



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৭ জুন ঃ** দেশৰ সেনাবাহিনীত নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে মুকলি কৰা নতুন আঁচনি 'অগ্নিপথ'ক লৈ দেশজুৰি সৃষ্টি হোৱা অগ্নিগৰ্ভ পৰিস্থিতিত কমেও এজন লোক নিহত আৰু বহুকেইজন আহত হয়। এই উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ মাজতে উন্মত্ত বিক্ষোভকাৰীয়ে দেশৰ বিভিন্ন স্থানত এখনৰ পাছত আনখন ৰেল জ্বলাই দিয়ে। আজি বিয়লি পৰ্যন্ত কমেও ১২খন ৰেলত অগ্নিসংযোগৰ ঘটনা সংঘটিত হয়। বিভিন্ন ৰাজ্যত আৰক্ষীৰ স'তে ৰক্তাক্ত সংঘৰ্ষত লিপ্ত হয় ক্ষুব্ধ *১০ পৃষ্ঠাত চাওক*



■ ১৪ বছৰৰ ভিতৰত সৰ্বাধিক পৰিমাণত ক'লা ধন জমা হৈছে
■ ঘূৰাই অনাৰ পৰিৱৰ্তে মোদীৰ শাসনত বৃদ্ধিহে পালে ক'লা ধন


# ছুইচ বেংকত ভাৰতীয়ৰ ক'লা ধনৰ জমা এবছৰতে ৫০ শতাংশ বৃদ্ধি



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৭ জুন ঃ** নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰৰ শাসন কালত ছুইচ বেংকত ভাৰতীয়ই জমা কৰা ক'লা ধনৰ পৰিমাণ হ্ৰাসৰ পৰিৱৰ্তে বৃদ্ধিহে হৈছে। ছুইচ নেচনেল বেংকৰ তথ্যত পোহৰলৈ আহিছে যে মাত্ৰ এবছৰতে জমা ৰখা ধনৰ পৰিমাণ ৫০ শতাংশলৈ বৃদ্ধি হৈছে। বিদেশৰ পৰা ক'লা ধন ঘূৰাই আনি ভাৰতৰ উন্নয়নত ব্যৱহাৰ কৰা, প্ৰতিজন ভাৰতীয়ৰ বেংক একাউণ্টত সেই ধনৰ ১৫ লাখ টকাকৈ জমা কৰা আদি ২০১৪ৰ নিৰ্বাচনৰ সময়ত বিজেপি আৰু সেই সময়ত প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী মোদীৰ প্ৰচাৰৰ অন্যতম *১০ পৃষ্ঠাত চাওক*

■ উপযুক্ত সময়ত নহ'ল মেৰামতি-পুনৰ নিৰ্মাণৰ ব্যৱস্থা ■ যমৰ যাতনা ভুগিছে সাধাৰণ ৰাইজে ■ গা এৰা দিয়া মনোভাৱত অসন্তুষ্টি

# কে'বাখনো জিলাত অসংখ্য পথ-দলং মথাউৰি-বান্ধ ভাঙি বিপৰ্যয়ৰ সৃষ্টি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** বছৰৰ দ্বিতীয়টো বানত ৰাজ্যৰ অধিকাংশ অঞ্চলৰ জনসাধাৰণে ককবকাবলগীয়া হৈছে। মুষলধাৰ বৰষুণ, বান প্ৰতিৰোধী ব্যৱস্থা ৰূপায়ণত চৰকাৰ-প্ৰশাসনৰ লেহেমীয়া গতি, চুবুৰীয়া দেশ আৰু ৰাজ্যৰ পৰা নামি অহা পানীৰ ঢল আদিৰ ফলতে কমেও ২২ খন জিলাত সৃষ্টি হৈছে অবৰ্ণনীয় পৰিস্থিতিৰ। মৃত্যু *১০ পৃষ্ঠাত চাওক*

## কৃত্ৰিম বানৰ মাজতে দিন ডকাইতিৰ ঘটনা
# পাণবজাৰত চিলনী চোৰে মহিলাৰ পৰা কাঢ়ি লৈ গ'ল নগদ ১০ লাখ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** কৃত্ৰিম বানৰ বিভীষিকাৰ মাজতে আজি দুচকীয়া বাহনত অহা চিলনী চোৰে মহানগৰীৰ পাণবজাৰৰ ব্যস্ততাপূৰ্ণ অঞ্চলৰ পৰা নগদ ১০ লাখ টকা লুটি লৈ যায়। *১০ পৃষ্ঠাত চাওক*

■ প্ৰশাসনৰ নিৰ্ধাৰিত পিঁয়াজৰ সৰ্বাধিক মূল্য ৩৩ টকাৰ বিপৰীতে বিক্ৰী ৪০ টকাত ■ ৩০ টকা মূল্য নিৰ্ধাৰিত আলু বিক্ৰী ৩৫ টকাত

# দুৰ্যোগৰ মাজতে কুইণ্টলত দুশ-তিনিশ টকাকৈ মূল্যবৃদ্ধি পালে আলু-পিঁয়াজৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** বান-ভূমিস্খলনৰ বিভীষিকাৰ মাজতে জনতাক মাধমাৰ সোধাই পুনৰ বৃদ্ধি পালে আলু-পিঁয়াজকে ধৰি অনান্য শাক-পাচলিৰ মূল্য। আজি মহানগৰীৰ গৰিষ্ঠ সংখ্যক স্থানতে যোৱা দিনকেইটাৰ তুলনাত আলু-পিঁয়াজকে ধৰি প্ৰতিবিধ শাক-পাচলিৰ মূল্য প্ৰতি কিলোগ্ৰামত পাঁচ-১০ টকাকৈ বৃদ্ধি পালে। যোৱা ১৫ জুনত খুচুৰা ব্যৱসায়ীয়ে কুইণ্টলত ২২শ টকা পাইকাৰী দৰত ক্ৰয় কৰা আলু আজি ২৪শ টকাত ক্ৰয় কৰিছে। একেদৰে কুইণ্টলত ১৮শ টকা পাইকাৰী দৰত ক্ৰয় কৰা বগা পিঁয়াজ আজি ২১শ টকাত ক্ৰয় কৰা বুলি সদৰী কৰিছে। অৰ্থাৎ এদিনৰ ব্যৱধানত মহানগৰীত পাইকাৰী বজাৰত আলু প্ৰতি কুইণ্টলত দুশ টকা আৰু বগা পিঁয়াজ প্ৰতি কুইণ্টলত তিনিশ টকাকৈ বৃদ্ধি পালে। অৱশ্যে পাইকাৰী ব্যৱসায়ীয়ে মূল্য বৃদ্ধি হোৱা নাই বুলি দাবী কৰি দুই-এক টকা ইফাল-সিফাল হৈ থাকে বুলি ক'লেও খুচুৰা ব্যৱসায়ীসকলে *১০ পৃষ্ঠাত চাওক*

# ভূটানে পানী এৰি দিয়া নাই, বৰষুণৰ পানীহে নামি আহিছে

## স্পষ্ট কৰি দিলে নামনি অঞ্চলৰ জিলাৰ প্ৰশাসনে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** পশ্চিম অসমত সৃষ্টি হোৱা বানপানীৰ বাবে চুবুৰীয়া দেশ ভূটানক জগৰীয়া কৰি অহা হৈছে। পশ্চিম অসমৰ অধিকাংশ নদী-উপনদীৰ মূল উৎস ভূটান হোৱা হেতুকে এই নদীবোৰত জলস্তৰ বৃদ্ধি হৈ অসমত সৃষ্টি *১০ পৃষ্ঠাত চাওক*

# ৰাজ্যত ৯২ হেজাৰ কোটিৰ বিনিয়োগৰ কাম চলিছে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** অসমত সম্প্ৰতি ৯২ হেজাৰ কোটি টকা বিনিয়োগৰ কাম চৰকাৰী আৰু ব্যক্তিগত খণ্ডত অব্যাহত আছে। আজি ইয়াত সাংবাদিকৰ আগত এই কথা সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে ৰাজ্যত অনুষ্ঠিত বিনিয়োগ সন্মিলনৰ সময়ত *১০ পৃষ্ঠাত চাওক*

## ■ নৈনে নদীৰ পাঁচঠাইত মথাউৰি ছিগি তাণ্ডৱ

# দুটাকৈ নৈৰ বাঢ়নী পানীত বুৰিল মঙলদৈ, চহৰসহ আশে-পাশে বিস্তৰ ক্ষতি



**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৭ জুন ঃ** ক্ৰমান্বয়ে জটিল হৈছে মঙলদৈৰ বান পৰিস্থিতি। মঙলদৈ চহৰকে ধৰি ইয়াৰ উপকণ্ঠ অঞ্চলসমূহতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। বেগা নদীৰ পানী বাগৰি সমগ্ৰ মঙলদৈ চহৰৰ লগতে ইয়াৰ আশে পাশে থকা অঞ্চলসমূহত বিস্তৰ ক্ষতি কৰিছে। চহৰখনৰ মাজেৰে যোৱা ১৫ নম্বৰ ঘাই পথটো ঠায়ে ঠায়ে ডুব যায়। কেৱল সেয়াই *১০ পৃষ্ঠাত চাওক*

# ব্যক্তিগতভাৱে মেট্ৰিক-উচ্চতৰ মাধ্যমিকৰ ফলাফল পাব পৰীক্ষাৰ্থীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** আগন্তুক শিক্ষা বৰ্ষৰ পৰা মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল পৰীক্ষাৰ্থীসকলে ব্যক্তিগতভাৱে লাভ কৰিব। আজি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদত আয়োজিত এক অনুষ্ঠানত এই ঘোষণা কৰে *১০ পৃষ্ঠাত চাওক*

# ভাঙিবলৈ ধৰা মথাউৰিত জৰুৰীভাৱে প্ৰতিৰোধৰ কাম কৰিবলৈ নিৰ্দেশ মন্ত্ৰীৰ


কমলপুৰ-বাগ্‌সা-তামুলপুৰত পৰিস্থিতিৰ বুজ ল'লে পীযুষে ■ সাহায্যৰ নিৰ্দেশ প্ৰশাসনক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কমলপুৰ, বৰমা আৰু তামুলপুৰ বিধানসভা সমষ্টিৰ কে'বাটাও স্থানত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত ৰাইজৰ খবৰ লয়। পুৱাতে মন্ত্ৰীজনে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ স'তে *১০ পৃষ্ঠাত চাওক*

# ডিব্ৰুগড়ত বিষ্ণু ৰাভা দিৱসত দুই বৰেণ্য শিল্পীলৈ বঁটা

**গুৱাহাটী, ১৭ জুন ঃ** অহা ২০ জুনত ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা বিষ্ণু ৰাভা দিৱসত ৰাজ্যৰ দুই বৰেণ্য শিল্পী চন্দ্ৰকমল গগৈ আৰু শাৰদী শইকীয়াক ২০২২ৰ বিষ্ণু ৰাভা বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ লগতে আন কে'বাজনো বিশিষ্ট ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা প্ৰদান কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ২৪° |
| ডিব্ৰুগড় | ২৫° | ২৩° |
| দিল্লী | ৩৪° | ২৮° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ৩১° | ২৮° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ১৯° | ১৮° |

১৭ জুন, ২০২২

## চেঙা তেল



*এহ! পৰিৱৰ্তন এনেকৈও হয়! ভি ভি আই পিসকলৰ যিমানেই আগমন ঘটে সিমানেই ৰাস্তা-ঘাট-পদূলিৰ উন্নতি হয়!*

## ■ গেৰুকামুখৰ পাহাৰৰ মাটি খহাৰ আশংকা



# সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ ওপৰেদি বাগৰিছে পানী

**ধেমাজি, ১৭ জুন ঃ** অৰুণাচল প্ৰদেশত মুষলধাৰ বৰষুণৰ ফলত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ মূল বান্ধৰ ওপৰেৰে বাগৰিছে পানী। বান্ধটোৰ সুৰংগসমূহে বানপানীৰ ভৰ গ্ৰহণ কৰিব নোৱৰাত মূল দুৱাৰেৰে পানী বাগৰাত আতংকৰ সৃষ্টি হৈছে। অত্যধিক বৰষুণে যিকোনো মুহূৰ্ততে নিৰ্মীয়মান বৃহৎ নদী বান্ধটোলৈ বিপদ আনিব পাৰে বুলি সংশয়ত *১০ পৃষ্ঠাত চাওক*

■ পাহাৰত বসবাস কৰা পৰিয়ালসমূহক সুৰক্ষিত স্থানলৈ স্থানান্তৰৰ আহ্বান প্ৰশাসনৰ ■ পাঁচটা আশ্ৰয় শিবিৰত এতিয়াও সাতশজন

# মহানগৰীত অপৰিৱৰ্তিত কৃত্ৰিম বান, পুনৰ নটাকৈ স্থানত ভূমিস্খলন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** ক্ৰমাগতভাৱে চতুৰ্থ দিনতো গুৱাহাটী মহানগৰীত অপৰিৱৰ্তিত হৈ থাকিল কৃত্ৰিম বান পৰিস্থিতি। ৰুক্মিণীগাঁও, সাতগাঁও, অনিল নগৰ, নবীন নগৰত আজি চতুৰ্থ দিনা বিলাসী বাহনৰ পৰিৱৰ্তে কলৰ ভূৰৰ লগতে চলি থাকে *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৮ জুন, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# কামপুৰত প্লাৱিত অঞ্চলত উদ্ধাৰ অভিযানত অগ্নিনিৰ্বাপক বাহিনী

**অগ্ৰদূত বাৰ্তা**
**কামপুৰ, ১৭ জুন ঃ** কামপুৰত কপিলী নদীৰ তাণ্ডৱ লীলা দ্বিতীয় দিনাও অব্যাহত আছে। যোৱা নিশাৰে পৰা কপিলীৰ বাঢ়নী পানীয়ে ন ন অঞ্চল প্লাৱিত কৰি তুলিছে। কপিলীৰ বাঢনী পানীয়ে আজি কামপুৰ চাংচকীত কে'বাটাও মথাউৰিৰ ওপৰেদি পানী বাগৰাত অঞ্চলটোত ৰাইজৰ বিলাই বিপত্তি নোহোৱা হৈছে। বৃহত্তৰ অঞ্চলটোৰ প্ৰায় চাৰিশটা পৰিয়াল জলবন্দী হোৱাৰ লগতে নামঘৰ, বাসগৃহ সম্পূৰ্ণ পানীৰ তলত ডুব গৈ আছে। ওখ ঠাই তথা আশ্ৰয় শিবিৰলৈ ঢাপলি মেলিছে বানাক্ৰান্ত ৰাইজ। আজি পুৱাৰ ভাগত কামপুৰত দেউৰীগাঁও, মেধীগাঁও, ন-দেউৰীগাঁও, পতিয়াপাম, ছয় পৃষ্ঠাত চাওক

# অভয়াপুৰীত অগ্নিদগ্ধ হৈ বোৱাৰীৰ ৰহস্যজনক মৃত্যু



ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তৰ্গত ...গৰাকী ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ আজি পুৱা ...াই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাক পৰিকল্পিত ...্য আৰক্ষীক অৱগত কৰিছে। অভয়াপুৰীৰ নিকটৱৰ্তী ...কন্যা কংকনা নাথৰ স'তে এবছৰমান পূৰ্বে দেওহাটী ... লগত বিবাহ কাৰ্য সম্পন্ন হয়। কিন্তু বিবাহৰ পাছৰে ...হিলা এগৰাকীৰ লগতে স্বামী বিমল নাথে কংকনাক ...আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছিল। কিন্তু ...জুমদাৰ

ছয় পৃষ্ঠাত চাওক

# চিৰাঙৰ ৰুণীখাতাত চৰকাৰলৈ অপেক্ষা নকৰি ৰাইজেই মেৰামতি কৰিলে কাঠৰ দলং



**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৭ জুন ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাতা অঞ্চলৰ চাম্পুৰ নৈৰ বাঢ়নী পানীয়ে উটুৱাই নিছিল এখন কাঠৰ দলং। যাৰ বাবে যোগাযোগ বিচ্ছিন্ন হৈ পৰে। সেয়েহে প্ৰবল বৃষ্টিপাতৰ মাজতো পাঁচ শতাধিক লোকে আজি পানীত নামি, তিতিবুৰি যুদ্ধং গতিত দলং মেৰামতিৰ কাম কৰে। লক্ষ্য এটাই আজিৰ ভিতৰতে ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ অহা-যোৱা কৰিব পৰাকৈ কাঠৰ দলংখন পুনঃ মেৰামতি হ'ব লাগে। কাৰণ চিৰাং জিলাৰ বেংতল ৰাজহচক্ৰৰ অন্তৰ্গত লাইমুথি অঞ্চলৰ সৰু-বৰ মিলি ৪৫ খন গাঁৱৰ প্ৰায় পাঁচ সহস্ৰাধিক গাঁওবাসী লগতে পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নিতৌ অহা-যোৱা কৰে উক্ত দলংখনেৰে। যোৱা দুদিন ধৰি নেৰেনেপেৰা বৰষুণৰ ফলত চুবুৰীয়া ৰাষ্ট্ৰ ভুটান পাহাৰৰ পৰা নামি অহা বাঢ়নী পানীয়ে উটুৱাই নিয়ে ছয় পৃষ্ঠাত চাওক

# ভূৰাগাঁও আৰক্ষীৰ জালত দুই জুৱাৰী



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৭ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীৰ হাতত আজি দুজন জুৱাৰীক গ্ৰেপ্তাৰ কৰা হয়। এক বিশেষ সূত্ৰৰ পম খেদি ভূৰাগাঁও আৰক্ষীয়ে অভিযান চলাই জুৱা খেলি থকা অৱস্থাতে ভূৰাগাঁও শিৱবাৰীৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় জুৱাৰী দুজনক। ধৃত জুৱাৰী দুজন ক্ৰমে, শ্বাহজাহান আলী (২৫), আৰু এনামূল ইছলাম (২৩)। ধৃত জুৱাৰী দুজনৰ পৰা নগদ ১২০০০ টকাৰ লগতে জুৱা খেলত ব্যৱহৃত বহু সামগ্ৰী জব্দ কৰে আৰক্ষীয়ে। ভুৰাগাঁও আৰক্ষী থানাৰ সহকাৰী পৰিদৰ্শক পংকজ বৰাৰ নেতৃত্বত চলিছিল এই অভিযান।

# গোৱালপাৰাত লতামাকৰী বাঘৰ পোৱালি উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৭ জুন ঃ** গোৱালপাৰা চহৰৰ চন্দৰীয়া ৰাসমেলা পথাৰৰ কাযতে থকা কুশল দাসৰ ঘৰত এটা লতামাকৰী বাঘৰ পোৱালি উদ্ধাৰ হয়। নেৰানেপেৰা বৰষুণৰ ফলত চৌদিশে জলমগ্ন হোৱাৰ বাবেই কালিৰে পৰা দাসৰ ঘৰৰ কোঠা এটাত লতামাকৰী বাঘৰ পোৱালিটো আশ্ৰয় লৈ আছিল যদিও আজি পুৱা পৰিয়ালৰ লোকে প্ৰত্যক্ষ কৰি আতংকিত হৈ বন বিভাগক খবৰ দিয়ে। পাছত বন বিভাগৰ লোকে ঘটনাস্থলীৰ পৰা পোৱালিটো উদ্ধাৰ কৰি পঞ্চৰত্ন পাহাৰৰ নিৰাপদ স্থানত এৰি দিয়ে। বন বিভাগৰ মতে এইটো লতামাকৰী নহয় বন মেকুৰিহে।

# বৰমাত বন্যাৰ্তৰ খবৰ ল'লে মন্ত্ৰী পীযুষ হাজৰিকাই

**বৰমা, ১৭ জুন ঃ** বাগ্‌সা জিলাৰ বৰমাৰ ওচৰৰ বৰশিমলুগুৰিৰ অৰুণোদয় হাইস্কুলত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰিলে মন্ত্ৰী পীযুষ হাজৰিকাই। আশ্ৰয় শিবিৰত বাগ্‌সা জিলাৰ মাজেৰে বৈ যোৱা বুঢ়াদিয়া নদীয়ে প্লাৱিত কৰা ২৮টা পৰিয়ালে আশ্ৰয় লৈ আছে। আজি মন্ত্ৰীজনে বিদ্যালয়খনৰ আশ্ৰয় শিবিৰত উপস্থিত হৈ বন্যাৰ্ত লোকসকলৰ সুবিধা-অসুবিধাৰ বুজ লয়। লগতে ঘৰ-বাৰী হেৰুৱাই আশ্ৰয় শিবিৰত থকা পৰিয়ালকেইটাক তাৎক্ষণিকভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। মন্ত্ৰী হাজৰিকাই বৰ্তমান সময়ত বাগ্‌সা জিলাৰ ছয় পৃষ্ঠাত চাওক

## চৰকাৰীভাৱে আবন্টিত আঁচনিৰ অবৈজ্ঞানিক-অপৰিকল্পিতভাৱে ব্যৱহাৰৰ অভিযোগ

# একঁকাল পানীত আবদ্ধ বটদ্ৰৱা থানৰ কাৰ্যালয়



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুন ঃ** নগাঁও জিলাৰ পশ্চিম অঞ্চলৰ বৃহত্তৰ বটদ্ৰৱাৰ ২০ হেজাৰ বিঘাৰো অধিক কৃষিভূমি কৃত্ৰিম বানত বুৰ গৈ বিনষ্ট হৈছে। বিগত প্ৰায় এমাহৰ অধিক সময়ত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ঐতিহাসিক শান্তিজান জলপৃষ্ঠৰ পানী ওফন্দি উঠি সৃষ্টি কৰা কৃত্ৰিম বানে বৃহত্তৰ বটদ্ৰৱাত ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। ফলশ্ৰুতিত বৃহত্তৰ বটদ্ৰৱাৰ হিজলগুৰি পথাৰ, বৰভেটি পথাৰ আৰু ধনীয়া ভেটি পথাৰ জলমগ্ন হৈ হেজাৰ হেজাৰ বিঘা কৃষিভূমিৰ লহপহকৈ বাঢ়ি অহা সেউজীয়া শইচৰ কঠীয়া ধান বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। আনহাতে, আকাশীগংগাৰ তীৰত নিৰ্মীয়মান হৈ থকা বটদ্ৰৱা প্ৰকল্পৰ বাবে বৰপেটা পথাৰ আৰু বামুনমাটি পথাৰৰ পানী আনঠাইলৈ যাব নোৱাৰি নৰোৱাসত্ৰৰ শতাধিক লোকৰ বাসগৃহ কৃত্ৰিম বানত আবদ্ধ হৈ পৰিছে। এই বিষয়ে বিভিন্ন সময়ত সচেতন মহলে প্ৰশাসনক দাবী জনাই থকাৰ পাছতো কোনো পদক্ষেপ গ্ৰহণ নকৰাত শেহতীয়াকৈ ভয়াবহ কৃত্ৰিম বানে সমগ্ৰ বটদ্ৰৱাৰ জনজীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। সমান্তৰালকৈ জিলাখনৰ পশ্চিম অঞ্চলৰ বিভিন্ন ঠাইত একাংশ বেদখলকাৰী লোকে মীনপালনৰ অজুহাতত গ্ৰামাঞ্চলৰ পথত থকা পুল (কালভাৰ্ট) ছয় পৃষ্ঠাত চাওক

■ খুলি দিয়া হ'ল কাৰ্বি লাংপি-উমৰাংছ'ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ আটাইকেইখন শ্লু'ইজ গেটৰ পানী ■ আশ্ৰয় ঠাই বিচাৰি হাহাকাৰ


# পশ্চিম কাৰ্বি আংলঙত বানাক্ৰান্ত পাঁচ সহস্ৰাধিক পৰিয়াল



**ডংকামোকামৰ অগ্ৰদূত বাৰ্তা ঃ** কাৰ্বি লাংপি আৰু কপিলীৰ বাঢ়নী পানীৰ বাবে সম্প্ৰতি দিশহাৰা জনজীৱন। চৌদিশে কেৱল পানী, পানী আৰু পানী। ভয়-শংকা আৰু আতংকৰ মাজত সাহসেৰে লৈ দিনে-নিশাই পাৰ কৰিছে বানাক্ৰান্তই। তথাপিতো আহৰি নাই খবৰ লোৱাৰ প্ৰশাসন কিম্বা ৰাজনৈতিক নেতা-দল, সংগঠনৰ। ইপিনে, আজি তিনিদিনৰ আগলৈকে ডিমা-হাছাও জিলাৰ উমৰাংছ'ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ চাৰিটাকৈ বান্ধৰ পানী এৰি দিয়াত ছয় পৃষ্ঠাত চাওক


## কে'বাটাও গৃহ বিধ্বস্ত, আতংকিত ৰাইজক নিৰাপদ স্থানলৈ প্ৰেৰণ

# গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰত ভূমিস্খলন



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৭ জুন ঃ** বিগত কে'বাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰৰ দক্ষিণ-পূৱ দিশৰ বৃহৎ অংশত ফাট মেলাৰ লগতে ভয়ংকৰ ভূমিস্খলন আৰম্ভ হোৱাত পাহাৰখনৰ পাদদেশত বসবাস কৰা শতাধিক পৰিয়াল আতংকিত হৈ পৰিছে। তথ্য মতে, পূৱ পাহাৰতলী তথা গোৱালপাৰা পৌৰসভাৰ এক আৰু দুই নম্বৰ ৱাৰ্ডৰ বৃহৎ অঞ্চলজুৰি (হুলুকান্দা পাহাৰ) ফাট মেলাৰ লগতে ছয় পৃষ্ঠাত চাওক

# ড° নৰেন কলিতালৈ কৃষ্ণকান্ত সন্দিকৈ কেন্দ্ৰীয় বঁটা



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুন ঃ** বিশিষ্ট সাহিত্যিক, গৱেষক ড° নৰেন কলিতালৈ আগবঢ়োৱা হৈছে কৃষ্ণকান্ত সন্দিকৈ কেন্দ্ৰীয় বঁটা। শংকৰী কলা-সংস্কৃতিৰ গৱেষক পণ্ডিত ড° কলিতাক ২০ জুনত প্ৰদান কৰা হ'ব এই বঁটা। শংকৰী কলা-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত নিৰৱে সাধনা কৰা ড° কলিতাক অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে কৃষ্ণকান্ত সন্দিকৈ বঁটাৰ বাবে নিৰ্বাচিত কৰাৰ কথা বিভাগটোৰ তৰফৰ পৰা যোৱা নিশা অৱগত কৰে। ২০ জুনত ড° কলিতাক ডিব্ৰুগড়ৰ এক অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বঁটা প্ৰদান কৰিব। উল্লেখ্য যে বৰদোৱাত লুকাই থকা কাঠৰ প্ৰাচীন ভাস্কৰ্য শিল্প, তাৰ ইতিহাস আৰু নন্দনমূল্য বিচাৰ কৰি ড° কলিতাই প্ৰকাশ কৰা 'বৰদোৱাৰ শিল্পবস্তু' শীৰ্ষক গ্ৰন্থখন হৈছে ড° নৰেন ছয় পৃষ্ঠাত চাওক

# কৃত্ৰিম বানত বিপৰ্যয়ৰ সন্মুখীন শিৱসাগৰৰ নাগৰিক

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৭ জুন ঃ** শিৱসাগৰ নগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কৃত্ৰিম বানক কেন্দ্ৰ কৰি জনসাধাৰণ বিপৰ্যয়ৰ সন্মুখীন হৈছে। দেশ স্বাধীন হোৱাৰ পাছৰে পৰা কোনো এটা ৰাজনৈতিক দলেই এই নগৰখনৰ নলা-নৰ্দমাৰ সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা নচলালে। প্ৰাক্তন মন্ত্ৰী প্ৰয়াত প্ৰমোদ গগৈয়ে যোৱা দুটা দশকৰ পূৰ্বে অ'এনজিচি কল'নীৰ সন্মুখৰ পৰা বি জি ৰোড হৈ ষ্টেছন চাৰিআলিলৈকে অ'এনজিচিৰ পৰা প্ৰায় এক কোটি টকাৰ অনুদান আনি নৰ্দমা নিৰ্মাণৰ ব্যৱস্থা কৰাইছিল যদিও সেই ধনৰ অধিকাংশ প্ৰশাসনীয় বিষয়া, শিৱসাগৰ পৌৰসভা আৰু ঠিকাদাৰে শৰাধ কৰাৰ অভিযোগ আছে। তাৰ পাছৰে পৰা শিৱসাগৰ পৌৰ সভাইয়ো উন্নত মানৰ ছয় পৃষ্ঠাত চাওক

## কেৰাচিন তেলৰ লিটাৰে প্ৰতি ১০০ টকা, ধন দিলেও পাবলৈ নাই

# মঙলদৈত কেৰাচিন-মমবাতিৰ নাটনি ঃ ৰাইজৰ দুৰ্ভোগ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৭ জুন ঃ** দৰং জিলা বানপানীয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই বানপানীত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মঙলদৈ সংমণ্ডল কাৰ্যালয় আৰু চপাইস্থিত পাৱাৰ ষ্টেছন পানীৰ তলত থকাত কালিৰে পৰা বিদ্যুৎ কৰ্তন কৰাত ৰাইজৰ মাজত একপ্ৰকাৰ হাঁহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইতিমধ্যে ইনভাৰটাৰবোৰ চাৰ্জ শেষ হৈ গৈছে। আন একাংশৰ ঘৰৰ খিৰিকীৰে ছয় পৃষ্ঠাত চাওক

# পূব যোৰহাট শিক্ষা খণ্ডৰ হুছেইন চাপৰি প্ৰাথমিক বিদ্যালয়ত পাঁচ দিন ধৰি নাই শিক্ষক


**ক্ষোভিত অভিভাৱক-স্থানীয় ৰাইজ**

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ১৭ জুন ঃ** যি সময়ত ৰাজ্যৰ শিক্ষা বিভাগে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত শূন্য ফলাফল দেখুওৱা বিদ্যালয়লৈ কাৰণ দৰ্শোৱা জাননী জাৰি কৰিছে, ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ফলাফলৰ বাবে আওপকীয়াকৈ সাংবাদিকসকলক জগৰীয়া কৰিব ছয় পৃষ্ঠাত চাওক

# হাঁহচৰাত দুই লাখ জালনোটসহ আটক এজন

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৭ জুন ঃ** মৰিগাঁও জিলাৰ ভেলৌগুৰি থানাৰ অন্তৰ্গত হাঁহচৰাত যোৱা নিশা এজন জালনোটৰ বেপাৰীক গ্ৰেপ্তাৰ কৰা হয়। মৰিগাঁও আৰু ভেলৌগুৰি থানা আৰক্ষীয়ে যুটীয়া অভিযান চলাই ইক্ৰামুল হুছেইন নামৰ জালনোট ব্যৱসায়ীজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ইক্ৰামুলৰ বিৰুদ্ধে পূৰ্বেও বহু অপৰাধৰ স'তে জড়িত থকাৰ অভিযোগ আৰক্ষীয়ে লাভ কৰিছিল যদিও প্ৰামাণিক তথ্যৰ অভাৱত আটক কৰিব পৰা নাছিল। কিন্তু যোৱা নিশা মৰিগাঁও আৰক্ষীয়ে লাভ কৰা এক বিশেষ খবৰৰ ভিত্তিত ভেলৌগুৰি থানাৰ আৰক্ষীৰ সহযোগত হাঁহচৰা গাঁৱত অভিযান চলাই দুই লাখ জালনোট আৰু জালনোটত ব্যৱহৃত কিছু ৰাসায়নিক সামগ্ৰীসহ ইক্ৰামুলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# বোকাজানত বৃহৎ অস্ত্ৰ ভাণ্ডাৰসহ গ্ৰেপ্তাৰ দুই





**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা**
**বকলীয়াঘাট/ডিফু, ১৭ জুন ঃ** কাৰ্বি আংলঙত উদ্ধাৰ হৈছে বৃহৎ অস্ত্ৰ ভাণ্ডাৰ। পাহাৰীয়া জিলাখনৰ বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাসৰ নেতৃত্বত তথা খটখটী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজু দুৱৰা, উপ-পৰিদৰ্শক আতিকুৰ ৰহমান, ৰাজীৱ বৰা, স্বামদৌন স্বৰ্গীয়াৰীৰ সহযোগত আৰক্ষী আৰু চিআৰপিএফৰ এক যুটীয়া বাহিনীয়ে খটখটী থানাৰ অন্তৰ্গত লাহৰীজান চাহ বাগিচাৰ টিলা বস্তিত তালাচী অভিযান চলায়। উক্ত অভিযানত আৰক্ষীয়ে চাহ গছৰ তলত লুকুৱাই থোৱা অৱস্থাত এটা ৩০৩ ৰাইফল, এটা ডিবিবিএল ৰাইফলৰ লগতে ৩৪ ৰাউণ্ড ৩০৩, সাত জাঁই পইন্ট ২২, সাত জাঁই ১২ ব'ৰৰ আৰু ৪৭ জাঁই অন্যান্য কেলিবাৰৰ গুলি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষীয়ে কাছাৰ জিলাৰ সোণাই আৰক্ষী থানাৰ অন্তৰ্গত ৰামনগৰৰ কাবিল উদ্দিন লস্কৰ (২২) আৰু দৰং জিলাৰ ধলা আৰক্ষী থানাৰ অন্তৰ্গত খাৰুপেটিয়াৰ মাণিক আলী (২৮) নামৰ দুই দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# চোকা অস্ত্ৰৰে ৰেপিলে পত্নীক ঃ বিশ্বনাথ আৰক্ষীৰ জালত স্বামী

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১৭ জুন ঃ** সমগ্ৰ দেশৰ লগতে বিশ্বনাথতো সংঘটিত হ'ব ধৰিছে পাৰিবাৰিক কন্দল। বিভিন্ন কাৰণত স্বামী-স্ত্ৰীৰ মাজত মতানৈক্য হৈ সংঘটিত হ'ব ধৰিছে অনাকাংক্ষিত ঘটনা। বিবাহপাশত আবদ্ধ হৈ সাত জনম একেলগে পাৰ কৰাৰ শপত গ্ৰহণ কৰিও এটা জনমতে সেই শপত ভংগ কৰি স্বামী-স্ত্ৰীৰ মাজত এজনে আনজনৰ ঘোৰ শত্ৰু হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ বহুত যদিও অন্যতম কাৰণ হৈছে সুৰাপান। আজি বিশ্বনাথ চাৰিআলি আৰক্ষীয়ে বিশ্বনাথৰ হেমন্ত দাস নামৰ লোকজনক গ্ৰেপ্তাৰ কৰি ১০১/২২ নম্বৰত গোচৰ ৰুজু কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। দাসে দুদিন পূৰ্বে সুৰাপান কৰি পত্নীৰ স'তে কাজিয়াত লিপ্ত হয়। যাৰ ফলত দাসে হাতত চোকা অস্ত্ৰ লৈ পত্নী ৰেণু দাসৰ হাতত নিৰ্মমভাৱে ৰেপি দিয়ে। কথমপি পত্নীৰ প্ৰাণ ৰক্ষা পৰে। পাছত পত্নীৰ এজাহাৰৰ ভিত্তিত বিশ্বনাথ চাৰিআলি আৰক্ষীয়ে স্বামী দাসক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আনহাতে, কালিও বিশ্বনাথৰ সাকোমঠা পাকা লাইনত প্ৰদীপ মুণ্ডা নামৰ লোকজনে সুৰাপান কৰি পত্নীৰ স'তে কাজিয়াত লিপ্ত হৈ নিৰ্মমভাৱে হত্যা কৰে। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে।


# নগাঁৱত দুই তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুন ঃ** নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ সামান্তৰালভাৱে তীৰ খেলৰ বিৰুদ্ধেও অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অংশৰূপে আজি বিয়লি নগাঁৱৰ হয়বৰ গাঁও আৰক্ষীয়ে অভিযান চলাই নগাঁও চহৰৰ ধিং গেটৰ পৰা দুজন তীৰ ব্যৱসায়িক গ্ৰেপ্তাৰ ছয় পৃষ্ঠাত চাওক

## পাহৰ খনন, ঝুমখেতিৰ প্ৰভাৱ, বন ধ্বংসই বোকাময় কৰিছে বৈ অহা নদী-নিজৰা

# কাৰ্বিপাহাৰৰ ধ্বংসমুখিতাই অশনি সংকেত কঢ়িয়াইছে ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৭ জুন ঃ** কাৰ্বি পাহাৰৰ ধ্বংসমুখিতাই অশনি সংকেত কঢ়িয়াইছে ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ। অত্যধিক পাহৰ খনন, ঝুমখেতিৰ সঘন স্থান পৰিৱৰ্তনৰ দৰে প্ৰভাৱ, পাহাৰৰ শিলাময় স্তৰৰ খনন, গছ বন ধ্বংসই বোকাময় কৰি তুলিছে ৰাষ্ট্ৰীয় উদ্যানলৈ বৈ অহা নদী-নিজৰা। ছয় পৃষ্ঠাত চাওক

# নগাঁৱৰ চৰকাৰী শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকাৰ গায়ত্ৰী ভৰালীৰ মৃত্যু



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৭ জুন ঃ** নগাঁও চহৰৰ পানীগাঁও নিবাসী তথা নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা গায়ত্ৰী ভৰালী (৪৩)ৰ আজি বিয়লি প্ৰায় পাঁচ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ভদ্ৰ, নম্ৰ, ছয় পৃষ্ঠাত চাওক

# শুৱালকুছিত ৰাষ্ট্ৰসংঘৰ ঔদ্যোগিক উন্নয়ন সংস্থাৰ ভাৰতীয় কাৰ্যালয়ৰ প্ৰতিনিধি দল



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১৭ জুন ঃ** ৰাষ্ট্ৰসংঘৰ ঔদ্যোগিক উন্নয়ন সংস্থাৰ ভাৰতীয় কাৰ্যালয় প্ৰতিনিধি দল ৰেনে ভেন বাৰ্কেলে আজি ভাৰতীয় চেম্বাৰ্চ অৱ কমাৰ্চৰ সহযোগত শুৱালকুছি পৰিভ্ৰমণ কৰে। পৰিভ্ৰমণ কালত বাৰ্কেলেৰ দলে শুৱালকুছিৰ বস্ত্ৰশিল্পৰ বুজ ল'বলৈ স্থানীয় শিপিনী আৰু উদ্যোগীৰ ঘৰত গৈ তাঁত শাল পৰিদৰ্শন কৰে আৰু হস্ততাঁতত কোনো ধৰণৰ যান্ত্ৰিক সঁজুলি নোহোৱাকৈ কাপোৰবোৰা দেখি অভিভূত হৈ পৰে। বাৰ্কেলে শুৱালকুছিৰ বজাৰ ভ্ৰমণ কৰি স্থানীয় দোকানীৰ লগতো মতবিনিময় কৰে আৰু শিপিনীয়ে নিজৰ উৎপাদন কিদৰে বজাৰ ব্যৱস্থাৰ লগতে সংযোজিত কৰে তাৰো বুজ লয়। ৰাষ্ট্ৰসংঘৰ বিশেষ সংস্থাৰ প্ৰতিনিধিগৰাকীয়ে তেওঁৰ লগত অহা আন্যান্য প্ৰতিনিধিৰ স'তে শুৱালকুছি ৰেছম পৰীৰক্ষাগাৰ পৰিদৰ্শন কৰি ৰেছম কাপোৰৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত

গুৱাহাটী শনিবাৰ ৩ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৮ জুন ২০২২

## সেনাত নিযুক্তি বিতৰ্ক

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সেনা বাহিনীত যুৱ প্ৰজন্মক নিযুক্তিৰ বাবে গ্ৰহণ কৰা 'অগ্নিপথ' নামৰ আঁচনিখনক লৈ দেশৰ কে'বাখনো ৰাজ্যত গভীৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। বিহাৰ, উত্তৰ প্ৰদেশসহ কে'বাখনো ৰাজ্যত যুৱক-যুৱতীয়ে নিযুক্তি আঁচনিখনৰ বিৰোধিতাৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। বিহাৰত প্ৰতিবাদে ইতিমধ্যে হিংসাত্মক ৰূপ ধাৰণ কৰিছে আৰু প্ৰতিবাদকাৰীয়ে ৰেললৈ শিলবৰ্ষণ, দবাত অগ্নিসংযোগ কৰাৰ দৰে ভয়াৰহ ঘটনাও সংঘটিত কৰিছে। এইসকল প্ৰতিবাদকাৰীয়ে 'অগ্নিপথ' আঁচনিৰ বিৰোধিতা কৰি কৈছে যে চৰকাৰে সেনাত নিযুক্তি প্ৰদানৰ নামত দেশৰ যুৱ প্ৰজন্মৰ ভৱিষ্যতক লৈ হেতালি খেলিবলৈ বিচাৰিছে। সেনাত নিযুক্তি লাভৰ বাবে প্ৰস্তুতি চলাই অহা যুৱকসকলে চৰকাৰৰ অগ্নিপথ আঁচনিৰ ঘোষণাত হতাশ হৈছে আৰু সেয়েহে এই আঁচনিৰ বিৰোধিতা কৰা বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিছে। উল্লেখ্য যে চৰকাৰী এই আঁচনিৰ জৰিয়তে ভাৰতীয় সেনাত যুৱ প্ৰজন্মক চাৰি বছৰৰ বাবে নিযুক্তি দিব বিচাৰিছে। ঘোষণা কৰা অনুসৰি, অগ্নিপথ আঁচনিৰ অধীনত চাৰে ১৭ বছৰৰ পৰা ২১ বছৰ বয়সীয়া দেশৰ ৪৫ হেজাৰ যুৱকক সেনাত জোৱান হিচাপে নিযুক্তি প্ৰদান কৰা হ'ব; কিন্তু এইসকল জোৱানক মাত্ৰ চাৰি বছৰৰ বাবেহে চাকৰিত নিয়োগ কৰা হ'ব আৰু কাৰ্যকালৰ প্ৰথম ছমাহ তেওঁলোকে প্ৰশিক্ষণ ল'ব লাগিব। চৰকাৰে ঘোষণা কৰা মতে, আঁচনিৰ অধীনত নিয়োজিত সৈনিকে মাহে ৩০-৪০ হেজাৰ টকাৰ বেতনৰ লগতে অন্যান্য ভাট্টা লাভ কৰিব যদিও পেন্সনৰ ব্যৱস্থা নাথাকিব। অগ্নিপথ আঁচনিৰ বিৰোধিতা কৰি কে'বাখনো ৰাজ্যত অব্যাহত থকা প্ৰতিবাদী আন্দোলনে চৰকাৰৰ এই ঘোষণাক এতিয়া প্ৰত্যাহ্বান জনাইছে।

প্ৰতিবাদকাৰীসকলৰ মতে, চৰকাৰে সেনাত নিযুক্তিৰ নামত দেশৰ তৰুণ প্ৰজন্মক আভুৱা ভাঁৰিব বিচাৰিছে। সেনাত স্থায়ী নিযুক্তি নিদি কিয় মাত্ৰ চাৰি বছৰৰ বাবেহে যুৱকসকলক নিয়োজিত কৰিব বিচাৰিছে বুলিও এইসকল প্ৰতিবাদকাৰীয়ে প্ৰশ্ন কৰিছে। ভাৰতীয় সেনাক দুৰ্বল কৰাৰ অপচেষ্টা চলোৱাৰ অভিযোগো উত্থাপন কৰিছে একাংশ লোকে। আন্দোলনকাৰীসকলে কৈছে যে মাত্ৰ চাৰি বছৰ চাকৰি কৰাৰ পাছত সেনাৰ পৰা অব্যাহতি দিলে বাকী জীৱনছোৱা তেওঁলোকে কেনেকৈ জীৱিকা আহৰণ কৰিব? এনেবোৰ প্ৰশ্ন উত্থাপন কৰিয়ে এতিয়া কে'বাখনো ৰাজ্যৰ সেনাত নিযুক্তি লাভত ইচ্ছুক যুৱ প্ৰজন্ম ক্ষোভত ফাটি পৰিছে আৰু চৰকাৰী সা-সম্পত্তিৰ ক্ষতিসাধন কৰি বিক্ষোভ প্ৰদৰ্শন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অগ্নিপথ আঁচনিক ভূয়সী প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে এই আঁচনিয়ে দেশৰ যুৱ প্ৰজন্মক দেশসেৱাৰ স'তে সহজে জড়িত হোৱাৰ সুযোগ দিব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও আঁচনিখনক ঐতিহাসিক সিদ্ধান্ত বুলি অভিহিত কৰিছে; কিন্তু চৰকাৰৰ এনেবোৰ দাবীৰ পাছতো অগ্নিপথক লৈ শংকা নথকা নহয়। এই আঁচনিয়ে সেনা বাহিনীৰ দেশভক্তি আৰু পেছাদাৰিত্বক প্ৰভাৱিত কৰিব পাৰে বুলি একাংশ সামৰিক বিশেষজ্ঞই আশংকা কৰিছে। সন্ত্ৰাসবাদী আদিয়েও এই আঁচনিৰ জৰিয়তে সহজে সেনাত যোগদান কৰি প্ৰশিক্ষণ গ্ৰহণৰ লগতে দেশৰ সেনা বাহিনীৰ বিভিন্ন গোপনীয় তথ্য-পাতি, কৌশল আহৰণ কৰিব পাৰে বুলিও একাংশই মন্তব্য কৰিছে। দেশৰ কে'বাজনো প্ৰাক্তন সেনা বিষয়ায়ো অগ্নিপথ আঁচনিখন বাস্তৱসন্মত নহয় বুলি মন্তব্য কৰি কৈছে যে একোজন সৈনিকক সমৰকলা আয়ত্তৰ বাবে কমেও চাৰি-পাঁচ বছৰৰ প্ৰশিক্ষণৰ প্ৰয়োজন হয়, তেনে ক্ষেত্ৰত ছমাহৰ প্ৰশিক্ষণৰে নিয়োজিত সৈনিকে দেশক কি সেৱা আগবঢ়াব; সেয়া সন্দেহজনক। এনেবোৰ মতামত আৰু প্ৰশ্নই অগ্নিপথ আঁচনিখনক বিতৰ্কৰ মাজলৈ ঠেলি দিছে।

সেনা বাহিনীত 'ছ'ৰ্ট ছাৰ্ভিচ' অৰ্থাৎ হ্ৰস্বকালীন নিযুক্তি সেৱা নতুন কথা নহয়। বিশ্বৰ প্ৰায়বোৰ দেশৰ সেনা বাহিনীত এনে বিশেষ নিযুক্তি সেৱাৰ ব্যৱস্থা আছে। ব্ৰিটিছ সেনাত যুৱ প্ৰজন্মক হ্ৰস্বকালীন সেৱাত নিযুক্ত কৰা হয়। স্বয়ং ব্ৰিটিছ ৰাজ পৰিয়ালৰ সদস্যয়ো সেনাৰ হ্ৰস্বকালীন সেৱাত নিযুক্ত হৈ আহিছে। আমেৰিকাসহ আন বহু দেশত যুৱ প্ৰজন্মই ইচ্ছা অনুসৰি সেনাত ভৰ্তি হৈ দেশসেৱা কৰাৰ সুবিধা আছে। সেই দিশৰ পৰা আমাৰ দেশতো অগ্নিপথৰ দৰে আঁচনিৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি; কিন্তু সমস্যাটো হৈছে ভাৰতত আজিও সৰহ সংখ্যকে সংস্থাপনৰ বাবেহে সেনাত ভৰ্তি হ'বলৈ বিচাৰে। দেশত চৰকাৰী চাকৰি সীমিত হোৱা হেতুকে অনেকে সেনাৰ চাকৰিত নিয়োজিত হৈ জীৱিকা আহৰণ কৰি আহিছে। চৰকাৰে যদি চাৰি বছৰৰ বাবে সেনাত নিযুক্তি দিয়ে, তেন্তে মাত্ৰ ২১-২৫ বছৰ বয়সতে এইসকল সৈনিক পুনৰ উপাৰ্জনহীন নহ'ব নে? চৰকাৰী ঘোষণা মতে অগ্নিপথৰ অধীনত নিয়োজিত সৈনিকক পাছত চৰকাৰৰ আন পদত নিযুক্তিত অগ্ৰাধিকাৰ দিয়াৰ লগতে যুদ্ধৰ পৰিস্থিতিত পুনৰ নিয়োগ কৰা হ'ব। দৰাচলতে চৰকাৰে সেনাত স্থায়ী নিযুক্তি প্ৰক্ৰিয়া বাহাল ৰাখি অগ্নিপথক এক বিকল্প নিয়োজন আঁচনি হিচাপে প্ৰৱৰ্তন কৰিলে বিৰোধিতাৰ কাৰণ নাথাকিব। যিসকল লোকে চাৰি বছৰ দেশক সেৱা কৰিবলৈ সেনাত ভৰ্তি হ'ব বিচাৰে, তেনে প্ৰাৰ্থীক অগ্নিপথৰ অধীনত নিযুক্তি দিয়াৰ ব্যৱস্থা থাকিলে বিতৰ্কৰ অৱসান ঘটিব।

## খোলা মঞ্চ

### এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**সাহিত্য,** সংস্কৃতি, সংগীত আদিৰ প্ৰতি মানুহৰ দুৰ্বলতা চিৰন্তন। সাহিত্য-সংস্কৃতিৰ কৰ্মৰ দ্বাৰা কেৱল নিজক প্ৰতিষ্ঠা কৰাৰ বাসনা লৈ জড়িত হোৱা তোষামোদী ব্যক্তিসকলৰ কাৰণে সাহিত্য-সংস্কৃতিৰ পথাৰখন অসাহিত্য আৰু অসংস্কৃতিৰে ভৰি পৰিছে। এক কথাত ক'বলৈ হ'লে ক'ব লাগিব যে বিহু অসমৰ জাতীয় উৎসৱেই নহয়, অসমীয়া জাতিৰ আপোন পৰিচয় দাঙি ধৰাৰ বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতীক। অসমীয়া জাতিৰ লোক-সংস্কৃতিৰ মেটমৰা ভাণ্ডাৰৰ ভিতৰত 'বিহু' হ'ল জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ জনসাধাৰণকে স্পৰ্শ কৰি যোৱা জাতীয় উৎসৱ। চৰকাৰে সাহিত্য-সংস্কৃতি ৰক্ষাৰ নামত যিমানে যি নকৰক কিয়, আমাৰ দৃষ্টিত এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হোৱা নাই। তাৰ বাবে দায়ী চৰকাৰ নহয়, আমি নিজেই। যুগৰ লগত মিলি নিজকে আগুৱাই নিয়াৰ প্ৰৱণতা সকলোৰে। পথাৰৰ বিহু গৈ মঞ্চ পালেহি। তাতেও ক'বলগীয়া নাই। এতিয়া দেখিছো মঞ্চ বিহু আৰু কোনো বাণিজ্যিক প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ মাজত যেন পাৰ্থক্য নোহোৱা হৈছে।

এইবেলি শাসকগোষ্ঠীয়ে বিহুৰ নামত প্ৰায়ভাগ বিহু সমিতিক ভালকৈ বিহু পাতিবলৈ ডেৰ লাখ টকাৰ অনুদান আগবঢ়াইছে আৰু বিহু পতাৰ সময় সীমা নিৰ্ধাৰণ কৰি দিছিল। অসমবাসীক বিহুৰ বতৰত জোৰ জুলুমকৈ কাৰো পৰা যাতে বৰঙণি নোতোলে সেয়া সকিয়াই দিছে। তথাপিওচোন বিহু মঞ্চত বিহু গীতৰ সলনি সস্তীয়া গীত-মাতৰ নামত আয়োজকসকলে লক্ষ লক্ষ টকা ব্যয় কৰি আমন্ত্ৰণ কৰি অনা তথাকথিত এচাম গায়কৰ পয়োভৰ দেখা গ'ল।

এইবেলি ছ'ছিয়েল মিডিয়াৰ জৰিয়তে দেখিলো বিহুৰ নামত এচামে বোকা পানীৰেলিতুৰি পুতৰি হৈ বিহু নৃত্য কৰি থাকিল। এচামে বিহু মঞ্চত উঠি বিহু গান নতুবা হিন্দী গীতৰ তালে তালে কৰা অদ্ভুত নৃত্যত ভাগ ল'বলৈ দৰ্শকক আমন্ত্ৰণ জনায়। বিহু মঞ্চত শিল্পীয়ে গীত পৰিৱেশন কৰাৰ সময়ত একাংশ দৰ্শকে সুৰাপান কৰি চাৰিওফালে জুই লগাই তাৰ মাজত নৃত্য কৰা, বিহু অনুষ্ঠানৰ আচবাব ভঙা, মাৰ পিট কৰা কাণ্ডৰে কি বুজায়? গাঁৱৰ আঁহত তলৰ বিহুৰ সৰলতা, চহা জীৱনৰ মাদকতাৰ ঠাইত নগৰীয়া কৃত্ৰিমতাৰ গ্ৰাসত পৰি বিহুৱে তাৰ ঐতিহ্য হেৰুৱাই পেলোৱা নাইনে? বিখ্যাত গায়কেও বিহু মঞ্চত উঠি তেনেদৰে নাচ-বাগেৰে নৱ প্ৰজন্মক উদণ্ড কৰি তোলা নাইনে? মঞ্চ বিহুৰ আয়ো-জকসকলে বিহুৰ নামত এই অপসংস্কৃতি ৰোধিব নোৱাৰিলে পিছলৈ গৈ বিহুৰ ঐতিহ্য আৰু পৰম্পৰাগত সংস্কৃতিক বিনষ্ট কৰাৰ বাবে তেওঁলোকেহে দায়ী হ'ব। শিল্পী অনাৰ প্ৰতিযোগিতা আৰম্ভ হোৱাত মঞ্চ বিহুৰ খৰচ বাঢ়িল আৰু বিহুৰ ঐতিহ্য-পৰম্পৰা ক্ৰমে নোহোৱা হ'ব ধৰিলে। যদিও বিহু এটা কৃষিভিত্তিক উৎসৱ, এইবেলি ৰঙালী বিহুৰ মুখ্য আকৰ্ষণ হৈ পৰিল বিহু তলীৰ মঞ্চত অদ্ভুত বিহু নৃত্য, ৰভা আৰু চকী-মেজ ভঙা পৰ্ব আৰু বোকা ডান্স। আচলতে সংস্কৃতিৰ পথাৰখনত সংস্কৃতিবান মানুহৰ অভাৱ হৈছে। যাৰ বাবে বিহুৰ নামত এনে অপসংস্কৃতি আমি দেখিবলৈ পাওঁ। জাতি এটাক জীয়াই ৰাখে ভাষা-সংস্কৃতিয়ে। গতিকে আমাৰ সজাগ হ'বৰ হ'ল।

**ৰমিছা বেগম,** লেখিকা

## বিক্ষিপ্ত চিন্তা নহয়, সংক্ষিপ্ত চিন্তা

# বিতৰ্কৰ চাকনৈয়াত ৰাজনৈতিক ধুমুহা আৰু সাম্প্ৰদায়িকতবাদৰ উত্থান


দিল্লী বিশ্ববিদ্যালয়ৰ এজন অধ্যাপকে 'জ্ঞানবাপী' মছজিদত উদ্ধাৰ হোৱা শিৱলিংগ সন্দৰ্ভত নানান অশ্লীল মন্তব্য আৰু বিকৃত চিত্ৰ সামাজিক মাধ্যমত প্ৰচাৰ কৰিছিল। হিন্দুৰ সনাতনী ধৰ্মৰ প্ৰতি আস্থা এটা প্ৰহসন মাথোন, সেই বাৰ্তাটোকে দিবলৈ বিচাৰিছিল অধ্যাপকজনে। দিল্লী আৰক্ষীয়ে তেওঁক সাম্প্ৰদায়িক সদ্ভাৱ বিনষ্ট কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল। পিছে দিল্লীৰ এখন আদালতে তেওঁৰ জামিন ততালিকে মঞ্জুৰ কৰিলে। এই সন্দৰ্ভত ন্যায়াধীশ মালিকে দিয়া ৰায়টো ভাৰতীয় ন্যায়পালিকাৰ ইতিহাসত উজ্জ্বল চানেকিৰূপে জিলিকি থাকিব।

ৰায়টোত মালিকে কৈছে— ময়ো এজন নিষ্ঠাৱান হিন্দু আৰু শিৱভক্ত; সেয়েহে অধ্যাপক ৰাম লালৰ অপকৰ্মই মোক মনোকষ্ট নিদিয়াকৈ থকা নাই। কিন্তু তেওঁ কোনো সম্প্ৰদায়ক প্ৰতিনিধিত্ব নকৰে। ভাৰতত ১৩০ কোটি লোক আছে; প্ৰতিগৰাকী নাগৰিকৰে কোনো এটা বিষয়ত সুকীয়া সুকীয়া দৃষ্টিভংগী থাকিব পাৰে। তালৈ সন্মান জনাই অধ্যাপক লালক জামিনত মুক্তি দিয়া হ'ল; কিন্তু ভৱিষ্যতলৈ তেওঁ আনৰ ধৰ্মীয় অনুভূতিত আঘাত নিদিয়াৰ সামাজিক দায়ৱদ্ধতা পালন কৰিব লাগিব।

সামাজিক মাধ্যমত মালিকৰ ৰায়টো প্ৰশংসিত হৈছে; কিন্তু এচামে প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাকৈও থকা নাই;— হিন্দুসকল সহনশীল আৰু সহনশীল হৈয়েই থাকিব। কিন্তু আন এটা ধৰ্মৰ বিৰুদ্ধে বিৰূপ মন্তব্য দিলে কেনে লংকাকাণ্ড ঘটায়, সেইটো সকলোৱে জানে। ফ্ৰান্সৰ শিক্ষয়িত্ৰীগৰাকীৰ বিদ্যালয়ৰ ভিতৰতে শিৰশ্ছেদ কৰিছিল ধৰ্মান্ধ সন্ত্ৰাসবাদীয়ে। ফ্ৰান্স চৰকাৰে সিহঁতৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা বাবে নতুন দিল্লীৰ এখন ধৰ্মীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰনেতাসকলে ৰাষ্ট্ৰপতি মেক্ৰ'নৰ শিৰশ্ছেদ কৰিবলৈ সংকল্প লৈ ৰাজপথত বিক্ষোভ প্ৰদৰ্শন কৰিছিল; কথাটো পাহৰিলে নেকি?

(দুই)

সৰুতে দেখিছিলো, নৱবিবাহিতা বোৱাৰীয়ে ঘৰৰ চাৰিসীমাৰ বাহিৰত গিৰিয়েকৰ স'তেও কথা নাপাতিছিল; শহুৰেক আৰু ভাই শহুৰেকক মুখ নেদেখুৱাইছিল। অন্য পুৰুষৰ সমুখতো এহাতমান দীঘল ওৰণি লৈহে ওলাইছিল। এতিয়া পৰস্পৰৰ মাজৰ হাঁহি-ধেমালি নকৰা দম্পতীক আনে সোধে, তহঁতৰ মাজত কিবা লাগিছে নেকি? বোৱাৰীয়ে ভাই শহুৰেকক 'পিতা' আৰু শহুৰেকৰ 'পিতা' বুলি মাতে। ঘটনাটো লণ্ডন চহৰৰ। টেক্সিচালকে 'মিউজিক ছিষ্টেম' অন কৰি আনন্দ মনেৰে গৈ আছে। পিছফালে বহি যোৱা আৰোহীয়ে আপত্তি জনাই ক'লে— 'তুমি মিউজিক ছিষ্টেম অফ কৰা; মই এজন নৈষ্ঠিক লোক, আমাৰ ধৰ্মত গান শুনাটো নিষেধ।' টেক্সিচালকে তৎক্ষণাত গাড়ী ৰখাই ক'লে— 'অনুগ্ৰহ কৰি নামি যাওক' কিন্তু কিয়?' অতি বিনম্ৰতাৰে টেক্সিচালকে উত্তৰ দিলে— পথৰ দাঁতিত ৰৈ থাকক আৰু উট অহালৈ অপেক্ষা কৰক।



## বিক্ষিপ্ত চিন্তা
### ড° জয়কান্ত শৰ্মা

(তিনি)

২০০৮ৰ ঘটনা। নূপুৰ শৰ্মা তেতিয়া দিল্লী বিশ্ববিদ্যালয় ছাত্ৰ সভাৰ অধ্যক্ষ। উক্ত বিশ্ববিদ্যালয়ৰে প্ৰাক্তন অধ্যাপক এছ এ আৰ গীলানিয়ে এখন বিভাগীয় আলোচনাচক্ৰত 'গণতন্ত্ৰ'ৰ বিষয়ে ভাষণ দি আছিল। এনে সময়তে একাংশ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ স্বেচ্ছাসেৱকে অধ্যাপক গীলানিক দুৰ্ব্যৱহাৰ কৰিলেগৈ আৰু কোঠাৰ পৰা উলিয়াই দিলে।

এই ঘটনাটোৰ বিষয়ে টিভি বিতৰ্কত অংশ ল'বলৈ নূপুৰ শৰ্মাক মাতি নিছিল অৰ্ণৱ গোস্বামীয়ে। অৰ্ণৱে প্ৰচণ্ড হেঁচা দিছিল নূপুৰক উক্ত ঘটনাটোৰ বাবে ছাত্ৰসকলক গৰিহণা দিবলৈ। কিন্তু নূপুৰ আকোৰগোঁজ হৈ থাকিল আৰু ক'লে— মই কিয় গৰিহণা দিম? অধ্যাপক গীলানিক আদালতে সংসদ ভৱন আক্ৰমণৰ ঘটনাত লিপ্ত থকাৰ অপৰাধত মৃত্যুদণ্ড দিছিল; তেওঁৰ বিৰুদ্ধে দাখিল কৰা সাক্ষ্য-প্ৰমাণ যথেষ্ট নহয় বুলি সৰ্বোচ্চ ন্যায়ালয়ে তেওঁক মুক্তি দিছে; সেইটো অন্য কথা। কিন্তু এজন ঘোষিত সন্ত্ৰাসবাদীক দিল্লী বিশ্ববিদ্যালয়ত গণতন্ত্ৰৰ বিষয়ে বক্তৃতা দিবলৈ কোনে মাতি নিছিল? তেওঁলোকক দেশবাসীৰ সন্মুখত ক্ষমা খুজিবলৈ কওক।

সেইগৰাকী নূপুৰ শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ মুখপাত্ৰৰূপে অৰ্ণৱৰ গোস্বামী চেনেলতে ২৬ মে'ত 'ফাইলছ্ জ্ঞানবাপী' বিতৰ্কত ভাগ লৈছিল। বিতৰ্কত শিৱলিংগৰ সন্দৰ্ভত নানান অপমানজনক মন্তব্যৰে প্ৰত্যুত্তৰত নূপুৰ শৰ্মাই হেনো উত্তেজিত হৈ 'হাদিচ'ৰ উদ্ধৃতি দিছিল, যিটো সামাজিক মাধ্যমত পয়গম্বৰৰ বাবে অপমানজনক বুলি চিহ্নিত কৰা হৈছে। অৱশ্যে মই নিজে বিতৰ্কটো চোৱাৰ সৌভাগ্য নঘটিল; কিন্তু বিভিন্ন মাধ্যমত প্ৰকাশ পোৱা বৃত্তান্তবোৰৰ পৰা সেইটোকে বুজিছো।



এতিয়া নূপুৰ শৰ্মাৰ বিতৰ্কিত মন্তব্যই দেশে-বিদেশে ৰাজনৈতিক ধুমুহাৰ সৃষ্টি কৰিছে, সেইটোৱে ভাৰত চৰকাৰক বিপাণ্ডত নেপেলোৱাকৈ থকা নাই। ইতিমধ্যে নূপুৰ শৰ্মাই স্পষ্টীকৰণ দি ক্ষমা খুজিছে— পয়গম্বৰগৰাকীক অপমান কৰাৰ উদ্দেশ্য মোৰ নাছিল; মই মাথোন বিতৰ্ক কালত এটা উদ্ধৃতি দিছিলো। যদি সেইটোৱে আন এটা সম্প্ৰদায়ৰ কোনো কোনো লোকক আঘাত দিছে, তেনেহ'লে মই দুঃখিত, আৰু মোৰ মন্তব্য প্ৰত্যাহাৰ কৰিলো।

ভাজপাই নূপুৰ শৰ্মাক দলৰ পৰা নিলম্বন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়েও স্পষ্টীকৰণ দিছে, আমাৰ চৰকাৰে 'সকলো ধৰ্মৰ প্ৰতি সন্মান প্ৰদৰ্শন' নীতিত বিশ্বাসী; এগৰাকী দলীয় কাৰ্যকৰ্তাৰ দৃষ্টিভংগী কেতিয়াও চৰকাৰৰ দৃষ্টিভংগী হ'ব নোৱাৰে। তদুপৰি ইতিমধ্যে কাৰ্যকৰ্তাগৰাকীৰ বিৰুদ্ধেও দলে শাস্তিমূলক ব্যৱস্থা লৈছেই।

**আমোদজনক কথাটো হ'ল সাম্প্ৰদায়িক সদ্ভাৱ ৰক্ষা কৰিবলৈ ভাৰতক চীনেও উপদেশ দিছে; অথচ কমিউনিষ্ট দেশখনত মুছলমান লোকৰ মছজিদত নামাজ পঢ়াৰ অধিকাৰ নাই, দাড়ি ৰখা আৰু ৰোজা ৰখা নিষেধ, সন্তানৰ নাম 'মহম্মদ' ৰাখিলেই বিপদ, সন্তানৰ সংখ্যা সীমিত ৰখাটো বাধ্যতামূলক, আনকি সাজপাৰৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আছে**

পিছে পৰিস্থিতি শাম কটা নাই, বৰঞ্চ দিনে দিনে জটিল হৈছে। নবীন কুমাৰ জিন্দাল নামৰ আন এজন উদ্যোগপতিৰ বিৰুদ্ধেও পয়গম্বৰৰ প্ৰতি অপমানজনক মন্তব্য দিয়াৰ অভিযোগ উঠিছে, তেওঁকো চৰকাৰে সুৰক্ষা দিবলগীয়াত পৰিছে। পিছে নূপুৰ শৰ্মাৰ মন্তব্যৰ বিতৰ্কটোৱে যিটো মাত্ৰা লাভ কৰিছে, সেইটোৰ অন্তিম দশা কি হয়গৈ, এতিয়াই কোৱা টান।

(চাৰি)

নূপুৰ শৰ্মা দিল্লী বিশ্ববিদ্যালয়ৰ আইনৰ স্নাতক; তদুপৰি তেওঁ লণ্ডনৰ স্কুল অৱ ইক'নমিকছৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। উচ্চ শিক্ষিতা হোৱা বাবেই তেওঁ মৌলবাদী মুছলমানৰ আক্ৰমণৰ লক্ষ্য হৈ পৰিছে নেকি? কাৰণ তালিবানী মানসিকতাৰ মুছলমানে শিক্ষিতা মহিলাক চকু পাৰি দেখিব নোৱাৰে। নহ'লেনো শুকুৰবাৰৰ পৱিত্ৰ জুমা নামাজৰ পাছত সংগঠিত হৈ একাংশ নামাজীয়ে শিলগুটি দলিয়াই অশ্লীল আস্ফালন কৰি নূপুৰ শৰ্মাক ধৰ্ষণ কৰাৰ, জিভা কাটি পেলোৱাৰ আৰু হত্যাৰ ভাবুকি দিয়েনে? মহিলাৰ বিৰুদ্ধে এনে অসভ্য বৰ্বৰ আচৰণৰ ব্যৱস্থা কোনখন ধৰ্মশাস্ত্ৰই দিছে? এনে উপদ্ৰৱ কমেও দহখন ৰাজ্যত পৰিলক্ষিত হৈছে। তাকে লৈ মুছলমান সুধী সমাজ অসন্তুষ্ট আৰু বাৰুকৈয়ে চিন্তিত।

জমিয়ৎ উলেমা-ই-হিন্দৰ অধ্যক্ষ সুহেব কাছমীয়ে কৈছে— আছাউদ্দিন ওৱেছি আৰু মৌলানা আৰ্শ্বাদ মাদানিয়ে মুছলমানৰ নামত ৰাজনীতি কৰিবলৈ যুৱপ্ৰজন্মক হিংসাত্মক আন্দোলনলৈ উচটনি দিছে; তেওঁলোকৰ বিৰুদ্ধে ফতোৱা জাৰি কৰাৰ প্ৰয়োজন হৈছে। ইতিমধ্যে নামাজৰ পাছত হিংসাত ভাগ লোৱা মুছলমানসকলক ইছলামৰ পৰা বহিষ্কাৰ কৰাৰ দাবীও উঠিছে। ভাৰতবৰ্ষ সাংবিধানিক গণতন্ত্ৰৰ দেশ। যদিহে নূপুৰ শৰ্মাই অপৰাধ কৰিছে, তেনেহ'লে তেওঁ নিশ্চয় শাস্তি পাব।

পাকিস্তান, কুৱেইট, ছৌডি আৰব আৰু তুৰ্কীৰ উচটনিত একাংশ মুছলমান দেশেও নূপুৰ শৰ্মাৰ মন্তব্যৰ বিৰোধিতাৰ অজুহাতত ভাৰতবিৰোধী কাৰ্যকলাপ চলাব লাগিছে। আইছিছ আৰু তালিবানৰ পৰাও নূপুৰে ভাবুকি পাইছে। কিন্তু সাহসী মহিলাগৰাকী অটল হৈ আছে নিজৰ স্থিতিত। তেওঁৰ সমৰ্থনত দেশৰ বিভিন্ন প্ৰান্তত 'I am Nupur' আন্দোলন আৰম্ভ হোৱাটো কম তাৎপৰ্যপূৰ্ণ নহয়। কিন্তু এইবোৰৰ মাজতো, দুটা মূল প্ৰশ্ন আছে; (১) নূপুৰৰ মন্তব্যটো মিছা আছিল নেকি? (২) হিন্দু দেৱ-দেৱীৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য দিয়া মুছলমানসকলক কোনে শাস্তি দিব?

অৰ্থনৈতিকভাৱেই হওক বা ৰাজনৈতিকভাৱে বিশ্বত ভাৰতৰ ক্ৰমবৰ্ধমান আধিপত্য বৃদ্ধি পাইছে; তাকে ৰোধ কৰিবলৈ একাংশ মুছলমান ৰাষ্ট্ৰই ভাৰতৰ মৌলবাদী শক্তিক ব্যৱহাৰ কৰিছে নেকি? সংগঠিত হিংসাৰ ষড়যন্ত্ৰকাৰী কিছু সংখ্যক মুছলমান নেতাৰ পৰা জব্দ কৰা নথি-পত্ৰসমূহে তেনে ইংগিত নিদিয়াকৈ থকা নাই। তাৎপৰ্যপূৰ্ণ যে নূপুৰ শৰ্মাৰ মন্তব্যৰ প্ৰসংগত ভ্লাডিমিৰ পুটিনৰ টুইট এটাও ব্যাপকভাৱে প্ৰচাৰিত হৈছিল; মূৰকত টুইটটো ভুৱা বুলি প্ৰতিপন্ন হ'ল। একেদৰে ইৰানৰ বিদেশ মন্ত্ৰীয়েও এটা বিভ্ৰান্তিকৰ বিবৃতি প্ৰচাৰ কৰি মূৰকত ভাৰতৰ ওচৰত ক্ষমা খুজিবলগীয়াতহে পৰিল।

নূপুৰ বিতৰ্ক চলি থকাৰ মাজতে কাটাৰে তাত বাস কৰা হিন্দু লোকৰ মৃত্যু হ'লে দাহ-সংস্কাৰৰ বাবে ভূমি আবণ্টন দিবলৈ মান্তি হৈছে। আমাৰ চুবুৰীয়া বাংলাদেশৰ সূচনা মন্ত্ৰী ডাঃ হাসান মাহমুদে 'পয়গম্বৰক অপমান' কৰাৰ বিষয়টো সুন্দৰকৈ চম্ভালি লোৱা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাইছে। পিছে আমোদজনক কথাটো হ'ল সাম্প্ৰদায়িক সদ্ভাৱ ৰক্ষা কৰিবলৈ ভাৰতক চীনেও উপদেশ দিছে; অথচ কমিউনিষ্ট দেশখনত মুছলমান লোকৰ মছজিদত নামাজ পঢ়াৰ অধিকাৰ নাই, দাড়ি ৰখা আৰু ৰোজা ৰখা নিষেধ, সন্তানৰ নাম 'মহম্মদ' ৰাখিলেই বিপদ, সন্তানৰ সংখ্যা সীমিত ৰখাটো বাধ্যতামূলক, আনকি সাজপাৰৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আছে। মঞ্চত নূপুৰ শৰ্মাৰ বিতৰ্কটো তুংগত থকা সময়তে নেপালৰ পৰা নেদাৰলেণ্ডলৈকে বিভিন্ন ৰাষ্ট্ৰই 'অভিব্যক্তিৰ স্বাধীনতা'লৈ সমৰ্থন দিছে। এই সময়তে লণ্ডনত মুক্তি পাইছে হজৰত মহম্মদৰ জীয়ৰী ফাটিমাৰ চৰিত্ৰ চিত্ৰনেৰে নিৰ্মিত ছবি The Lady of Heaven'। ইয়াৰ বিৰুদ্ধেও আৰব ৰাষ্ট্ৰসমূহৰ অনেকে প্ৰতিবাদ জনাইছে। পিছে ব্ৰিটিছ চৰকাৰ অটল হৈ আছে 'অভিব্যক্তিৰ স্বতন্ত্ৰতা' নীতিত। আনকি এই নীতিৰ বিৰোধিতা কৰি আন্দোলন কৰিবলৈ উচটনি দিয়া বাবে চৰকাৰী মৌলবীজনক তৎকালেই বৰ্খাস্ত কৰা হ'ল।

বহুতৰে ভ্ৰান্ত ধাৰণা, মধ্যপ্ৰাচ্যৰ দেশবোৰে বৃহৎ সংখ্যক ভাৰতীয় লোকৰ বাবে সংস্থানৰ সৃষ্টি কৰি ভাৰতক উপকৃত কৰিছে। প্ৰকৃততে কথাটো আংশিকভাৱেহে সত্য। ছৌডি আৰব, ইৰান, ইউ এ ই, কাটাৰ আদি দেশৰ অৰ্থনীতি ভাৰতৰ ওপৰত নিৰ্ভৰশীল। এই দেশবোৰৰ পৰাই ভাৰতে খাৰুৱা তেল আমদানি কৰে; কিন্তু ভাৰতে ইতিমধ্যে তাৰ বিকল্প ব্যৱস্থাও সম্পূৰ্ণ কৰি তুলিছে। এনে পটভূমিত মধ্যপ্ৰাচ্যৰ দেশবোৰে পয়গম্বৰৰ প্ৰতি অপমানৰ বিষয়ক লৈ গ্ৰহণ কৰা আৱেগিক সিদ্ধান্ত পুনৰ্বিচাৰ কৰিবলৈ বাধ্য হৈছে।

ভাৰত বিশ্বৰ বৃহত্তম গণতন্ত্ৰৰ দেশ। সনাতনী সংস্কৃতিৰ দেশখনত অভিব্যক্তিৰ স্বাধীনতাৰ পৰম্পৰা অলংঘনীয়। ধৰ্মীয় উন্মাদনা তথা সামাজিক হিংসাৰ সৃষ্টি কৰি সেই পৰম্পৰা বিনষ্ট কৰিব নোৱাৰি।

ফোন : ৯৪৩৫৫-৫৪২০৫



## ঋণ সকাহ আৰু বিনামূলীয়া চাউলে মহিলা সবলীকৰণত সহায় কৰিছেনে?

### অভিমত

**যুগে** যুগে পুৰুষ মহিলাৰ বৈষম্য যে চলি আহিছে এই কথা কোনেও নুই কৰিব নোৱাৰে। শোষণ, নিষ্পেষণ, শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হৈ থকাৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিবাদ কৰা, মৰ্যাদা সহকাৰে জীয়াই থাকিবলৈ বিচাৰি সংগ্ৰাম কৰা বহু কাহিনী প্ৰকাশ পাই আহিছে। এই প্ৰতিবাদ কিছু আগবাঢ়িবলৈ সক্ষম হৈছে যদিও এশ শতাংশ শোষণমুক্ত, শিক্ষিত হৈ সমাজত কেতিয়া প্ৰতিষ্ঠা লাভ কৰিব পাৰিব সেই কথা কোৱা টান।

নাৰী সবলীকৰণৰ উদ্দেশ্য আগত ৰাখি সময়ে সময়ে চৰকাৰে কিছুমান আঁচনি লৈ থকা দেখিবলৈ পোৱা যায়। এই আঁচনিসমূহে সকলো নাৰীকে কৰ্মঠ কৰি তুলিছেনে? চুবুৰিয়ে চুবুৰিয়ে আত্মসহায়ক গোটবোৰ খুলিছে। বহু আত্মসহায়ক গোটে চৰকাৰৰ পৰা বহু ধৰণৰ অনুদান লাভ কৰি থকা দেখা যায়। এই অনুদানবিলাক লাভ কৰি উন্নয়নৰ কামত লগাইছে নে নাই এই কথা সঠিককৈ কোৱা টান। বেছিভাগ আত্মসহায়ক গোটে অধিক দুখীয়া- নিছলা মানুহক ঋণৰ সুতৰ পৰিমাণ বঢ়াই টকা উপাৰ্জন কৰাটোহে দেখিবলৈ পোৱা যায়। তাৰ মাজতে দুই এটা গোটে উন্নয়নৰ কাম কৰি স্বাৱলম্বী হোৱাটো নুই কৰিব নোৱাৰি।

চৰকাৰে নিৰ্বাচনৰ সময়ত মহিলাক ঋণৰ পৰা ৰেহাই দি স্বাৱলম্বী হ'বলৈ যি দায়িত্ব ল'লে এই দায়িত্ব চৰকাৰে ঠিকেই পালন কৰিছে যদিও সঁচাকৈয়ে এইসকল নাৰী স্বাৱলম্বী হৈ আগবাঢ়ি যোৱাত সফল হৈছেনে? সহজলভ্য ধনৰ প্ৰতি মানুহৰ যি হাবিয়াহ ঘটিছে পাই যোৱাৰ পাছত কামৰ প্ৰতি স্পৃহা নাইকিয়া হোৱাটো স্বাভাৱিক। এনেয়ে পোৱা বস্তুৰ কিবা মূল্য আছে বুলি কোনেও নাভাবে। এগৰাকী মানুহৰ উৎকৰ্ষ সাধন হ'বলৈ হ'লে কিছু কষ্টৰ প্ৰয়োজন।

আমি জানিছিলো বহু অভাৱগ্ৰস্ত লোকে এই ঋণবোৰ লৈ দামী ম'বাইল, টিভিৰ ছেট, দুচকীয়া বাহন কিনি চখ মিতাইছে। এই চখে বেছি ভাগকে আৰু অধিক অভাৱগ্ৰস্ত কৰি তুলিছে; কাৰণ প্ৰতি মাহে ম'বাইল ৰিচাৰ্জ কৰা, গাড়ীত তেল ভৰোৱা ইত্যাদি কামত উপাৰ্জনত কোনো মতি-গতি নথকা মানুহৰ ঋণৰ প্ৰতি অধিক হাবিয়াহ বাঢ়ি গৈ থাকে। বহু ঋণগ্ৰস্ত মানুহৰ সন্তানক এসাঁজ সুষম আহাৰ খুওৱাৰ সামৰ্থ্য নাইকিয়া হৈ পৰে। সন্তানেও অভাৱগ্ৰস্ত মাক-দেউতাকক দেখি আধাতে পঢ়া-শুনা সামৰি বেলেগ বেলেগ পথ বাছি লয়। যি পথে সেইসকল সন্তানক সু-নাগৰিক হোৱাত ইন্ধন যোগোৱা দেখা নাযায়। বিপথে পৰিচালিত হৈও বহু সন্তানে ৰঙাঘৰৰ আলহী হৈ পৰে। ঋণৰ বোজা সহিব নোৱাৰা বহুলোক হতাশগ্ৰস্ত হৈ জীৱনটোকে নিঃশেষ কৰি পেলোৱা প্ৰায় দেখা যায়।

বিনামূলীয়া চাউল পোৱা কিছুমান ব্যক্তিয়ে অধিক উপাৰ্জন নকৰিলেও হ'ব বুলি এলেহুৱা জীৱন যাপন কৰা বুলি বহুতে ক'ব খোজে। ৰাতিটো মাদকদ্ৰব্য ব্যৱহাৰ কৰি দিনটো শুই থকা পুৰুষৰ পৰিবাৰে কাহিলি পুৱাৰ পৰা কাম কৰি ল'ৰা-ছোৱালীৰ আহাৰ মুঠি যোগাৰ কৰিলেও বহু কথাত জোৰা টাপলি মাৰিব নোৱাৰি গোট, বেংক আদিৰ পৰা ঋণ ল'বলৈ পুৰুষজনেই বাধ্য কৰোৱা মহিলাৰ কান্দোন মহিলা সমিতিসমূহৰ বিষয়ববীয়াসকলে প্ৰায়ে শুনিব লগা হয় আৰু বিচাৰ কৰি সংশোধন কৰিবলৈ চেষ্টা কৰে যদিও ইয়াৰ স্থায়ী সমাধান কৰাটো কঠিন হৈ পৰে। ঋণ ল'বলৈ অকণো সংকোচ নকৰা এনে পৰিয়ালৰ মহিলাসকলক কামত লগাই চৰকাৰে অধিক মজুৰি দি সকাহ দিয়াৰ চেষ্টা কৰক অন্যথা সহজলভ্য ধন বা বস্তুৰ প্ৰতি বাঢ়ি যোৱা হাবিয়াসে এওঁবিলাকক কেতিয়াও সবল কৰি তুলিব নোৱাৰে, ই দেশখনৰ বাবে মংগলজনক চিন নহয়। চৰকাৰে ঘৰৰ নিত্য ব্যৱহাৰ্য বস্তুবোৰৰ মূল্য কমাই দিয়ক আৰু বিনামূলীয়া বিতৰণ ব্যৱস্থাক অলপ হ'লেও মূল্য নিৰ্ধাৰণ কৰি দি দেশৰ অৰ্থনীতি সবল কৰক। দেশ স্বাধীন হোৱা ৭৫ বছৰে ৰাজনীতিৰ স্বাৰ্থত দুখীয়া মানুহক এনেবোৰ ব্যৱস্থাৰে সবল কৰিবলৈ চেষ্টা কৰি আহিছে যদিও আজিলৈকে দেশৰ দৰিদ্ৰতাৰ সংখ্যা কোনো গুণে কমা দেখিবলৈ পোৱা নাই।

**অণু বৰা হাজৰিকা,** ফোন : ৯৪৩৫০৬১৪৪৭

## এক পাৰ্চেণ্ট আৰু শূন্য সহনশীলতাৰ শ্ল'গান

**যোৱা** ৩০ মে'ৰ 'দৈনিক অগ্ৰদূত'ৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই লিখা নিৰন্ধটি পঢ়ি ময়ো দু-আষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলো।

পঞ্জাৱৰ নৱনিৰ্বাচিত আম-আদমী পাৰ্টী দলৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কাৰ্যভাৰ লোৱাৰ ২১ দিন নৌহওঁতে দুৰ্নীতিৰ অভিযোগত নিজৰ স্বাস্থ্যমন্ত্ৰী ডাঃ বিজয় সিংলাক বৰ্খাস্ত কৰি ভাৰতবৰ্ষৰ ৰাজনীতিত ইতিহাস ৰচিলে। যোৱা পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত আম আদমী পাৰ্টীয়ে ৰাজ্যত চৰকাৰ গঠন কৰিব পাৰিলে ৰাজ্যখন দুৰ্নীতি মুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু সেই মতে স্বাস্থ্যমন্ত্ৰীয়ে কৰা দুৰ্নীতিৰ বিৰুদ্ধে নিজেই তদন্ত কৰি ডাঃ সিংলাক নিলম্বন কৰাই নহয়, তেওঁৰ বিৰুদ্ধে গোচৰো ৰুজু কৰি অবৈধভাৱে নিযুক্তি পোৱা প্ৰদীপ কুমাৰকো জেল হাজোতলৈ প্ৰেৰণ কৰে। নিজৰ দলৰ সদস্যৰ বিৰুদ্ধে এনে কঠোৰ ব্যৱস্থা লোৱা ঘটনা এয়াই প্ৰথম।

এই ক্ষেত্ৰত আমাৰ অসমতো শাসনাধিষ্ঠ চৰকাৰখনো দুৰ্নীতিৰ বিৰুদ্ধে কোনো আপোচ কৰা নহ'ব বুলি শ্ল'গান দি শাসনভাৰ লৈও দুৰ্নীতিগ্ৰস্ত বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধে পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ দৰে নজিৰবিহীন ঘটনা ৰাইজক দেখুৱাব পৰা নাই। আজি অসমত কোনটো বিভাগত দুৰ্নীতি হোৱা নাই বুলি কোনে নাজানে? বাতৰি কাকতত বিভাগবোৰত হৈ থকা দুৰ্নীতিৰ কথা সবিস্তাৰে প্ৰকাশ পাই থকাতো কোনো এজন দুৰ্নীতিগ্ৰস্ত বিষয়াই শাস্তি পোৱা নাই। দুৰ্নীতিৰ কথা বাতৰি কাকতত প্ৰকাশ পালেহে দুৰ্নীতি তদন্ত কৰিবলৈ একোখন তদন্ত আয়োগ গঠন কৰি দিয়ে। আয়োগে তদন্তৰ প্ৰতিবেদনো চৰকাৰৰ ওচৰত দাখিলো কৰি দিয়ে; কিন্তু দোষীয়ে যে শাস্তি নাপায় সেইটোও জনগণে দেখা পাই আহিছে।

এনে প্ৰক্ৰিয়া চলি থাকিলে অসমক কোনোকালে দুৰ্নীতিমুক্ত কৰি তোলা সম্ভৱ নহ'ব তাক সকলোৱে বুজি উঠিছে।

**লক্ষেশ্বৰ দেৱনাথ,** বঙাইগাঁও
ফোন : ৯৬৭৮৬৭৮২৬৮

## অসমৰ পৰ্যটন উদ্যোগ কি পৰ্যায়ত?

**অসমত** থকা জৈৱ বৈচিত্ৰ্য তৰু-তৃণ ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অতি মনোমোহা। প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা, এই জৈৱ-বৈচিত্ৰ্যসমূহ অসমৰ পৰ্যটনস্থলীৰ বাবে আকৰ্ষণীয়া বুলি বিবেচিত হৈছে। ছয়খনকৈ ৰাষ্ট্ৰীয় উদ্যান বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতিপ্ৰাপ্ত। ইয়াৰ উপৰি আছে কে'বাখনো সংৰক্ষিত বনাঞ্চল তথা পক্ষী বিচৰণভূমি। বিশাল ব্ৰহ্মপুত্ৰ তথা ইয়াৰ উপনৈসমূহৰ মাজে মাজে থকা জৈৱ বৈচিত্ৰ্যৰ সমাহাৰ পৰ্যটকৰ বাবে অনন্য আকৰ্ষণ। অসম হৈছে ১৮০ বিধ স্তন্যপায়ী প্ৰাণীৰ বিচৰণভূমি যাৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য এশিঙীয়া গঁড়, ঢেঁকীয়াপতীয়া বাঘ, সোণালী বান্দৰ, হলৌ বান্দৰ আৰু নানা প্ৰকাৰৰ পক্ষীকুল। অসমৰ এই জৈৱ বৈচিত্ৰ্য পৰ্যটনৰ বাবে ডাঙৰ অংশ। কিন্তু বিভিন্ন কাৰণবশতঃ আৰু তথ্যৰ ভিত্তিত অসমত পৰ্যটন ক্ষেত্ৰখনৰ অৱস্থা ইমান ভাল বুলি ক'ব নোৱাৰি। শেহতীয়া বিভিন্ন তথ্যৰ ভিত্তিত অসমত ঘৰুৱা পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত অসমৰ স্থান যথেষ্ট পিছপৰা। দুৰ্ভাগ্যক্ৰমে অসমৰ পৰ্যটন ক্ষেত্ৰৰ বাবে থকা প্ৰাকৃতিক সম্পদ কমি আহিছে। বিভিন্ন উদ্যোগীকৰণৰ বাবে প্ৰাকৃতিক পৰিৱেশ নোহোৱা হৈছে। গতিকে আমাৰ যিখিনি ৰৈছে এইখিনি এনফ্ৰন্টৰ দ্বাৰা শক্তিশালী ৰূপত সংৰক্ষণ কৰা যথেষ্ট প্ৰয়োজন আছে। অসমৰ পৰ্যটন ক্ষেত্ৰখন কেৱল এশিঙীয়া গঁড়কেন্দ্ৰিক। এই প্ৰাণীটোক চাবলৈ দেশী-বিদেশী মানুহ আহে। এশিঙীয়া গঁড়ৰ উপৰি অসম ভূমিত থকা বিভিন্ন সংৰক্ষিত অৰ্কিড বনাঞ্চল আৰু আৰ্কিউলজিকেল ক্ষেত্ৰ পৰ্যটনৰ কেন্দ্ৰবিন্দু হ'ব পাৰে।



অতীজৰে পৰা অসম এখন বৈচিত্ৰ্যৰে ভৰা ধৰ্মীয় স্থান হিচাপে পৰিগণিত হৈ আহিছে। এসময়ৰ তান্ত্ৰিক শক্তিৰ উপাসনাৰে বিখ্যাত কামৰূপৰ প্ৰভাৱ সমগ্ৰ অসমতে বিয়পি পৰিছিল যদিও কালক্ৰমত সেয়া শিৱ ভক্তিলৈ উত্তৰণ হয়। ইয়াৰ উপৰি সমগ্ৰ অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বিস্তাৰ বিশেষভাৱে উল্লেখনীয়। ধৰ্মীয় পৰ্যটনৰ ক্ষেত্ৰত অসমৰ স্থান লেখত ল'বলগীয়া; কিন্তু ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি কৰাত পৰ্যটন বিভাগ ক'ৰবাত ব্যৰ্থ। শক্তিপীঠ কামাখ্যা মন্দিৰ ধৰ্মীয় পৰ্যটনস্থলীৰ মূল কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত। ইয়াৰ বাহিৰেও আন বহু ধৰ্মীয় স্থান পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিব পৰা যায়। যেনে হাজোৰ 'পোৱামক্কা' আৰু 'হয়গ্ৰীৱ মাধৱ মন্দিৰ'। গতিকে এনেবোৰ সম্ভাৱনাময় পৰ্যটনস্থলী আমি চিনাক্ত কৰি কেনেকৈ পৰ্যটন স্থলীৰ সামগ্ৰিক উন্নয়ন কৰিব পাৰি, সেই বিষয়ক লৈ আলোচনা কৰাৰ যথেষ্ট প্ৰয়োজন আছে।

**নয়নজ্যোতি বৈশ্য,** ফোন : ৯১০১২৪৩১৮৪

## দেশত পুনৰ ঊৰ্ধ্বমুখী কৰ'না সংক্ৰমণ, এদিনত মৃত্যু ১৪ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** পুনৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে দেশৰ দৈনিক কৰ'নাৰ সংক্ৰমণ। বৃহস্পতিবাৰে প্ৰায় চাৰি মাহৰ পাছত সৰ্বোচ্চ পৰ্যায়ত উপনীত হৈছিল দেশৰ দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা। শুকুৰবাৰে আক্ৰান্তৰ সংখ্যা ১৩ হেজাৰৰ কাষ চাপিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত ২৪ ঘণ্টাত ভাৰতত ১২,৮৪৭ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। কেৰল মহাৰাষ্ট্ৰতে চাৰি হেজাৰৰ অধিক লোক বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল। ৰাজধানী দিল্লীত যোৱা ১০ দিনত সাত হেজাৰৰ অধিক লোক কৰ'নাত সংক্ৰমিত হৈছে। আনহাতে, বিগত ২৪ ঘণ্টাত দেশত ১৪ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে ভাৰতত ৬৩,০৬৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## তালিবানী শাসনৰ প্ৰভাৱ ঃ কাবুলৰ পদপথত খাদ্য বিক্ৰী কৰিছে টেলিভিছনৰ জনপ্ৰিয় সাংবাদিকে




**নিউজ ব্যুৰ', কাবুল, ১৭ জুন ঃ** দেশৰ শাসন ক্ষমতা সন্ত্ৰাসবাদীৰ হাতলৈ গ'লে পৰিণতি কি হয় সেয়া ক্ৰমে আকৌ এবাৰ স্পষ্ট হ'বলৈ ধৰি আফগানিস্তানত। তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছত এতিয়া দেশখনৰ বহু লোকে জীৱিকাৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। তালিবানে ইতিমধ্যে দেশৰ মহিলাক পুনৰ ঘৰৰ ভিতৰতে আবদ্ধ থাকিবলৈ বাধ্য কৰিছে। একেদৰে তালিবানৰ কঠোৰ নিৰ্দেশনাত দেশখনৰ এটাৰ পাছত আনটো সংবাদ প্ৰতিষ্ঠান বন্ধ হ'বলৈ ধৰিছে। সংস্থাপন হেৰুৱাই এতিয়া আফগানিস্তানত সাংবাদিকে পদপথত ক্ষুদ্ৰ ব্যৱসায় কৰিবলৈ বাধ্য হৈছে। এসময়ৰ টেলিভিছনৰ জনপ্ৰিয় সঞ্চালকে এতিয়া কাবুলৰ ৰাজপথত বিক্ৰী কৰিছে খাদ্য। মুছা মহম্মদী কেইমাহমান পূৰ্বলৈকে আছিল আফগানিস্তানৰ এজন পৰিচিত সাংবাদিক তথা টিভি সঞ্চালক। আফগানিস্তানৰ একাধিক সংবাদ প্ৰতিষ্ঠানত মহম্মদীয়ে কাম কৰিছিল। কিন্তু তালিবানে দেশৰ ক্ষমতা দখল কৰাৰ পাছত পৰিস্থিতি সলনি হ'ল আৰু সাংবাদিকৰ চাকৰি হেৰুৱাই মহম্মদীয়ে এতিয়া কাবুলৰ পদপথত খাদ্য বিক্ৰী কৰি জীৱিকা আহৰণ কৰিব লগা হৈছে। শেহতীয়াভাৱে সামাজিক মাধ্যমত সাংবাদিকজনৰ এই দুৰ্দশাৰ এক ভিডিঅ' ভাইৰেল হৈছে। আফগানিস্তানৰ নেচনেল ৰেডিঅ' এণ্ড টেলিভিছনৰ সঞ্চালক আহমাদুল্লা ৱাছিকে টুইট কৰি জনোৱা অনুসৰি অচিৰে তেওঁলোকৰ সংস্থাত মহম্মদীক উপযুক্ত পদত নিয়োগ কৰা হ'ব।

## এমাহৰ বাবে পেৰ'লত মুক্তি ৰাম ৰহিমৰ



**নিউজ ব্যুৰ', ৰোহটক, ১৭ জুন ঃ** ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত হৈ কাৰাদণ্ড লাভ কৰা ডেৰা সচ্ছা সৌদাৰ মুৰব্বী গুৰমিত ৰাম ৰহিমক এমাহৰ বাবে পেৰ'লত মুক্তি দিলে আদালতে। হাৰিয়ানাৰ বিজেপি চৰকাৰে স্বঘোষিত ধৰ্মগুৰুজনক এমাহৰ বাবে কাৰাগাৰৰ বাহিৰত থাকিবলৈ অনুমতি দিলে। উল্লেখ্য যে ২০১৭ বৰ্ষত ডেৰাৰ দুই শিষ্যাক ধৰ্ষণৰ গোচৰত হাৰিয়ানাৰ পঞ্চকুলা আদালতে গুৰমিতক ২০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল। ইয়াৰ পাছৰে পৰা ৰোহটকৰ ছুনাৰিয়া কাৰাগাৰত বন্দী হৈ আছে গুৰমিত। ইয়াৰ পূৰ্বেও চাৰিবাৰ গুৰমিতে কাৰাগাৰৰ বাহিৰলৈ যোৱাৰ অনুমতি লাভ কৰিছিল। যোৱা ফেব্ৰুৱাৰীতো সামাজিক সম্পৰ্কৰ কাৰণত তেওঁক কাৰাগাৰৰ বাহিৰলৈ যোৱাৰ অনুমতি দিয়া হৈছিল। ধৰ্ষণৰ অপৰাধৰ লগতে প্ৰবন্ধকক হত্যাৰ গোচৰতো শাস্তি লাভ কৰিছিল গুৰমিতে।

## ১৪ সংখ্যক ব্ৰিক্স শীৰ্ষ সন্মিলন ২৩ জুনত অনুষ্ঠিত হ'ব বেইজিঙত



**নিউজ ব্যুৰ', বেইজিং, ১৭ জুন ঃ** ব্ৰিক্স দেশৰ ১৪ সংখ্যক শীৰ্ষ সন্মিলন অহা ২৩ জুনত বেইজিঙত ডিজিটেল মাধ্যমৰে অনুষ্ঠিত হ'ব। ব্ৰিক্সৰ সদস্য ৰাষ্ট্ৰ ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাই এই সন্মিলনত অংশ ল'ব। চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে সন্মিলনৰ আয়োজন কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰণালয়ে আজি সন্মিলনৰ সন্দৰ্ভত এই কথা ঘোষণা কৰে। চলিত বৰ্ষত ব্ৰিক্সৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰিছে চীনে। অহা ২৩ জুনত অনুষ্ঠিত হ'ব লগা এই ডিজিটেল সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি জাইৰ' বলছ'নাৰো আৰু দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ছিৰিল ৰামফ'ছাই অংশ লোৱাৰ সম্ভাৱনা আছে।

### নিৰাপত্তা পৰিষদত পুনৰ ব্যৰ্থ আমেৰিকা আৰু ভাৰতে দাখিল কৰা যৌথ প্ৰস্তাৱ

# পুনৰ ভাৰতক প্ৰতাৰণা চীনৰ, মক্কীক আন্তৰ্জাতিক সন্ত্ৰাসবাদী ঘোষণাৰ বিৰুদ্ধে ভোটদান বেইজিঙৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ জুন ঃ** চীনে পাকিস্তানৰ সন্ত্ৰাসবাদী আব্দুল ৰহমান মক্কীক ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ (ইউ এন এছ চি)ৰ নিষিদ্ধ সন্ত্ৰাসবাদীৰ তালিকাভুক্ত কৰাৰ বাবে আমেৰিকা আৰু ভাৰতে দাখিল কৰা যৌথ প্ৰস্তাৱৰ বিৰুদ্ধে ভোটদান কৰিলে। আমেৰিকা আৰু ভাৰতে নিৰাপত্তা পৰিষদৰ অল কায়দাৰ নিষিদ্ধ সমিতিৰ জৰিয়তে মক্কীক এজন আন্তৰ্জাতিক সন্ত্ৰাসবাদী ঘোষণা কৰাৰ বাবে যৌথ প্ৰস্তাৱ দাখিল কৰিছিল। উল্লেখ্য যে আমেৰিকাই পূৰ্বে মক্কীক সন্ত্ৰাসবাদী ঘোষণা কৰিছিল। মক্কী লস্কৰ এ তৈবাৰ শীৰ্ষ নেতা আৰু ২৬/১১ মুম্বাইৰ আক্ৰমণৰ মুখ্য পৰিকল্পক হাফিজ ছয়ীদৰ আত্মীয়। ভাৰত-আমেৰিকাই নিৰাপত্তা পৰিষদত দাখিল কৰা মক্কীক আন্তৰ্জাতিক সন্ত্ৰাসবাদীৰ তালিকাভুক্ত কৰাৰ প্ৰস্তাৱৰ বিৰুদ্ধে ভোটদান কৰিলে বেইজিঙে। উল্লেখ্য যে পূৰ্বেও




পাকিস্তানৰ এইজন সন্ত্ৰাসবাদীক আন্তৰ্জাতিক সন্ত্ৰাসবাদীৰ তালিকাভুক্ত কৰাৰ ভাৰতৰ প্ৰয়াসৰ বিৰোধিতা কৰিছিল চীনে। উল্লেখ্য যে আমেৰিকা, ব্ৰিটেইন, চীন, ফ্ৰান্স আৰু ৰাছিয়া নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য হোৱা হেতুকে তেওঁলোকৰ ভেট' ক্ষমতা আছে। অৰ্থাৎ এইকেইখন দেশে নিৰাপত্তা পৰিষদত কোনো প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিলে সেই প্ৰস্তাৱ গৃহীত নহয়।

## মুখ্যমন্ত্ৰী গহলোটৰ ভ্ৰাতৃৰ বাসগৃহত চি বি আইৰ তালাচী ঃ প্ৰতিক্ৰিয়া কংগ্ৰেছৰ



নিউজ ব্যুৰ', জয়পুৰ, ১৭ জুন ঃ ৰাজস্থানৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা অশোক গহলোটৰ ভ্ৰাতৃ অগ্ৰসেন গহলোটৰ বাসগৃহত তালাচী অভিযান চলালে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে। আজি পুৱা এটা গোচৰত গহলোটৰ যোধপুৰত থকা বাসগৃহত চি বি আয়ে তালাচী চলাইছিল। বাসগৃহৰ লগতে অগ্ৰসেনৰ কাৰ্যালয়তো কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে তালাচী চলায়। উল্লেখ্য যে অগ্ৰসেন পেছাত এজন সাৰ ব্যৱসায়ী। পূৰ্বে সাৰ বিষয়ক এক দুৰ্নীতিৰ গোচৰত তেওঁক প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ জেৰা কৰিছিল। ২০০৭-০৯ বৰ্ষত অবৈধভাৱে সাৰ ৰপ্তানি কৰাৰ অভিযোগ অগ্ৰসেনৰ বিৰুদ্ধে আছে। চি বি আয়ে ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ ভ্ৰাতৃৰ বিৰুদ্ধে তালাচী অভিযান চলোৱাত কংগ্ৰেছে ইয়াত ৰাজনৈতিক প্ৰতিহিংসাৰ বহিপ্ৰকাশ অভিহিত কৰে।



## আমেৰিকাত এইবাৰ গিৰ্জাৰ ভিতৰত বন্দুকধাৰীৰ গুলিবৰ্ষণ, নিহত এজন

**নিউজ ব্যুৰ' আলবামা, ১৭ জুন ঃ** চিকাগো, লছ এঞ্জেলছৰ পাছত এইবাৰ আমেৰিকাৰ আলবামাত বন্দুকধাৰীয়ে সংঘটিত কৰিলে আক্ৰমণ। এটাৰ গিৰ্জাৰ ভিতৰত প্ৰৱেশ কৰি বন্দুকধাৰীয়ে জধে-মধে গুলিবৰ্ষণ কৰা ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন গুলিবিদ্ধ হয়। আৰক্ষীয়ে সন্দেহৰ ভিত্তিত এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। স্থানীয় সময় অনুসৰি বৃহস্পতিবাৰে নিশা বন্দুকধাৰীয়ে আলবামাৰ ছেণ্ট ষ্টিফেন্স এপিস্ক'পাল গিৰ্জাৰ ভিতৰত প্ৰৱেশ কৰি এই ঘটনা সংঘটিত কৰিছিল। খবৰ লাভৰ পাছতে তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হোৱা আৰক্ষীয়ে এজন সন্দেহজনক ব্যক্তিক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে শেহতীয়াভাৱে আমেৰিকাত বন্দুকধাৰীৰ সন্ত্ৰাস বৃদ্ধি পাইছে।

## দ্বাদশৰ পাঠ্যক্ৰমৰ পৰা বাদ গুজৰাটৰ সংঘৰ্ষৰ পাঠ, এনচিইআৰটিৰ সিদ্ধান্তত বিতৰ্ক



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** দ্বাদশ শ্ৰেণীৰ ৰাজনীতি বিজ্ঞানৰ পাঠ্যক্ৰমৰ পৰা বাদ পৰিল 'দ্য মোগল কৰ্ট', 'গুজৰাট সাম্প্ৰদায়িক সংঘৰ্ষ', 'শীতল যুদ্ধ'ৰ দৰে বিষয়। কালি নেচনেল কাউন্সিল অৱ এডুকেচনেল ৰিছাৰ্চ এণ্ড ট্ৰেইনিং (এনচিইআৰটি)-এ এক বিবৃতিত এই কথা প্ৰকাশ কৰিছিল। একাদশ শ্ৰেণীৰ পাঠ্যক্ৰমৰ পৰা উদ্যোগ বিপ্লৱৰ দৰে পাঠ কৰ্তন কৰা হৈছে। সাম্প্ৰদায়িক আবেগৰ প্ৰতি শিক্ষাৰ্থীক সংবেদনশীল কৰি তুলিবলৈ পাঠ্যক্ৰমৰ পৰা গুজৰাটৰ সংঘৰ্ষৰ পাঠ বাদ দিয়া বুলি এনচিইআৰটিয়ে জানিবলৈ দিছে। উল্লেখ্য যে 'নক্সাল আন্দোলনৰ ইতিহাস' আৰু 'জৰুৰী অৱস্থা সম্পৰ্কত বিতৰ্ক' পাঠ্যক্ৰমো বাদ দিয়া হৈছে। ক'ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীৰ ওপৰত হেঁচা হ্ৰাস কৰিবলৈকে পাঠ্যক্ৰমৰ এই সালসলনি কৰা বুলি এনচিআৰটিয়ে জানিবলৈ দিছে। এনচিআৰটিৰ এই সিদ্ধান্তই বিতৰ্কৰ সৃষ্টি কৰিছে।

## কাশ্মীৰী পণ্ডিতক লৈ বিতৰ্কিত মন্তব্য প্ৰকাশ কৰি বিপদত দক্ষিণ ভাৰতৰ অভিনেত্ৰী পল্লৱী



**নিউজ ব্যুৰ', চেন্নাই, ১৭ জুন ঃ** দক্ষিণ ভাৰতৰ জনপ্ৰিয় অভিনেত্ৰী সাই পল্লৱীয়ে কাশ্মীৰী পণ্ডিত সন্দৰ্ভত আপত্তিকৰ মন্তব্য প্ৰকাশ কৰি বিপাণ্ডত পৰিলে। অলপতে নিজৰ ছবিৰ প্ৰচাৰ অনুষ্ঠানত অংশ লৈ পল্লৱীয়ে এইদৰে কৈছিল, 'কেনে পৰিৱেশত এজন ব্যক্তি ডাঙৰ হৈছিল তাৰ ওপৰত ভিত্তি কৰি ব্যক্তিজনৰ দৃষ্টিভংগী গঢ় লয়। হিংসা বিষয়টো অত্যন্ত জটিল। কাৰণ, এটা বিষয় কাৰোবাৰ বাবে সঠিক হ'লে আন কাৰোবাৰ বাবে ভুল হ'ব পাৰে। 'দ্য কাশ্মীৰ ফাইলছ' ছবিত দেখা গৈছে যে কাশ্মীৰী পণ্ডিতক অত্যাচাৰ কৰা হৈছে, হত্যা কৰা হৈছে। সম্প্ৰতি এটা ঘটনা সংঘটিত হ'ল য'ত এজন ব্যক্তিয়ে গৰু এটা লৈ যোৱাত তেওঁক মুছলমান সন্দেহ কৰি আক্ৰমণ কৰা হৈছিল। তেওঁক হত্যাৰ পাছত আক্ৰমণকাৰীয়ে 'জয় শ্ৰীৰাম' শ্ল'গান দিছিল। কাশ্মীৰত যি সংঘটিত হৈছিল আৰু সম্প্ৰতি দেশত যি সংঘটিত হৈছে ইয়াৰ মাজত পাৰ্থক্য কি?' পল্লৱীৰ এই মন্তব্যৰ বিৰুদ্ধে ইতিমধ্যে হায়দৰাবাদৰ চুলতান বাজাৰ থানাত এক গোচৰ ৰুজু কৰা হৈছে। আপত্তিকৰ মন্তব্যৰ অভিযোগত অভিনেত্ৰীগৰাকীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা আছে।

## ৰাছিয়াৰ বোমাবৰ্ষণক অগ্ৰাহ্য কৰি ইউক্ৰেইনত তিনি ৰাষ্ট্ৰপ্ৰধান, ইউৰোপীয় সংঘত স্থান লাভ কৰিব নেকি ইউক্ৰেইনে?

**নিউজ ব্যুৰ', কীভ, ১৭ জুন ঃ** ৰাছিয়াৰ আক্ৰমণত জ্বলিছে ইউক্ৰেইন। মাৰিঅ'পুল দখল কৰাৰ পাছত ৰাছিয়াৰ সেনা বাহিনীয়ে লুহানস্কৰ ছেভেৰড'নেৎস্ক চহৰৰ প্ৰায় ৭০ শতাংশ দখল কৰিলে। এনে পৰিস্থিতিতে বৃহস্পতিবাৰে কীভত উপস্থিত হ'ল ইউৰোপৰ তিনি ৰাষ্ট্ৰপ্ৰধান। এইদৰে ইউৰোপৰ তিনিখন দেশৰ মুৰব্বীয়ে ইউক্ৰেইনত হঠাতে উপস্থিত হোৱাত এইবাৰ ইউক্ৰেইন ইউৰোপীয় সংঘ (ই ইউ)ত স্থান লাভ কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। বৃহস্পতিবাৰে পোলেণ্ডৰ পৰা বিশেষ ৰেলৰে কীভত উপস্থিত হৈছিল ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ', জাৰ্মানীৰ চেঞ্চেলৰ উলাফ ছলৎজ আৰু ইটালীৰ প্ৰধানমন্ত্ৰী মাৰিঅ' ড্ৰাঘী। কীভত ৰাষ্ট্ৰপতিৰ



বাসগৃহত ইউৰোপীয় ৰাষ্ট্ৰপ্ৰধানকেইজনক ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিয়ে স্বাগতম জনায়। ৰাষ্ট্ৰপ্ৰধানকেইজনৰ ভ্ৰমণৰ বাবে কীভত কঠোৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছিল। কিয়নো কিছুদিন পূৰ্বে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছৰ ইউক্ৰেইন ভ্ৰমণৰ সময়ত ৰাছিয়াৰ সেনাবাহিনীয়ে কীভত বোমা আক্ৰমণ কৰিছিল। ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰখাৰ মাজতে ফ্ৰান্স, জাৰ্মানী আৰু ইটালীৰ ৰাষ্ট্ৰপ্ৰধানে কীভত উপস্থিত হৈ জেলেন'স্কিৰ স'তে আলোচনাত অংশ ল'লে। ইউৰোপীয় দেশৰ তিনি ৰাষ্ট্ৰপ্ৰধানে যুদ্ধৰ মাজতে এইদৰে কীভত উপস্থিত হোৱাৰ পাছত ইউক্ৰেইনে অচিৰে ই ইউৰ সদস্যপদ লাভ কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে।

## নূপুৰৰ মন্তব্যক নিন্দা কৰিলেও বিজেপিক প্ৰশংসা আমেৰিকাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** আৰব দেশসমূহৰ বিৰোধিতাৰ পাছত বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাৰ মন্তব্যক লৈ আকৌ এবাৰ আন্তৰ্জাতিক হেঁচাৰ সন্মুখীন হ'ল কেন্দ্ৰৰ চৰকাৰ। নূপুৰ আৰু তেওঁৰ স্বামীৰ মন্তব্যৰ তীব্ৰ সমালোচনা কৰিলে আমেৰিকাই। পয়গম্বৰ প্ৰসংগত বিজেপিৰ দুই প্ৰাক্তন মুখপাত্ৰই কৰা বক্তব্যক নিন্দা কৰিলে হোৱাইট হাউছে। আমেৰিকাৰ বৈদেশিক বিভাগৰ মুখপাত্ৰ নেড প্ৰাইছে এই সন্দৰ্ভত মন্তব্য কৰি কয়, 'আমি দুই বিজেপি মুখপাত্ৰৰ মন্তব্যক নিন্দা কৰিছো। লগতে তেওঁলোকক বিজেপিয়ে বহিষ্কাৰ কৰাত আমি আনন্দিত।' আমেৰিকাৰ লগতে ভাৰতক মানৱাধিকাৰ প্ৰসংগতো এক বাৰ্তা দিছে। এই বাৰ্তাত হোৱাইট হাউছে এইদৰে কয়, 'আমি সকলো সময়তে ভাৰত চৰকাৰৰ স'তে যোগাযোগ ৰক্ষা কৰো। ধৰ্ম আৰু বিশ্বাসৰ স্বাধীনতা তথা মানৱাধিকাৰ সংক্ৰান্ত বিষয়ত আমি ভাৰতক অনুপ্ৰাণিত কৰিবলৈ সচেষ্ট।' উল্লেখ্য যে যোৱা ২৬ মে'ত টেলিভিছনৰ এক অনুষ্ঠানত নূপুৰে পয়গম্বৰ সন্দৰ্ভত বিদ্বেষপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছিল।


## অবৈধভাৱে মেক্সিকোলৈ গমন কৰা ভাৰতসহ ১৬ দেশৰ ৩৬৬ প্ৰব্ৰজনকাৰীক কৰিলে আটক



**নিউজ ব্যুৰ', মেক্সিকো, ১৭ জুন ঃ** মেক্সিকোৰ প্ৰব্ৰজন বিষয়াই এখন মালবাহী ট্ৰাকৰ পৰা ৩৬৬ অনুপ্ৰৱেশকাৰীক আটক কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি বাংলাদেশ, ভাৰত, নেপাল, য়েমেন, উজবেকিস্তান, দক্ষিণ আফ্ৰিকাসহ ১৬ খন দেশৰ নাগৰিকে এইদৰে মালবাহী ট্ৰাকত উঠি মেক্সিকোলৈ অনুপ্ৰৱেশৰ উদ্দেশ্যৰে যাত্ৰা কৰিছিল। প্ৰব্ৰজন বিষয়াই মালবাহী ট্ৰাকখনত তালাচী চলোৱাত ৩৬৬ লোকক ধৰা পেলাই জিম্মাত লয়।


## দেউলীয়া হ'ল বিশ্বখ্যাত প্ৰসাধন সংস্থা ৰেভলন

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ জুন ঃ** বিশ্বখ্যাত প্ৰসাধন সংস্থা ৰেভলন দেউলীয়া হ'ল। প্ৰায় ৯০ বছৰ পুৰণি ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ এনে দুৰৱস্থাৰ বাবে আন্তৰ্জাতিক বজাৰত যোগান অব্যৱস্থাকে জগৰীয়া কৰিলে কৰ্তৃপক্ষই। সূত্ৰৰ খবৰ অনুসৰি, ঋণৰ বোজাত জৰ্জৰিত আমেৰিকাৰ এই বিখ্যাত প্ৰসাধন প্ৰতিষ্ঠানটো। বিগত ৯০ বছৰ ধৰি বিশ্বজুৰি প্ৰসাধনৰ বজাৰত ৰেভলনৰ দপ্দপনি অব্যাহত আছিল। বিশেষকৈ মহিলাৰ মাজত ৰেভলনৰ নেইল পলিচ আৰু লিপষ্টিকৰ বিশেষ সমাদৰ আছে। কিন্তু বৰ্তমানে আন্তৰ্জাতিক বজাৰত ৰেভলনৰ গুৰুত্ব হ্ৰাস পাইছে। প্ৰসাধন সামগ্ৰীৰ বজাৰত এতিয়া নানা ব্ৰেণ্ডৰ সমাহাৰ ঘটিছে। ফলত বজাৰ সীমিত হৈছে ৰেভলনৰ উৎপাদনৰ। কেঁচামালৰ অভাৱেও কোম্পানীটোক উৎপাদনৰ ক্ষেত্ৰত বাধাগ্ৰস্ত কৰিছে। তদুপৰি ৩.৩১ বিলিয়ন ডলাৰৰ ঋণৰ বোজা বহন কৰিছে ৰেভলনে।



## পাঁচ অনূৰ্ধ্ব বয়সৰ শিশুকো এইবাৰ দিয়া হ'ব ক'ভিড টিকা

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ জুন ঃ** পাঁচ বছৰ বয়সৰ অনূৰ্ধ্ব শিশুসকলক ক'ভিডৰ প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত ল'লে আমেৰিকাৰ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেচনে। অহা সপ্তাহৰ পৰা এই টিকাদান আৰম্ভ কৰা হ'ব। কৰ'নাৰ টিকা কোন বয়সৰ পৰা দিয়া উচিত, তাক লৈ বিজ্ঞানীৰ মাজত মতপাৰ্থক্য আছে। বিশ্বৰ প্ৰায়বোৰ দেশতে এতিয়াও কম বয়সৰ শিশুক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হোৱা নাই। কিন্তু আমেৰিকাৰ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেচনে পাঁচ বছৰৰ কম বয়সৰ শিশুক কৰ'নাৰ প্ৰতিষেধক প্ৰদানৰ বাবে অনুমতি দিয়াৰ পাছত বিশ্বৰ আন দেশসমূহতো একে পদক্ষেপ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। আমেৰিকাত বৰ্তমানলৈকে চিকিৎসাধীন হোৱা ক'ভিড সংক্ৰমিতসকলৰ মাজত প্ৰায় ৪৫ হেজাৰৰ বয়স হৈছে পাঁচ বছৰৰ তলত। পাঁচ বছৰৰ অনূৰ্ধ্ব বয়সৰ শিশুক আমেৰিকাত ফাইজাৰ আৰু মডাৰ্ণাৰ টিকা প্ৰদান কৰা হ'ব।



## নিয়ম ভংগৰে জধে-মধে গাড়ী পাৰ্কিং কৰিলে ছবি পঠালেই দিব নগদ পুৰস্কাৰ ঃ ঘোষণা গাডকাৰীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** আপুনি পথৰে ক'ৰবালৈ গৈ থকাৰ সময়ত যদি ৰাজপথত নিয়ম ভংগ কৰি কোনো স্থানত গাড়ী পাৰ্কিং কৰা প্ৰত্যক্ষ কৰে আৰু লগে লগে ইয়াৰ ফটো তুলি নিৰ্দিষ্ট নম্বৰলৈ প্ৰেৰণ কৰে তেন্তে আপোনাক প্ৰদান কৰা হ'ব নগদ ধনৰ পুৰস্কাৰ। এনে এক আইন প্ৰৱৰ্তনৰ কথা চিন্তা-চৰ্চা কৰিছে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে। কালি নতুন দিল্লীত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীজনে এই কথা প্ৰকাশ কৰি কয়, 'আমি এক আইন প্ৰৱৰ্তন কৰিম। এই আইনৰ অধীনত নিয়ম উলংঘন কৰি যান-বাহন পাৰ্কিং কৰা গাড়ীৰ ছবি প্ৰেৰণ কৰা ব্যক্তিক ৫০০ টকা পুৰস্কাৰ প্ৰদান কৰা হ'ব। যদি নিয়ম উলংঘনকাৰীৰ পৰা এহেজাৰ টকাৰ জৰিমনা আদায় কৰা হয়, তেন্তে অবৈধভাৱে বাহন পাৰ্কিং কৰাৰ ফটো প্ৰেৰণকাৰীক ইয়াৰে ৫০০



টকা পুৰস্কাৰ হিচাপে দিয়া হ'ব।' অৱশ্যে কেতিয়াকৈ দেশত এই আইন প্ৰৱৰ্তন কৰা হ'ব সেই সন্দৰ্ভত গাডকাৰীয়ে তথ্য প্ৰকাশ কৰা নাই। কেন্দ্ৰীয় মন্ত্ৰীজনৰ মতে এনে ধৰণৰ আইন দেশত কাৰ্যকৰী কৰা হ'লে পাৰ্কিঙৰ ফলত হোৱা সমস্যাৰ সমাধান কিছু হ'লেও সম্ভৱ হ'ব। একাংশ লোকে জধে-মধে গাড়ী পাৰ্কিং কৰাৰ ফলত পথত নানা আহুকালৰ সৃষ্টি হৈ আহিছে বুলি গাডকাৰীয়ে মত পোষণ কৰে।

## হঠাৎ সংজ্ঞাহীন হোৱা ফটোগ্ৰাফাৰক চিকিৎসা প্ৰদান কেন্দ্ৰীয় মন্ত্ৰীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** কেন্দ্ৰীয় বিত্তীয় ৰাজ্য মন্ত্ৰী ডাঃ ভাগৱত কিষাণৰাও কৰাডৰ তৎপৰতাৰ ফলত এজন ব্যক্তিৰ প্ৰাণৰক্ষা সম্ভৱ হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত এজন ব্যক্তি হঠাতে সংজ্ঞাহীন হৈছিল আৰু উক্ত অনুষ্ঠানত উপস্থিত থকা কেন্দ্ৰীয় মন্ত্ৰীজনে লগে লগে ব্যক্তিজনক চিকিৎসা সেৱা প্ৰদান কৰি প্ৰাণৰক্ষা কৰিলে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী কৰাড এজন শল্য চিকিৎসক। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি দিল্লীস্থিত তাজ মানসিঙত কেন্দ্ৰীয় মন্ত্ৰীজনে এক সাক্ষাৎকাৰত অংশ লৈছিল আৰু উক্ত অনুষ্ঠানৰ বাতৰি সংগ্ৰহৰ বাবে এজন ফটোগ্ৰাফাৰ উপস্থিত হৈছিল। কিন্তু হঠাতে ফটোগ্ৰাফাৰজন মজিয়াত বাগৰি পৰি সংজ্ঞাহীন হৈছিল। ঘটনা প্ৰত্যক্ষ কৰি মন্ত্ৰী কৰাডে লগে লগে ফটোগ্ৰাফাৰৰ হৃদয়স্পন্দন পৰীক্ষা কৰে আৰু হৃদয়স্পন্দন যথেষ্ট কম থকাটো ধৰা পেলায়। চিকিৎসক মন্ত্ৰী কৰাডে ফটোগ্ৰাফাৰৰ বুকুত হেঁচা দি হৃদয়স্পন্দন বৃদ্ধিৰ চেষ্টা চলায় আৰু পাঁচ-সাত মিনিটৰ পাছত ফটোগ্ৰাফাৰজনৰ স্বাস্থ্যৰ উন্নতি ঘটে। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীজনে ৰক্ত শৰ্কৰা বৃদ্ধিৰ বাবে ফটোগ্ৰাফাৰক মিঠাই খুৱায়। এই ঘটনা সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰিত হোৱাত সকলোৱে চিকিৎসক মন্ত্ৰীজনক প্ৰশংসা কৰিছে। যোগগুৰু স্বামী ৰামদেৱেও ডাঃ কৰাডক এই কামৰ বাবে প্ৰশংসা কৰিছে। উল্লেখ্য যে যোৱা বছৰৰ নৱেম্বৰতো দিল্লীৰ পৰা মুম্বাইলৈ যাত্ৰা কৰাৰ সময়ত ডাঃ কৰাডে বিমানত এজন যাত্ৰীক এনে ধৰণৰ চিকিৎসা সেৱা আগবঢ়াইছিল।

ছয় পৃষ্ঠাৰ পৰা

## কপিলী নৈ বাঢ়নী পানীয়ে বুৰাইছে ন ন অঞ্চল

**লংকাৰ অগ্ৰদূত বাৰ্তা ঃ** কপিলী নৈৰ বাঢ়নী পানীয়ে হোজাইৰ বহু অঞ্চল প্লাৱিত কৰাৰ লগতে লংকাৰ কাষৰীয়া অঞ্চল মাণ্ডুলী, ফৰমাপাৰ, লস্কৰপথাৰ, অকান্ত, নালুগাঁও, থাইচুবালী আদি অঞ্চলসমূহৰ ঘৰ-দুৱাৰ পানীয়ে বুৰাই পেলোৱাৰ ফলত দুৰ্ভগীয়া লোকসকলে গৰু, ছাগলী, হাঁহ, কুকুৰা লৈ মথাউৰিৰ ওপৰত বসবাস কৰিলগীয়া হৈছে । কপিলীৰ জলপৃষ্ঠ ফেনে ফোটোকাৰে বাঢ়ি অহাত এই অঞ্চলসমূহৰ খেতি পথাৰৰ বিস্তিৰ্ণ অঞ্চল কপিলীৰ পানীয়ে বুৰাই পেলাইছে। যোৱা এমাহৰ আগতে হৈ যোৱা প্ৰবল বৃষ্টিপাতৰ ফলত কপিলী নৈৰ পানীয়ে এই অঞ্চলসমূহ প্লাৱিত কৰিছিল। পানীৰ কালৰূপৰ গ্ৰাসত দিশহাৰা হৈছে প্লাৱিত হোৱা অঞ্চলসমূহৰ ৰাইজে। এইবাৰৰ বানপানীত আজিলৈকে কোনো এজন মন্ত্ৰী খবৰ ল'বলৈ নহাত ক্ষোভ উজাৰিছে বানাক্ৰান্ত ৰাইজে। কপিলী নৈৰ বাঢ়নী পানীত গাঁও কেইখনৰ বহুহেক্টৰ কৃষিভূমি পানীয়ে বুৰাই পেলায়। ইতিমধ্যে, প্ৰশাসনৰ উদ্যোগত ফৰমাৰপাৰ হাইস্কল, লস্কৰ পাঞ্চালী এম ই স্কুলত আশ্ৰয় শিবিৰ মুকলি কৰি খাদ্য-সামগ্ৰী, ট্ৰিপাল, পশুধনৰ খাদ্য যোগান ধৰিছে। প্ৰশাসনে লস্কৰ পথাৰ হাইস্কুলত বানাক্ৰান্তৰ বাবে আশ্ৰয় শিবিৰ মুকলি কৰিছিল যদিও আজি পুৱতি নিশাৰ পৰা হাইস্কুলখনো পানী তল যোৱাত তাত আশ্ৰয় লৈ থকা লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। আনহাতে, প্ৰশাসনে খাদ্য পাতি যোগান নধৰাৰ অভিযোগ উঠিছে। আজি পুৱতি নিশা লংকা ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ ফৰমাপাৰৰ মথাউৰিটো চিঙি যোৱাৰ ফলত পুনৰ ন ন অঞ্চল পানীত বুৰ গৈছে। ইতিমধ্যে হোজাই প্ৰশাসনৰ ফালৰ পৰা জিলাখনত বানাক্ৰান্তসকলৰ বাবে মুঠ ৩০ টা আশ্ৰয় শিবিৰ মুকলি কৰা হৈছে। ইফালে, লংকা চহৰৰ বহু অঞ্চল বৰষুণৰ পানীয়ে ৰাস্তা পদুলিৰ লগতে ঘৰ-দুৱাৰ বুৰাই তুলিছে। চহৰখনৰ লংকা লামডিং পথ, লংকা নগাঁও পথ, লংকা ষ্টেছন পথ, লংকা পাঞ্চালী পথ আদিত দ দ গাঁতৰ সৃষ্টি হোৱা উপৰি এই গাঁতসমূহত পানী জমা হোৱাৰ ফলত যাতায়তৰ বৃহৎ অসুবিধা হোৱা উপৰি বহু দুৰ্ঘটনা সংঘটিত হয়।

## সংহাৰী বানৰ কবলত শোণিতপুৰৰ বিস্তীৰ্ণ অঞ্চল ঃ ৰাষ্ট্ৰীয় পথ বন্ধ

**তেজপুৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** তেজপুৰৰ নিকটৱৰ্তী বাঁহবাৰী, বিন্দুকুৰি, নাহৰণি, ডেকাচুবুৰী, ঘগৰা, বেটেনিঝাৰ, কুকুৰবস্তি, গণকচুবুৰি, চিঙাচুবুৰি, ৰাচুবুৰি, মোৰামাৰী, হাতখলা, খোলাকটি কছাৰীকে ধৰি বিস্তীৰ্ণ অঞ্চল সম্প্ৰতি পানীৰ তলত। উল্লেখ্য যে বেলশিৰি, গাভৰু, জীয়াভৰলী, ডিপোতা নৈ সম্প্ৰতি বিপদসীমাৰ ওপৰেৰে বৈ আছে আৰু বহুসংখ্যক লোক বানৰ পৰা পৰিত্ৰাণ পাবলৈ আন স্থানলৈ ঢাপলি মেলিছে। উল্লেখ্য যে চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এই অঞ্চলসমূহত সম্প্ৰতি পশুখাদ্যৰ বাবে হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। স্থানীয় বানাক্ৰান্ত লোকে কৰা অভিযোগ অনুসৰি, এই অঞ্চলসমূহত পূৰ্বৰ বানৰ সময়তো বানৰ কবলত পৰা পশুৰ বিষয়ে কোনো তথ্যই দাখিল নহ'ল আৰু এইবাৰো এই পৰ্যন্ত পশুখাদ্যৰ যথেষ্ট সংকটে দেখা দিছে। ইপিনে, বালিপৰাতো বান পৰিস্থিতি অধিক জটিল হৈ পৰিছে। আজি বালিপৰা-লখিমপুৰ সংযোগী ১৫ নম্বৰ ঘাইপথটোৰ প্ৰায় এক কিলোমিটাৰ জৰাসৰ নৈৰ বাঢ়নী পানীৰ তলত ডুব যোৱাত এই পথেৰে যাতায়াত বন্ধ কৰিছে প্ৰশাসনে। পথৰ মাজত বাঁহ বান্ধি যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হৈছে। উল্লেখ্য যে বালিপৰা আৰু চাৰিদুৱাৰৰ বামগাঁও, ঢেকেৰীগাঁও, উদমাৰী, কমাৰী, এৰাগাঁও, উলুবাৰী, দীঘলি, দীঘলি বালিজানকে ধৰি ১৫খনৰো অধিক গাঁও প্লাৱিত হৈছে। ইতিমধ্যে বহু সংখ্যক লোকে নিৰাপদ স্থানত আশ্ৰয় লোৱাৰ লগতে স্থানীয় দল সংগঠনে এই সকল লোকক খাদ্য আদি যোগান ধৰাৰ লগতে ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতীয়ে বন্যাক্ৰান্তসকলৰ কাষলৈ গৈ তেওঁলোকৰ খবৰ লৈছে। ইপিনে, শোণিতপুৰৰ মিছামাৰীত জীয়াগাভৰু-গাভৰু নৈৰ খহনীয়া আৰম্ভ হৈছে। ইতিমধ্যে ইয়াত জলসম্পদ বিভাগে নিৰ্মাণ কৰা এটা বান্ধৰ বৃহৎ অংশ এই খহনীয়াত জাহ গৈছে। শোণিতপুৰৰ বিস্তীৰ্ণ কৃষিপথাৰ বৰ্তমান বানত ডুব গৈছে। আনহাতে, জৰাসৰ নৈৰ বাঢ়নী পানীয়ে ১৫ নম্বৰ ঘাইপথৰ পৰা বৈঠাভঙা হৈ মানশিৰিলৈ যোৱা গড়কাপ্তানী পথৰ বৈঠাভঙাত এখন পকী দলং উটুৱাই নিয়াৰ ফলত ২৫ খন গাঁৱৰ পোনপটীয়া যাতায়াত ব্যৱস্থা ব্যাহত হৈছে। সম্প্ৰতি বানত চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২০খন গাঁৱৰ ১৩ হেজাৰ লোক বানৰ কবলত পৰিছে। আনহাতে, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৩০ নম্বৰ বেটেলিয়নৰ পৰিদৰ্শক লুকুৰঞ্জন নাথৰ নেতৃত্বত উদ্ধাৰকাৰী এটা দলে লখৰা মানশিৰিত বানত আবদ্ধ এটা ২০ দিনীয়া শিশু, প্ৰসূতিসহ ২৮ গৰাকী লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। শোণিতপুৰ জিলা প্ৰশাসনে বালিপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বানাক্ৰান্ত লোকৰ এটা আশ্ৰয় শিবিৰ মুকলি কৰিছে।

## জীয়াভৰলীৰ সোঁতত উটি গ'ল এজন ঃ উটি অহা কাঠেই হ'ল কাল

আজি পুৱা তেজপুৰৰ কোৰকানিত ছহিদুল ইছলাম (৪০) নামৰ এজন লোক জীয়াভৰলীৰ প্ৰৱল সোঁতত উটি যায়। স্থানীয় ৰাইজ তথা ছহিদুলৰ আত্মীয়ই প্ৰকাশ কৰা অনুসৰি, আজি পুৱা প্ৰায় সাত বজাত এই ঘটনাটো সংঘটিত হয়। আন দুজন স্থানীয় ব্যক্তিৰ স'তে জীয়াভৰলীত উটি অহা কাঠ ধৰিবলৈ গৈছিল ছহিদুল। এখন নাৱত উঠি পানীৰ সোঁতত উটি অহা এটা গছৰ মূঢ়া ৰছীৰে বান্ধি তিনিওজনে পানীত জাঁপ দিয়ে আৰু ইয়াৰে দুজন পাৰত উঠিবলৈ সক্ষম হয় যদিও ছহিদুল পাৰৰ পৰা প্ৰায় আঠ-ন মিটাৰ দূৰত থকা অৱস্থাতে পানীৰ প্ৰৱল সোঁতত উটি যায়। উল্লেখ্য যে তেওঁ পানীত নমাৰ সময়ত ৰেইন কোট পৰিধান কৰি আছিল। অঞ্চলটোৰ এগৰাকী সন্মানীয় ব্যক্তি আব্দুল ছোবাহানৰ পুত্ৰ ছহিদুল তেজপুৰৰ এক ট্ৰেক্টৰ বিক্ৰেতা প্ৰতিষ্ঠানৰ পৰিচালক হিচাপে কৰ্মৰত আছিল। যুৱকজন পানীৰ সোঁতত ডুব যোৱা নৈ পাৰৰ একাংশ লোকে দেখি আছিল। ইয়াৰ পাছতে অঞ্চলটোত হুৰাদুৰা লাগে আৰু ঘটনাস্থলীত আৰক্ষী তথা এছডিআৰএফৰ উদ্ধাৰকাৰী দল উপস্থিত হয়। ইপিনে, বৰ্তমান কালৰূপ ধাৰণ কৰা জীয়াভৰলীত এছডিআৰএফে উদ্ধাৰ অভিযান চলালেও সন্ধানহীন ছহিদুলৰ সন্ধান উলিয়াব পৰা নাই। উল্লেখ্য যে শেহতীয়াকৈ বিপদসীমা অতিক্ৰম কৰা জীয়াভৰলীৰ পানীত যথেষ্ট পৰিমাণৰ গছৰ টুকুৰা, মূঢ়া আদি উটি আহিছে আৰু শিঙিতলি, কোৰকানি আদি বিভিন্ন স্থানত একাংশ লোকে এনে কাঠ সংগ্ৰহ কৰিছে। আজি এনে কৰিবলৈ গৈয়েই সৰ্বহৰা ছহিদুল নৈৰ সোঁতত উটি যোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## বৰপেটাত বান পৰিস্থিতি জটিল

**বৰপেটাৰ বিশেষ সংবাদদাতা ঃ** যোৱা কেইদিনমানৰ পৰা হৈ থকা অস্বাভাৱিক বৃষ্টিপাতৰ ফলত ৰাজ্যৰ অন্যান্য অংশৰ লগতে বৰপেটা জিলাতো বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। আজিও জিলাখনৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ উপৰি মানাহ, কালদিয়া, পহুমাৰা, চাউলখোৱা, নখন্দা, বেঁকী, পল্লা আদি সকলো নৈৰ পানী বিপদ সীমাৰ ওপৰেদি বৈ আছে। জিলা প্ৰশাসনে আক্ৰান্ত লোকসকলৰ উদ্ধাৰ আৰু সাহায্য অভিযান তৎপৰতাৰে চলাই আছে। প্ৰতিটো ৰাজহ চক্ৰৰে উদ্ধাৰ আৰু সাহায্য অভিযানৰ তদাৰক কৰাৰ বাবে একোগৰাকীকৈ জ্যেষ্ঠ বিষয়াক জিলা উপায়ুক্তই দায়িত্ব অৰ্পণ কৰিছে। বান আক্ৰান্ত লোকসকলৰ বাবে হাউলী আৰু চেঙাত সাহায্য শিবিৰ স্থাপন কৰা হৈছে। আজি উপায়ুক্ত তেজ প্ৰসাদ ভূষালে হাউলীৰ আদৰ্শ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰটো পৰিদৰ্শন কৰি আৱাসীসকলৰ অৱস্থাৰ বুজ লয়। সকলো নৈতে জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত নৈত সকলো ধৰণৰ নাও আৰু ফেৰীৰ চলাচল নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা দণ্ডাধীশে এই সম্পৰ্কত ভাৰতীয় ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰা জাৰি কৰি নাওত উঠি মাছ মৰাতো বাধা আৰোপ কৰিছে। জিলা তথ্য আৰু জনসংযোগ বিভাগৰ তৰফৰ পৰা এই বিষয়ে ব্যাপক প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। সৰ্থেবাৰীত আজি এনডিআৰএফৰ সহায়ত পানীত আবদ্ধ হৈ পৰা ভালে সংখ্যক লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে। ইতিমধ্যে সকলো শিক্ষানুষ্ঠান কাইলৈকে বন্ধ ঘোষণা কৰা হৈছে। আক্ৰান্ত লোকৰ আশ্ৰয়ৰ সুবিধাৰ্থে সকলো বিদ্যালয় খোলা ৰাখিবলৈ প্ৰধান শিক্ষক তথা অধ্যক্ষসকলক নিৰ্দেশ দিয়া হৈছে।

## বানৰ কবলত সৰ্থেবাৰী

**সৰ্থেবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি এইবাৰৰ বানে সৰ্থেবাৰী ৰাজহ চক্ৰত এক বিভীষিকাৰ সৃষ্টি কৰিছে। বুঢ়াদিয়া, কালদিয়া আৰু টিহু নদীৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰেৰে বৈ থকাত শতাধিক গাঁৱৰ লক্ষাধিক লোক এইবাৰৰ প্ৰলয়ংকৰী বানৰ কবলত পৰিছে। বানপানীয়ে মানুহৰ ঘৰ-দুৱাৰ বুঢ়াই পেলোৱাৰ ফলত গঞা ৰাইজে স্কুলঘৰ, নামঘৰ, সত্ৰ আদি ওখ স্থানত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। কিছুমান গাঁৱত আনকি ৰাইজে বাট-পথৰ ওখ ওখ স্থানত তম্বু টানি আশ্ৰয় গ্ৰহণ আছে। কে'বাটাও গুৰুত্বপূৰ্ণ পথ বানৰ কবলত পৰা উক্ত পথেৰে যাতায়াত ব্যাহত হৈ পৰিছে। সৰ্থেবাৰীৰ পৰা জিলা সদৰ বৰপেটালৈ সংযোগী লোক নিৰ্মাণ বিভাগৰ মুখ্য পথটোৰ কে'বাটাও অংশ বানত বুৰ গৈছে।

## বানপানীৰ কবলত বগৰীবাৰীৰ বহু সংখ্যক গাঁও

**বগৰীবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বগৰীবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ লগতে আটানী ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাঁও অঞ্চল আৰু নৈপৰীয়া অঞ্চলসমূহ নেৰানেপেৰা বৰষুণৰ ফলত বিভিন্ন নৈ আৰু উপনৈসমূহৰ পানী বিপদসীমাৰ ওপৰেদি বৈ যোৱা পানীয়ে বুৰাই পেলাইছে। বিশেষকৈ বগৰীবাৰীৰ টিপকাই নৈৰ বাঢ়নী পানীৰ ফলত আটানী অঞ্চলত ঐতিহাসিক ৰাজবাৰী, আটানী আৰক্ষী চকী, হৰেন্দ্ৰ নাৰায়ণ চেমিনাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, আটানী ৰাজহ চক্ৰৰ কাৰ্যালয়, বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ লগতে উক্ত অঞ্চলৰ বাসিন্দাসকলে পানীৰ মাজতে আবদ্ধ হৈ পৰিছে। আনকি অঞ্চলটোৰ ৰাইজৰ একমাত্ৰ চিকিৎসা সেৱা আশ্ৰয়থলী বগৰীবাৰী মহাত্মা গান্ধী আদৰ্শ ১০০ বিছনাযুক্ত চিকিৎসালয়ৰ মাজমজিয়াত এক বুকু পানী হোৱাত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছে। আনহাতে, প্ৰসূতি ৰোগীসকলৰ লগতে বিভিন্ন চিকিৎসাৰ বাবে দৈনিক অঞ্চলটোৰ ৰাইজৰ একমাত্ৰ আশা-ভৰসাৰস্থলী হিচাপে অঞ্চলটোৰ ৰাইজে গণ্য কৰে। কিন্তু চিকিৎসালয়খনৰ ভিতৰত এক বুকু পানী হোৱাত অঞ্চলটোৰ ৰাইজে চিকিৎসা সেৱাৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে। আটানী অঞ্চলৰ প্ৰতি ঘৰৰ ভিতৰত পানী সোমাই যোৱাত অঞ্চলটোৰ মহিলা, বৃদ্ধ, শিশুসকলক লৈ পৰিয়ালৰ লোকে বিপদসংকুল পৰিৱেশৰ মাজত দিন কটাবলগীয়া হৈছে।

# প্ৰলয়ংকৰী বানত ১৯ লক্ষ গৃহহাৰা

## পাথৰিঘাট-ছিপাঝাৰ ৰাজহ চক্ৰৰ বহু গাঁও বানত বুৰিল

**ছিপাঝাৰৰ অগ্ৰদূত বাৰ্তা ঃ** ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত খৰস্ৰোতা নদী ননৈৰ মথাউৰি নিশাৰ ভিতৰতে পাঁচঠাইত ছিগিল নিমিষতে বুৰাই পেলাইছিল পাথৰিঘাট আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ কে'বখনো গাঁও। মুহূৰ্ততে ননৈৰ বাঢ়নী পানীয়ে পাৰ্শ্বৱৰ্তী গাঁওসমূহ এবুকু-এডিঙি পৰ্যন্ত জলমগ্ন কৰি তোলে। খৰস্ৰোতা ননৈৰ পশ্চিম দিশৰ নগাঁও-হিৰাপাৰা অংশ, পূবদিশৰ কাইকীয়াপাৰা চুবুৰিৰ অংশ, ৰত্নাৱলী সত্ৰ সমীপৰ কলিতাপাৰা চুবুৰিৰ বৃহত অংশ, চেঙেলীয়াঝাৰ কুমাৰপাৰা আৰু স'লপামৰ পশ্চিম অংশৰ মথাউৰি ছিগি ননৈৰ বাঢ়নী পানীয়ে তাণ্ডৱ সৃষ্টি কৰে। পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ৰত্নাৱলী সত্ৰ সমীপৰ কলিতাপাৰা চুবুৰিৰ অৰুণ কলিতা, লোহিত কলিতা আৰু মন্টু বৰুৱাৰ ঘৰ বানে উটুৱাই নিয়ে।

## ঘগ্ৰাপাৰত বাঢ়নী পানীয়ে উটুৱাই নিলে দামোদৰ ধাম পথ-পকী দলঙৰ মূৰ

**ঘগ্ৰাপাৰৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰতো বানে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অৰ্ধশতাধিক গাঁও বাঢ়নী পানীয়ে বুৰাই পেলোৱাৰ লগতে একাংশ পথ-দলং উটুৱাই নিয়া পৰিলক্ষিত হৈছে। বৃহত্তৰ অঞ্চলৰ সংশ্লিষ্ট গাঁওসমূহক কৃত্ৰিম বানে কালৰূপ ধাৰণ কৰাৰ ফলত ঘগ্ৰাপাৰ কাটকীয়াত দামোদৰ ধাম পথটো প্ৰায় ২০০ মিটাৰ ভাঙি-ছিঙি উটুৱাই নিয়াৰ লগতে ঘগ্ৰাপাৰ চ'কৰ সমীপৰ কুৰৰ ওপৰৰ পকীদলঙৰ মূৰ খহাই নিয়ে। যাৰ পৰিপ্ৰেক্ষিতত উক্ত পথছোৱাৰে কালিৰে পৰা বনভাগ-বৰভাগ অঞ্চলৰ শ শ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰিছে। স্থানীয় ৰাইজে জানিব দিয়া মতে এই পৰ্যন্ত লোক নিৰ্মাণ বিভাগৰ কোনো বিষয়া-কৰ্মচাৰীয়ে উক্তস্থানত উপস্থিত হোৱা নাই বুলি চৰ্চিত হৈছে। লগতে অঞ্চলটোৰ দল-সংগঠনে পথছোৱাৰ উক্ত সমস্যা শীঘ্ৰে আঁতৰাবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## উত্তৰ হাজোত বৰলীয়া নৈৰ বানৰ সংসাৰ ঃ স্তব্ধ যাতায়াত

**হাজোৰ অগ্ৰদূত বাৰ্তা ঃ** হাজো সমষ্টিৰ উত্তৰ হাজো অঞ্চলৰ অৰ্ধ শতাধিক গাঁও বৰলীয়া নৈৰ সংহাৰী বানৰ কবলত। কে'বাদিনো ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত বৰলীয়া নৈ আৰু ভৈৰাতোলা নদীৰ বাঢ়নী পানীয়ে জলমগ্ন কৰি পেলোৱাৰ পাছত বিশেষকৈ কালি বৰলীয়া নৈৰ বাঢ়নী পানীয়ে চৌমূখাত মথাউৰি ভঙাৰ ফলত আৰু ভৈৰাতোলা নদীৰ বাঢ়নী পানীয়ে উত্তৰ হাজো অঞ্চলত চলাইছে তাণ্ডৱ। উত্তৰ হাজোৰ ধুহিবালা, বাৰংহাটী, পুল্লা, বৰম্বৈ, বাগটা, জাপিয়া, একাদি, দিহিনা, হিৰাজেনী, দেহৰকুৰিহা, তিনি নম্বৰ মনাহকুছি, হুলহেলাচা, উখুৰা, ভোমাৰবড়ী, বামুনবৰী, ৰাজাবজাৰ, বুল্লুট, সাতদলা, কোঁৱৰপুৰ, দক্ষিণ শিংৰা, ভোমাৰবৰী, আধিয়াৰপাৰা, কলিতাকুছি, দলৈতোলা, দেহৰকুৰিহা, শনিয়াদি, পানীয়াপাৰা, বৰ্নি খলিহামাৰীৰ আদি কৰি অৰ্ধ শতাধিক গাঁৱৰ অৰ্ধ লক্ষাধিক লোক সম্প্ৰতি ভয়াৱহ বানৰ কবলত পৰিছে। হেজাৰ হেজাৰ কৃষকৰ শস্যক্ষেত্ৰ বিধ্বস্ত কৰাৰ লগতে মীন পালকৰ শ শ পুখুৰী বাঢ়নী পানীয়ে বুৰাই পেলোৱাত ওলাই গৈছে মাছবোৰ। ইফালে, সংহাৰী বানৰ কবলত পৰা উত্তৰ হাজো অঞ্চলৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণ স্তব্ধ হৈ পৰিছে। কলিতাকুছি-সাতদলা-বাগটা-বৰম্বৈ পথ, বুল্লুট- কোঁৱৰপুৰ- দক্ষিণ শিঙৰা পথ, মোখনীয়া- উখুৰা-হেলেছা পথ, বাগটা-ভৈল্লাবৰী পথ সম্পূৰ্ণ বানপানীৰ কবলত। ওখ ঠাই বিচাৰি হাহাকাৰ বন্যাৰ্তৰ। ইতিমধ্যে একাংশ বন্যাৰ্তই আশ্ৰয় লৈছে ওখ ঠাইত। এতিয়ালৈ প্ৰশাসনৰ ফালৰ পৰা বানাক্ৰান্তসকলক প্ৰদান কৰা নাই কোনো সাহায্য।

## নলবাৰীত বানে প্ৰাণ ল'লে এজনৰ

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত অৱস্থাত আছে। জিলাখনত আজি বানৰ কবলত পৰি এজন লোকৰ মৃত্যু হয়। জিলাখনৰ বানেকুছিৰ বৰগাছা চুবুৰীৰ ভবেশ ডেকা নামৰ ৰিক্সা চালকজন বানত উটি গৈ মৃত্যু হয়। উল্লেখ্য যে ৫২ বছৰীয়া লোকজনে গৰু আনিবলৈ যাওতে পানীৰ সোঁতত পৰি অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। জিলাখনৰ পশ্চিম নলবাৰী, ঘগ্ৰাপাৰ, পূব নলবাৰী আৰু বৰ্মাই অঞ্চলৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত অৱস্থাত আছে। ইয়াৰ ভিতৰত বৃহত্তৰ বৰভাগ অঞ্চলৰ অঞ্চলত আজি পুনৰ বহু গাঁও বানৰ কবলত পৰিছে। অঞ্চলটোৰ বাট-পথৰ উপৰি ঘৰ-দুৱাৰ প্ৰায়সংখ্যকেই বানে বুৰাই পেলোৱাৰ উপৰি কমাৰকুছি আৰক্ষী চকী, স্বাস্থ্যসেৱাৰ কৰে ধৰি ভালেসংখ্যক শিক্ষানুষ্ঠান বুৰাই পেলাইছে। ইফালে পশ্চিম নলবাৰী অঞ্চলত মৰাপাগলাদিয়া নদীৰ মথাউৰি কে'বাঠাইতো ছিঙি নিয়াত অঞ্চলটোৰ প্লাৱিত হৈছে। ইতিমধ্যে বন্যাৰ্ত লোক ওখ ঠাই, বিদ্যালয় গৃহত লৈছে আশ্ৰয়। এই জটিল পৰিস্থিতিৰ মাজত বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি দুৰ্দশাগ্ৰস্ত লোকসকলৰ বুজ লয়। মন্ত্ৰীজনে আজি বাণেকুছি হাইস্কুলত প্ৰশাসনে স্থাপন কৰা আশ্ৰয় শিবিৰত উপস্থিত হৈ বন্যাৰ্তৰ খা-খবৰ লয়। ইয়াৰ উপৰি বৰগাছা, ৰাজাখাট বাণেকুছিকে ধৰি ভিন্ন অঞ্চল পৰিদৰ্শন কৰি বন্যাৰ্ত ৰাইজৰ স'তেও মত বিনিময় কৰে।

## ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদ্ধাৰ অভিযানত নামিল সেনা

**তেজপুৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** বাগ্‌সা, নলবাৰী, দৰং, কামৰূপ, বজালীত বন্যাক্ৰান্তক উদ্ধাৰত নামিল সেনা। নলবাৰীৰ যাঠীকুছিত বানত আবদ্ধ



১০৫ জনক উদ্ধাৰ কৰে। একেদৰে ৰে'ডহৰ্ণ ডিভিজনে বাগ্‌সাৰ দমদমাত উদ্ধাৰ কাৰ্য চলায়। গজৰাজ কৰ্পচৰ দ্বাৰা স্থানীয় প্ৰশাসনৰ আহ্বানত অব্যাহত এই উদ্ধাৰ অভিযান চলে। এই উদ্ধাৰ আৰু বান সাহায্য প্ৰদান অভিযানত সেনাৰ অভিযান্ত্ৰিক আৰু চিকিৎসকৰ দলকো ব্যৱহাৰ কৰা হৈছে বুলি আজি তেজপুৰস্থিত প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ মুখপাত্ৰ কৰ্ণেল এএছ ৱালিয়াই প্ৰকাশ কৰে।

## বঙাইগাঁও জিলাত নৈৰ জলস্তৰ নিম্নগামী

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাৰ নৈ আৰু উপনৈৰ জলস্তৰ হ্ৰাস পাবলৈ ধৰিলেও বানপানীৰ ফলত জিলাখনৰ বহুকেইটা পথ ক্ষতিগ্ৰস্ত হৈছে। বৰ্তমান জিলাখনত ১১০ খন ৰাজহ গাঁৱৰ প্ৰায় ৭৯ হেজাৰ লোক বানৰ কবলত পৰিছে। আজি জিলাখনৰ মাণিকপুৰ ৰাজহ চক্ৰৰ বাঁশবাৰী দ্বিতীয় খণ্ডত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ এটা দলে ৯৭ জন বানপীড়িতক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনে। একেদৰে জিলাখনৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ নাম্বাৰপাৰাৰ ১২১ জন আৰু গোলাপাৰাত ৬০ জন বানপীড়িতক ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দলে উদ্ধাৰ কৰে। জিলাখনত বৰ্তমান তিনি হেজাৰ গৰাকী ক্ষতিগ্ৰস্ত লোকে ১৪ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকাৰ কথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া অনন্ত সামন্তই জানিবলৈ দিছে। আনহাতে, জিলাখনৰ চলন্তাপাৰা আৰু নয়াগাঁৱৰ মাজৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে আজি দুপৰীয়াৰ পৰা মালবাহী বাহন আৰু আন জৰুৰী সেৱাৰ বাহনসমূহ চলাচল কৰিবলৈ প্ৰশাসনে অনুমতি প্ৰদান কৰিছে। আজি পুৱাৰে পৰা সেই পথছোৱা কুঁজীয়া নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱাৰ ফলত প্ৰশাসনে যান-বাহনৰ চলাচল বন্ধ ৰাখিছিল।

## খহনীয়াত জাহ গ'ল টেঙাগুৰিস্থিত শিয়ালমাৰী ৰাজ্যিক চিকিৎসালয়ৰ নাৰ্ছৰ আৱাসগৃহ

**ভূৰাগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** আজি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ টেঙাগুৰিস্থিত শিয়ালমাৰী ৰাজ্যিক চিকিৎসালয়ৰ নাৰ্ছৰ আৱাস গৃহটো জাহ যায় কুহিমাৰী বিলত। কে'বাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত কুহিমাৰী বিলত খহনীয়াৰ সৃষ্টি হয়। আজি সন্ধিয়া শিয়ালমাৰী চিকিৎসালয়ৰ নাৰ্ছ কোৱাৰ্টাৰটো বেয়াকৈ আক্ৰান্ত হৈছিল খহনীয়াত। উল্লেখ্য যে আজি আবেলি খহনীয়াৰ কবলত পৰা শিয়ালমাৰী চিকিৎসালয়খন উপায়ুক্তই পৰিদৰ্শন কৰি প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দি যোৱাৰ পাছতেই জাহ যায় চিকিৎসালয়খনৰ শূন্য দূৰত্বত থকা নাৰ্ছৰ আৱাস গৃহটো। আনহাতে, এতিয়া টেঙাগুৰি উপ-স্বাস্থ্য কেন্দ্ৰটোলৈকো খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে। এই খহনীয়াৰ শীঘ্ৰে প্ৰতিৰোধ নকৰিলে চিকিৎসালয়খনৰ মূল গৃহটো জাহ যোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে।

## হোজাইত কপিলীৰ প্ৰলয়ংকৰী বানত ৰেলপথৰ ওপৰেৰে বৈছে পানী

**হোজাইৰ অগ্ৰদূত বাৰ্তা ঃ** কপিলী নৈৰ বাঢ়নী পানীয়ে হোজাই জিলাত প্ৰলয়ংকৰী বানৰ সৃষ্টি হোৱাত কে'বা সহস্ৰাধিক পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ এমাহ সম্পূৰ্ণ নৌহওঁতেই যোৱা কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত আৰু কপিলী জলবিদ্যুৎ প্ৰকল্পৰ খাণ্ডম ডেমৰ চাৰিখন গেট খুলি দিয়াত হোজাইৰ কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত হোজাইৰ যোগীজান ৰেলপথৰ ওপৰেৰে পানী বৈ যোৱাৰ সমান্তৰালভাৱে কপিলী নৈৰ থাইচুৰালি মথাউৰি ছিঙাৰ ফলত মাণ্ডুলি, শিলডুবি, ৰাইকাটা, ইছলামপুৰ, কেন্দুগুৰি, ৰাজবাৰী, হায়ং, বাৰফুটি, ৰাধা নগৰ, কোমৰাকাটা, হিন্দুৰকসহ বহু গাঁও বানৰ কবলত পৰাত কে'বা শতাধিক পৰিয়াল ঘৰ এৰি আশ্ৰয় শিবিৰত আশ্ৰয় ল'বলৈ বাধ্য হোৱাৰ লগতে বহু পৰিয়ালে যোগীজান ৰেল ষ্টেছন আৰু ৰেলপথৰ কাষত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। বানৰ ফলত হোজাই-পশ্চিম কাৰ্বি আংলং সংযোগী গড়কাপ্তানী পথৰ ওপৰেদি পানী বৈ যোৱাত যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈছে। এই বানৰ ফলত ঐতিহাসিক ৰাজবাৰীৰ পৌৰাণিক কৃতী চিহ্ন পানীত তল যোৱাৰ উপৰি কে'বাখনো স্বাস্থ্য কেন্দ্ৰ পানীত বুৰ গৈছে। ইপিনে, হোজাইৰ জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থক লগত লৈ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি বানত আবদ্ধ হোৱা পৰিয়ালৰ লোকক উদ্ধাৰৰ বাবে এছডিআৰঅফ বাহিনীৰ লোক নিয়োগ কৰিছে। জিলা প্ৰশাসনে ঠায়ে ঠায়ে আশ্ৰয় শিবিৰ পাতি খাদ্য সামগ্ৰী যোগান ধৰিছে। ইফালে, কালি সন্ধিয়া হোজাইৰ ব্ৰজপুৰত হোৱা নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা চিৰাজুল হকৰ আজিও কোনো সন্ধান নোলাল। ইফালে, আজি হোজাই জিলা সদৰ শংকৰদেৱ নগৰত জিলা উপায়ুক্তই বান পৰিস্থিতিক লৈ সংবাদমেল সম্বোধন কৰে। উপায়ুক্তজনে হোজাই জিলাখনত পূৰ্বৰ তুলনাত পানীৰ পৰিমাণ কমিছে বুলি প্ৰকাশ কৰে। সংবাদমেলত উপায়ুক্ত অনুপম চৌধুৰীয়ে জনোৱা মতে, হোজাই জিলাৰ হোজাই, লংকা আৰু ডবকা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰ্তমানলৈকে ৮০ খন গাঁৱক বানে ক্ষতি কৰিছে। জিলাখনত ৩০ টা শিবিৰ বৰ্তমানলৈকে স্থাপন কৰা হৈছে আৰু শিবিৰত থকা বানাক্ৰান্ত লোকসকলক খাদ্য সামগ্ৰী দি থকা হৈছে। যিসকল লোক ঘৰত আবদ্ধ হৈ আছে সেইসকলকো খাদ্য সামগ্ৰী প্ৰশাসনৰ ফালৰ পৰা দিয়া হৈছে। এছডিআৰএফৰ আৰু এনডিআৰৰ পাঁচখন নাৱেৰে উদ্ধাৰ অভিযান চলাই থকা হৈছে। কালি সংঘটিত নাও দুৰ্ঘটনাত নিহত দুজনৰ মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্ট আহি পোৱা নাই। ৰিপ'ৰ্ট আহি পালে চৰকাৰী নিয়ম মতে নিহত লোক দুজনৰ পৰিয়ালে সাহায্য পাব। ভাৰতীয় সেনাকো উদ্ধাৰ অভিযানৰ বাবে অনা হ'ব তাৰ বাবে আলোচনা চলাই থকা হৈছে। আজিৰ ভিতৰত তেওঁলোকো আহি পাবহি বুলি জনাই উপায়ুক্তজনে।

## অপৰিৱৰ্তিত গোৰেশ্বৰৰ বান পৰিস্থিতি

**গোৰেশ্বৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ বগৰীবাৰীত যোৱা নিশা মথাউৰি ভঙাৰ ফলত প্লাৱিত হৈছে বিস্তৃৰ্ণ অঞ্চল। ইয়াৰ ফলত নিজকচুলা, চেনীগাঁও, জগত চুবুৰি বানত ডুব গৈছে। অঞ্চলটোৰ প্ৰায় ৬০ ঘৰ পৰিয়ালৰ লোকক উদ্ধাৰ চলাইছে এছডিআৰএফ বাহিনীয়ে। ইপিনে, উদ্ধাৰ কৰা লোকসকলৰ বাবে আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে চেনীগাঁও এম স্কুলত আশ্ৰয় শিবিৰত। আনহাতে, মাদালবাৰীতো শুক্লাই নৈৰ মথাউৰি ভঙাত প্লাৱিত হৈছে বহু গাঁও। উল্লেখ্য যে বৰগীবাৰীৰ মথাউৰি ছিঙি বিপদ সীমাৰ ওপৰেৰে বাগৰিছে পানী। বিপজ্জনক অঞ্চলৰ পৰা শিশু, মহিলা, বৃদ্ধসকলক উদ্ধাৰ কাৰ্য এতিয়াও অব্যাহত। উদ্ধাৰ কৰা লোকসকলৰ বাবে আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে চেনীগাঁও এম স্কুলত আশ্ৰয় শিবিৰত।

## ৰঙিয়াত বানৰ তাণ্ডৱ অব্যাহত ঃ মৃত দুই

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়াত অব্যাহত বানৰ তাণ্ডৱ। এতিয়ালৈ বানে কাঢ়িলে দুজনৰ প্ৰাণ। প্ৰৱল বৰষুণৰ ফলত যোৱা নিশা পুঠিমাৰী নৈৰ বাঢ়নী পানীয়ে মথাউৰি তিনি ঠাইত ছিগাৰ ফলত তীব্ৰ বেগেৰে ৰঙিয়াত পানী সোমাই অহাত ৰঙিয়া চহৰত মহা প্ৰলয়ৰ সৃষ্টি হৈছে। ক্ৰমান্বয়ে পানী বৃদ্ধি পোৱাত সমগ্ৰ ৰঙিয়া চহৰ পানীৰ তলত। ৰঙিয়াৰ আটাইকেইটা পথত পানী উঠাত যোগাযোগ প্ৰায় বিচ্ছিন্ন হৈ পৰিছে। সাম্প্ৰতিক বানত দুজন লোকৰ মৃত্যু হৈছে। ৰঙিয়াৰ শিমলুৱাৰ ডোঙাৰ পাৰত বানৰ সোঁতত পৰি সলিল সমাধি ঘটে ভবেশ কলিতা আৰু তেলেৰা নকুচিৰ জয়ন্ত হালৈৰ। সৌৰভি গো-শালাৰ কৰ্মচাৰী আছিল ভবেশ কলিতা। বানৰ মাজত আবদ্ধ হৈ থকা গো ধনৰ বাবে খাদ্যৰ যোগাৰ কৰিবলৈ গৈছিল ভবেশ কলিতাই। সেই সময়তে প্ৰৱল সোঁতত পৰি সন্ধানহীন হয় হাজোৰ টুক্ৰাপাৰা নিবাসী তথা গো-শালাৰ কৰ্মচাৰী ভবেশে। স্থানীয় লোকসকলে বহু বিচাৰ খোচাৰ কৰে যদিও বিফল হয়। অৱশেষত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে অভিযান চলাই ভবেশ কলিতাৰ মৃতদেহ উদ্ধাৰ কৰে। আনহাতে, বানৰ মাজতে খোজকাঢ়ি গৈ থকা অৱস্থাত পানী ভৰ্তি দ' খাৱৈত পৰি জয়ন্ত হালৈৰ মৃত্যু হয়। ইপিনে, ধাৰাসাৰ বৰষুণৰ লগতে পুঠিমাৰী নৈৰ মথাউৰি তিনি ঠাইত ক্ৰমে বগৰীবাৰী, ধুলাবাৰী আৰু কাৰৈমাৰিত ছিগাৰ ফলত ৰঙিয়াসহ উত্তৰ কামৰূপ জিলাৰ বান পৰিস্থিতি অধিক জটিল ৰূপ ধাৰণ কৰিছে। বৰোলীয়া নোনা পুঠিমাৰী আদি নৈৰ বাঢ়নী পানীয়ে ন ন অঞ্চল বুৰাই পেলোৱাত ৰাইজৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে ইতিমধ্যে ৰঙিয়া মহকুমা প্ৰশাসনে তিনিটা আশ্ৰয় শিবিৰ স্থাপন কৰিছে যদিও লৰমা গোৰহাটী আৰু ধুহি অঞ্চলৰ গাঁওবাসীয়ে ওখ ঠাইত আশ্ৰয় লৈছে।

এই অঞ্চলৰ বানাক্ৰান্ত ৰাইজে প্ৰবল বৰষুণৰ মাজত মুকলি আকাশৰ তলত কণ কণ লৰা ছোৱালী লগতলৈ নিশাটো পাৰ কৰিবলগীয়া হোৱাত তীব্ৰ হাহাকাৰৰ সৃষ্টি হৈছে। কালি আবেলি হাজোৰ সমীপৰ চমুখা আৰু লৰমা গোৰহাটীত বৰলীয়া নৈৰ মথাউৰি ছিগাৰ ফলত এক বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। বানৰ পানীয়ে সমগ্ৰ ৰঙিয়া মহকুমা প্লাৱিত কৰিছে। নিশাৰ পৰাই ন ন অঞ্চলত তীব্ৰ গতিত বানৰ পানী সোমাবলৈ ধৰাত ৰাইজ হতাশ হোৱা পৰিলক্ষিত হৈছে। লৰমা গোৰহাটীৰ শতাধিক পৰিয়ালে মথাউৰিত আশ্ৰয় লৈছে। এই অঞ্চলৰ মানুহে ভেটি মাটি হেৰুৱাই কান্দোনত ভাগি পৰিছে। ইতিমধ্যে ৰঙিয়া চহৰত তীব্ৰ গতিত পানী ব্যাঢ়িবলৈ ধৰাত ৰাইজৰ মাজত দুঃচিন্তা বৃদ্ধি পাইছে।

## পহুমাৰা, পল্লা আৰু ৰূপহী নৈৰ বাঢ়নী পানীয়ে ন ন অঞ্চল বুৰাই আছে

**শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** ভৱানীপুৰ সমষ্টিৰ বান পৰিস্থিতিয়ে আজিও জটিল ৰূপ ধাৰণ কৰি আছে। পহুমাৰা, পল্লা আৰু ৰূপহী নৈৰ বাঢ়নী পানীত তৃতীয় দিনৰ বাবে বুৰ গৈ থকাৰ লগতে ন ন অঞ্চল প্লাৱিত হৈ আছে। কালি মেধিকুছি, নঞাপাৰা আৰু বালাৰভিঠাত মথাউৰি ছিগি আৰু নকুছি পথাৰ, হাতীপতা অঞ্চলৰ মথাউৰিৰ ওপৰেৰে পহুমাৰা নৈৰ পানী সোমোৱাৰ পাছত উক্ত অংশসমূহৰে আজিও পানী সোমাই আছে। ফলত, মেধিকুছি, বৰভিঠা, চাৱালপাৰা, ভৌকামাৰী, বাটুৱা, কুৰোবাহা, কহৰা, ধুমাৰকুৰ, মাধৱপুৰ, ভাৰেগাঁও, সৰুপেটা, সানিকুৰা, মইনামতী, ভকতৰভিঠা, পুঠিমাৰী, ছাউলীয়াবড়ী, বাংলীপাৰা, ভৱানীপুৰৰ বৃহত্তৰ অঞ্চল, দাঁতিৰবড়ী অঞ্চলৰ নকুছি পথাৰ, নকুছিগাঁও কৰাগাড়ী, খৰমা অঞ্চলত সাগৰ সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। উক্ত ঠাইসমূহৰ সকলো বাট-পথ পানীত বুৰ গৈছে। বি বি ৰোডটোৰ ওপৰেৰে ভৱানীপুৰৰ পৰা কয়াকুছি পৰ্যন্ত পানীৰ সোঁত বৈ আছে। ভৱানীপুৰ চাপাৰবড়ী সংযোগী পথৰ মাধৱপুৰত পহুমাৰা নৈৰ ওপৰত থকা দলংখন এটা অংশ পানীৰ ঢৌৱে উটুৱাই নিয়ে। মাধৱপুৰ নকুছি বৃহত্তৰ অঞ্চলটোৰ সম্প্ৰতি যাতায়াত ব্যাহত হৈ পৰিছে। ইপিনে, পহুমাৰা নৈৰ বাঢ়নী পানীয়ে ভৱানীপুৰত তীব্ৰ হেঁচা দিয়াত ভৱানীপুৰ ভূএগ্ৰাপাৰা পথৰ জেৱাভিঠাত পানীৰ সোঁত ব'বলৈ ধৰিছে। পহুমাৰা নৈৰ পানী এই পৰ্যন্ত বাঢ়ি আছে। ভৱানীপুৰ সমষ্টিৰ উত্তৰ প্ৰান্তৰ বাগ্‌সাৰ শালবাৰীৰ সমীপৰ ধুমাৰপথাৰ গাঁও পঞ্চায়ত অঞ্চলৰ ভালে সংখ্যক গাঁও জলমগ্ন হৈ পৰিছে। অঞ্চলটোৰ চেংলিমাৰী, কঁঠালমূৰীঘাট, হলংবাৰী, বতিয়ামাৰী, পানপাৰা, পকালাগি আদি ঠাইসমূহৰ ঘৰ দুৱাৰ ৰাষ্টা ঘাট একাকাৰ হৈ পৰিছে। ইপিনে, পল্লা নৈৰ বাঢ়নী পানীয়ে মাজগাঁও, গলিয়া, শুকমানহ গাঁও পঞ্চায়ত অঞ্চলৰ সমগ্ৰ অঞ্চল জলমগ্ন কৰিছে। উক্ত পঞ্চায়ত অঞ্চলৰ গাঁওসমূহৰ ৰাস্তা-ঘাট বজাৰ সমাৰ সকলোতে পানী উঠি সাগৰ সদৃশ পৰিৱেশৰ সৃষ্টি কৰিছে। বৌমাৰী, শুকমানাহ, আনন্দপুৰ, ধুপালপাৰাকে ধৰি বৃহত্তৰ এলেকাৰ শ শ পৰিয়াল জলবন্দী হৈ পৰিছে। ভৱানীপুৰ সমষ্টিৰ বানাক্ৰান্তসকলৰ বহুতে পশুধন সহ আশ্ৰয়ৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। বিভিন্ন ঠাইত আশ্ৰয় শিবিৰ মুকলি কৰিছে। বহুতে প্ৰাণৰ ভয়ত ঘৰ দুৱাৰ এৰি ওখ ঠাই, পথৰ দাঁতি, বিদ্যালয় গৃহ আদিত আশ্ৰয় লৈছে। একাংশই জলবন্দী হৈ ঘৰৰ ভিতৰতে ওখকৈ চাং পাতি চাঙৰ ওপৰত পশুধন সহ কদৰ্যময় জীৱন অতিবাহিত কৰিছে। ভৱানীপুৰ সমষ্টিৰ এই তিনিওখন নৈৰ পানী এই পৰ্যন্ত বাঢ়ি আছে। মুঠতে সমষ্টিটোত বানে অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। বানাক্ৰান্তসকলক উদ্ধাৰৰ বাবে মেধিকুছি, বাংলীপাৰা, দঙাৰপাৰ, চৰালপাৰা আদিৰ লগতে বিভিন্ন ঠাইত এচডিআৰএফ, আৰু সামৰিক বাহিনীয়ে সেৱা আগবঢ়াইছে।

## অপৰিৱৰ্তিত তামুলপুৰ জিলাৰ বান পৰস্থিতি

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** মুষলধাৰ বৰষুণৰ বাবে তামুলপুৰ জিলাৰ বিভিন্ন ঠাইৰ বান পৰিস্থিতি তৃতীয় দিনাও অপৰিৱৰ্তিত হৈয়ে আছে। বিগত কিছুদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ বাবে পাগলাদিয়া, ডিমিলা, মটঙা, বৰলীয়া আদি নৈৰ বাঢ়নী পানী অপৰিৱৰ্তিত হৈ থকাত হাঁহকাটা, বালাবাৰী, চলিকান্দা, ছাপাতল গুৱাকুছি আদি গাঁও আজিও জলমগ্ন হৈয়ে আছে। ফলত বানপ্লাৱিত অঞ্চলসমূহত মানুহ আৰু পশুধনৰ খাদ্য সমস্যাই দেখা দিছে। জিলা প্ৰশাসনৰ ফালৰ পৰা খাদ্যৰ যোগান ধৰা হৈছে যদিও পৰ্যাপ্ত নোহোৱাৰ অভিযোগ উঠিছে। বহু ঠাইত ৰাইজ আৰু সংগঠনৰ ফালৰ পৰাও আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰা হৈছে যদিও বহু ঠাইত চৰকাৰীভাৱে খা-খবৰ নোলোৱাৰ অভিযোগ উঠিছে। ইপিনে, তামুলপুৰ জিলাৰ অন্তৰ্গত গুৱাকুছিৰ পশ্চিম প্ৰান্তৰ তৰাবাৰী চুবুৰিৰ ৪০টা পৰিয়াল বানপানীৰ মাজত আবদ্ধ হৈ আছে। আজি তামুলপুৰৰ চলিকান্দা, গুৱাকুছি, ছাপাতল আদি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুই বানপীড়িত লোকৰ অৱস্থাৰ বুজ লয়। এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক টাইছুন হুছেইনে বানাক্ৰান্ত অঞ্চলত চৰকাৰী সাহাৰ্য যথোপযুক্ত হোৱা নাই বুলি অভিযোগ কৰি সেই বোৰ ঠাইত শীঘ্ৰে প্ৰতিজন বানাক্ৰান্ত লোকক খাদ্য সামগ্ৰী ব্যৱস্থা কৰাৰ লগতে পশুধনৰ খাদ্য সামগ্ৰী,উপযুক্ত খোৱা পানী আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনায়।

## বিধ্বংসী বানত বিপৰ্যস্ত বজালী

**পাঠশালাৰৰ বিশেষ সংবাদদাতা ঃ** কাহানিও প্ৰত্যক্ষ নকৰা বিধ্বংসী বানত বিপৰ্যস্ত হৈ পৰিছে সমগ্ৰ বজালী জিলা। যোৱা কে'বাদিনো ধৰি চলি থকা নেৰানেপেৰা বৰষুণৰ ফলত জিলাখন সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰিছে। বানাক্ৰান্তৰ হাহাকাৰেৰে বজালীৰ চৌদিশে এতিয়া কেৱল পানী আৰু পানী। জিলাখনত হৈ থকা প্ৰৱল বৃষ্টিপাতৰ লগতে কালদিয়া, দেওঁঝৰা আৰু পহুমৰা নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। বিশেষকৈ কে'বাটাও স্থানত কালদিয়া আৰু পহুমাৰা নৈৰ মথাউৰি ভঙাৰ ফলত পাঠশালা, পাটাছাৰকুছি, ভৱানীপুৰ, নিত্যানন্দ, জালাহ, বাঘমাৰা, সাদেৰী আদি অঞ্চলত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। কোনো দিনে বানপানী নুঠা বহু নতুন নতুন অঞ্চলক বাঢ়নী পানীয়ে সম্পূৰ্ণৰূপে বুৰাই পেলাইছে। যাৰ ফলস্বৰূপে বহু অঞ্চলতে যাতায়াত বন্ধ হৈ পৰিছে। আনকি বজালী জিলাৰ সদৰ স্থান পাঠশালা নগৰৰ প্ৰতিটো বাট-পথ বানপানীয়ে প্লাৱিত কৰিছে। পাঠশালা চৰকাৰী চিকিৎসালয়, বজাৰ আদিৰ দৰে গুৰুত্বপূৰ্ণ স্থান এতিয়া পানীৰ তলত বজালীৰ মাজেৰে বৈ যোৱা কালদিয়া, পহুমাৰা নৈয়ে তাণ্ডৱৰ সৃষ্টি কৰি কেবাঠাইতো মথাউৰি ছিঙি নিয়াৰ ফলত কে'বাখনো ৰাজহ গাঁও জলমগ্ন হোৱাৰ লগতে দিশহাৰা হৈ পৰিছে বানাক্ৰান্ত ৰাইজ। কালি পুৱতি নিশা বজালীৰ কাৱাইখোৱা নয়াপাৰাত পহুমাৰা নৈয়ে মথাউৰি ছিঙি নিয়াৰ ফলত কে'বাটাও গৃহ নিমিষতে পানীয়ে উটুৱাই লৈ যোৱাৰ লগতে ভৌকামাৰি, কাৱাইখোৱা, নয়াপাৰা, দেনাৰটাৰী আদিকে ধৰি কে'বাখনো গাঁও জলমগ্ন কৰি তোলাৰ উপৰি হেজাৰ হেজাৰ বিঘা ভূমি জলমগ্ন কৰি তোলে। নৈখনৰ মথাউৰিৰ কাষত বাস কৰি থকা লোকসকল বানৰ তাণ্ডৱত শংকিত হৈ পৰাৰ লগতে বানাক্ৰান্ত ৰাইজে আশ্ৰয় শিৱিৰত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। আনহাতে, নৈখনৰ পানীয়ে বিয়লিৰ ভাগত মেধিকুছিৰ মথাউৰি ছিঙি নিয়াৰ ফলত মেধিকুছি, হাঠিনাপুৰ, চেকী, পুঠিমাৰী, মইনামতী, চাউলীয়াবড়ী আদিকে ধৰি কে'বাখনো ৰাজহ গাঁও জলমগ্ন হৈ পৰে। নৈখনৰ পানীয়ে হাঠিনাপুৰ পুঠিমাৰী গড়কাপ্টানী পথটো সম্পূৰ্ণৰূপে বুৰাই পেলোৱাৰ ফলত যাতায়াত বন্ধ হৈ পৰিছে। নৈখনে ইতিমধ্যে হকাৰটুপ, কলৰগুৰি, মৈৰামভিঠাৰ কে'বাঠাইতো খহনীয়াৰ সৃষ্টি কৰাৰ ফলত নৈপৰীয়া ৰাইজ শংকিত হৈ পৰিছে। ইপিনে, কালদিয়া নৈয়ে সংহাৰী ৰূপ ধাৰণ কৰি বজালীৰ ভিন্ন প্ৰান্তত মথাউৰি ভাঙি পেলোৱাৰ ফলত বজালীৰ বদনকুছি, সাদেৰী, হৰিপুৰ, বৰভালা, গোবিন্দপুৰ, বৰবাং চেমতাপাৰা, বগাপাৰা, মাধুৰী চক, উপাৰনৈ, ৰায়পুৰ, ডেকাপাৰা, কাৰৈমাৰী, হাঠিনাপুৰ, বৰশিমলা, উত্তৰ পূব পাকা, কোচদিগা, ৰূপদিগা, বৰনলিকুছি, বৰসাহান, পিপলা, মানিকপুৰ, বিৰবিৰা, কুন্দপাৰা, আদি জিলাখনৰ প্ৰতিটো অঞ্চল বানে বুৰাই পেলাইছে। বানৰ ফলত বিভিন্ন অঞ্চলৰ পথ যোগাযোগ বিচ্ছিন্ন হোৱাৰ লগতে জিলাখনত বিদ্যুৎ সংযোগো সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। ইপিনে, বানত আৱদ্ধ অঞ্চলসমূহত এনডিআৰএফ, এছডিআৰএফ, এছএছবি আৰু সেনাবাহিনীয়ে বানত আবদ্ধ হৈ পৰা বহু লোকৰ লগতে পশুধনক উদ্ধাৰ কৰাৰ কাৰণে অভিযান অব্যাহত ৰাখিছে। সমগ্ৰ বজালী জিলাত মুঠ ১৭২ খন ৰাজহ গাঁও এই প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰে বজালী ৰাজহ চক্ৰ ৯৪ খন আৰু সৰুপেটা ৰাজহচক্ৰ ৭৮ খন। জিলাখনত মুঠ ১২ খন যন্ত্ৰচালিত নাৱেৰে উদ্ধাৰকাৰ্য চলি আছে। ইয়াৰে এছডিআৰএফৰ তিনিখন, এনডিআৰএফৰ ছয়খন, এছএছবিৰ দুইখন আৰু সেনাবাহিনীৰ এখন যন্ত্ৰচালিত নাৱৰ দ্বাৰা উদ্ধাৰ কাৰ্য চলি আছে। জিলাখনত এতিয়ালৈকে প্ৰায় ৮৫৪ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে আৰু বিভিন্ন ওখ ঠাইত আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। ইপিনে, প্ৰশাসনৰ তৰফৰ পৰা দুৰ্গত সকলৰ মাজত চাউল, দাইল, পানী আদি বিতৰণ কৰি থকা হৈছে যদিও বহু লোক এতিয়াও অনাহাৰে থাকিবলগীয়া হৈছে। মানুহৰ খাদ্যৰ লগতে পশুখাদ্যৰ ক্ষেত্ৰতো গভীৰ সংকটে দেখা দিছে। আনহাতে আজি দিনৰ ভাগত পাঠশালাত এজন ব্যক্তিৰ মৃতদেহ পানীত উপঙি থকা অৱস্থাত উদ্ধাৰ কৰা হয়। মৃত ব্যক্তি জনৰ নাম হিতেশ বৰুৱা (৩৮)। সৰুপেটাত বাসিন্দা বৰুৱাই পাঠশালাৰ চন্দ্ৰ নগৰত ভাৰতীয়া হিচাপে আছিল। ব্যক্তিগৰাকী পানী পৰি মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে।

## নেৰানেপেৰা বৰষুণে বিধ্বস্ত কৰি দিলে কৃষি প্ৰধান অঞ্চল দলগাঁও সমষ্টি

**দলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দৰঙৰ দলগাঁও সমষ্টিক বিধ্বস্ত কৰি পেলাইছে। সমষ্টিটোৰ প্ৰায় ৯০ শতাংশ অঞ্চল বৰ্তমানে পানীৰ তলত ডুবিছে। দলগাঁও সমষ্টিৰ মাজেৰে বৈ যোৱা ধনশ্ৰী, টাংনী, চোখাজানীকে আদি কৰি প্ৰতিটো নৈৰ পানী ফেনে ফোটোকাৰে বাঢ়ি যোৱাত প্ৰতিটো অঞ্চল বুৰাই পেলোৱাত হাহাকাৰৰ সৃষ্টি হৈছে। ধনশ্ৰী নৈৰ বাঢ়নী পানীৰ ফলত ভাঙি গ'ল বেছিমাৰী- মাধৱগোহাঁই সংযোগী গড়কাপ্টানী পথ। ফলত ব্যাহত হৈ পৰিছে গাঁও দুখনৰ যাতায়াত ব্যৱস্থা। অচিৰেই পথছোৱা পুনৰ নিৰ্মাণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ লগতে দলগাঁও সমষ্টিৰ বিধায়ক মজিবৰ ৰহমানক স্থানীয় ৰাইজৰ লগতে গাঁওখনৰ ৱাৰ্ড সদস্যগৰাকীয়ে অনুৰোধ জনাইছে। ইপিনে, খাৰুপেটীয়াৰ নিকটৱৰ্তী খেতাশ্বৰ গাঁৱত ভয়াৱহ ৰূপ ধাৰণ কৰিছে নিমতলী নৈখনে। খাৰুপেটীয়া সংলগ্ন খেতাশ্বৰ গাঁৱৰ মাজেৰে বৈ যোৱা উক্ত নৈখনৰ ওফন্দি উঠা পানীৰ প্ৰৱল সোঁতত বিহুদিয়া গাঁও পঞ্চায়তৰ সাত নম্বৰ আৰু আঠ নম্বৰ ৱাৰ্ড সংযোগী পথৰ নৈৰ ওপৰত নিৰ্মাণ কৰা পকী ফুট ব্ৰীজ খহাই নিয়ে। যাৰ ফলত বিহুদিয়া গাঁও পঞ্চায়তৰ আঠ আৰু ন নম্বৰ ৱাৰ্ডৰ শ শ লোকৰ মাজত যাতায়াত ব্যৱস্থা বিচ্ছিন্ন হৈ পৰিছে। একেদৰে নৈখনৰ প্ৰৱল সোঁতত শ শ ঘৰ-বাৰী প্লাৱিত হোৱাৰ লগতে ডুব গ'ল বিঘাই বিঘাই মাছভৰ্তি পুখুৰী।

## গোৱালপাৰাৰ ২৫৮ খন গাঁও প্লাৱিত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** বিগত কে'বাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ লগতে মেঘালয়ৰ পৰা নামি অহা ধলপানীয়ে গোৱালপাৰা জিলাৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে। ফলত জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ অন্তৰ্গত ২৫৮ খন গাঁৱৰ মুঠ এক লাখ ৮৪ হেজাৰ ৫০২ গৰাকী লোক বানাক্ৰান্ত হৈছে। ইয়াৰে বালিজানা ৰাজহ চক্ৰত ৮৭ খন, দুধনৈ এখন, লক্ষীপুৰ ৮৩, মাটিয়া ৭১ আৰু ৰংজুলি ৰাজহ চক্ৰত ১৬ খন গাঁও বানপানীৰ কবলত পৰিছে। ইপিনে, আজি আবেলি চাৰি বজালৈকে জিলা প্ৰশাসনৰ তথ্য মতে ২৩ টা শিবিৰত মুঠ ৫,১১৮ গৰাকী লোকে আশ্ৰয় গ্ৰহণ কৰিছে। ইয়াৰে বালিজানা চক্ৰৰ অধীনত ১০ টা, লক্ষীপুৰত ১০টা আৰু মাটিয়াত তিনিটা আশ্ৰয় শিবিৰত বানাক্ৰান্ত লোকে আশ্ৰয় লৈছে। ইপিনে, বানপানীত জিলাখনত ১,০৬২ হেক্টৰ খেতি পথাৰৰ শস্য নষ্ট হোৱাৰ লগতে ৮০,১০৬ টা পশুধন বান পানীত আক্ৰান্ত হৈছে বুলি জানিব পৰা গৈছে।

**LOST**

I have lost my HSLC Admit Card bearing Roll B 06-445 No. 0057 of 2006.
**Anamika Malakar**

**নাম সলনি**

মই নগাঁও কৰ্টত মোৰ Roasnara Begum নামটোৰ ঠাইত Rausnara Khatun কৰিলো।
**Rausnara Khatun**
**Kadamoni Gaon**

মই নগাঁও কৰ্টত মোৰ Mr. Prabin Nath নামটোৰ ঠাইত Prabin Chandra Nath কৰিলো।
**Prabin Chandra Nath**
**Nam Dumdumia**

## ■ সুৰক্ষাৰ স্বাৰ্থত নাহৰকটীয়াৰ মিস্ত্রিসকলৰ উমৈহতীয়া মঞ্চ গঠন

# বহিৰাগত মিস্ত্রিয়ে কাঢ়িছে স্থানীয় মিস্ত্রিৰ পেটৰ ভাত



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১৭ জুন ঃ** ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে ধুবুৰী, বৰপেটা, নগাঁও আদি অসমৰ বিভিন্ন স্থানৰ পৰা অহা বিভিন্ন মিস্ত্রিয়ে অতি কম মজুৰিৰ বিনিময়ত নাহৰকটীয়া সমষ্টিৰ বিভিন্ন স্থানত নিৰ্মাণ কৰ্মত লিপ্ত হৈ নাহৰকটীয়াৰ স্থানীয় মিস্ত্রিসকলৰ পেটৰ ভাত কাঢ়িছেহি। এই বহিঃৰাজ্য তথা অসমৰ বিভিন্ন স্থানৰ পৰা অহা এই মিস্ত্রিসকলে অতি কম মজুৰিৰ বিনিময়ত নাহৰকটীয়া অঞ্চলত কাম কৰাৰ পৰিপ্ৰেক্ষিতত মালিক পক্ষই স্থানীয় মিস্ত্রিসকলক কোনো কাম নিদিয়াত এতিয়া পানীত হাঁহ নচৰা অৱস্থা হৈছে। পৰিয়াল পোহপাল দিব নোৱাৰা এটা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তথা মিস্ত্রিসকলৰ বিভিন্ন সমস্যা সমাধান আৰু উন্নয়নৰ স্বাৰ্থত কালি নাহৰকটীয়াৰ ৰাধা কৃষ্ণ মিলন মন্দিৰত স্থানীয় মিস্ত্রিসকলে এখন ৰাজহুৱা সভাৰ আহ্বান কৰে। কালি অনুষ্ঠিত হোৱা এই সভাখনৰ সভাপতিত্ব কৰে নুৰ মহম্মদ ভূএগুৱাই। সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নাহৰকটীয়া আঞ্চলিক উপদেষ্টা প্লাৱন শৰ্মা, নাহৰকটীয়া আঞ্চলিক উপ-সভাপতি ৰাহিদ ভূএগু, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কোঁৱৰ, জ্যেষ্ঠ সাংবাদিক সীমান্ত ভাগৱতী, আটছা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ললিত মাহালি, প্ৰাক্তন আছু নেতা ৰুস্তম আহমেদে সভাত মিস্ত্রিসকলৰ সমস্যাৰাজিৰ বিষয়ে আলোচনা কৰে। মিস্ত্রিসকলৰ অভাৱ-অভিযোগ আৰু দাবীসমূহৰ ওপৰত আলোচনা কৰাৰ পাছত কালিৰ ৰাজহুৱা সভাই 'নাহৰকটীয়া মিস্ত্রি সন্থা' নামেৰে এটা সংগঠনৰ জন্ম দিয়ে। প্ৰায় তিনি শতাধিক মিস্ত্রি-যোগালিৰ উপস্থিত থকা এই সভাতেই নতুনকৈ জন্মলাভ কৰা সংগঠনটোৰ সভাপতি হিচাপে অমৰ সিং, কাৰ্যকৰী সভাপতি নুৰ মহম্মদ ভূএগু, তিনিজন উপ-সভাপতি ক্ৰমে প্ৰদীপ বৈদ্য, গৌতম দাস আৰু জিয়াউৰ ৰহমান, সম্পাদকৰ দায়িত্বত যুটীয়াভাৱে গুল মহম্মদ ভূএগু আৰু তিলেশ্বৰ মানকি, সহ-সম্পাদক ৰাজু আনচাৰী, বিনয় বৈদ্য, সন্তুশ পানিকা, বিত্ত সম্পাদক হিচাপে ৰাজা প্ৰধান, সাংগঠনিক সম্পাদক হিচাপে ব্ৰজেন বৈৰী, ললিত হাজৰিকা, গংগাৰাম সতনাম, ভাৰত গগৈ, মুনু পাটৰ গিৰিন সোণোৱাল, জাহিৰ আলিকে ধৰি মুঠ ৩১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। এই সভাই উপদেষ্টা হিচাপে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক গৌৰাংগ গগৈ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কোঁৱৰ, আটছা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ললিত মাহালি, জ্যেষ্ঠ সাংবাদিক সীমান্ত ভাগৱতী, প্ৰাক্তন আছুনেতা ৰুস্তম আহমেদ, ব্যৱসায়ী উন্নয়ন মঞ্চৰ সভাপতি যাদৱ শইকীয়া আৰু যুৱ সাংবাদিক বিদ্যুৎ মহন্তক লৈ এখন উপদেষ্টা পৰিষদো গঠন কৰি দিয়ে। শেষত নতুনকৈ সংগঠিত হোৱা সংগঠনটোৱে ভৱিষ্যতে মিস্ত্রিসকলৰ অভাৱ-অভিযোগ আৰু প্ৰাপ্য তথা অধিকাৰৰ বাবে মাত মাতি যাব বুলি সংকল্পবদ্ধ হয়।

## ডিগবৈ মহিলা মহাবিদ্যালয়ত গৱেষণা পদ্ধতিৰ ওপৰত ভাৰ্চুৱেল আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**ডিগবৈ, ১৭ জুন ঃ** ডিগবৈ মহিলা মহাবিদ্যালয়ত কালি গাৰ্হ্যস্থ, হিন্দী আৰু আভ্যন্তৰীণ গুণমান নিৰূপক কোষৰ উদ্যোগত এখন আন্তঃৰাষ্ট্ৰীয় ভাৰ্চুৱেল কৰ্মশালা অনুষ্ঠিত কৰা হয়। গৱেষণা পদ্ধতি শীৰ্ষক বিষয় লৈ অনুষ্ঠিত কৰ্মশালাখনত মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° পংকজলোচন গগৈয়ে আঁত ধৰে। ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° সঞ্জীতা চেতিয়াই আদৰণি ভাষণেৰে শুভাৰম্ভণি কৰা কৰ্মশালাখনত অষ্টেলিয়াৰ ফ্লিনদাৰচ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° উদয় শইকীয়াই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। ড° শইকীয়াই গৱেষণা পদ্ধতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। ভাৰ্চুৱেল পদ্ধতিত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কৰ্মশালাখনত অংশগ্ৰহণকাৰীসকলে সমল ব্যক্তি ড° উদয় শইকীয়াৰ স'তে উক্ত বিষয়ৰ ওপৰত ভাব বিনিময় কৰাৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰী আৰু অন্যান্য অংশগ্ৰহণকাৰীৰ উপস্থিতিয়ে আন্তঃৰাষ্ট্ৰীয় ভাৰ্চুৱেল কৰ্মশালখন সাফল্যমণ্ডিত কৰি তোলে।

## 'জলজীৱন মিছন' আঁচনি ৰূপায়ণত দুৰ্নীতিৰ অভিযোগ দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ

### ■ জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**লালুক, ১৭ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰত্যেকটো পৰিয়ালে বিশুদ্ধ খোৱাপানী লাভ কৰাৰ হেতু ৰূপায়ণ কৰা জনজীৱন মিছন আঁচনি ৰূপায়ণত লখিমপুৰ জিলাৰ এক নম্বৰ আহমেদপুৰ (ক) আৰু দুই নম্বৰ আহমেদপুৰত দুৰ্নীতি সংঘটিত হোৱা অভিযোগ উত্থাপন হৈছে। এই অভিযোগ দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ। এই লৈ দুৰ্নীতি বিৰোধী যুৱশক্তি অসমৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক লিখন খাটনিয়াৰে কালি লখিমপুৰ জিলা উপায়ুক্তগৰাকীক এক স্মাৰকপত্ৰ পত্ৰ প্ৰদান কৰিছে। স্মাৰকপত্ৰৰ প্ৰতিলিপি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰিছে। স্মাৰকপত্ৰত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদকে উল্লেখ কৰিছে যে কেন্দ্ৰ চৰকাৰে দেশৰ প্ৰতিটো পৰিয়ালে বিশুদ্ধ পানী লাভ কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা অভিলাষী আঁচনি জলজীৱন মিছন আঁচনিখন ৰূপায়ণত লখিমপুৰ জিলাৰ বঙালমৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ আহমেদপুৰ (ক) আৰু দুই নম্বৰ আহমেদপুৰত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে। আঁচনিখন নিৰ্মাণকাৰ্যত দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰি কয় যে ঠিকাদাৰে বিভাগীয় অভিযন্তাৰ গাফিলতিত আঁচনিখনৰ বেৰ নিৰ্মাণ কাৰ্যত ১০ এমএম ৰডৰ পৰিৱৰ্তে আঠএমএম ৰড ব্যৱহাৰ কৰাৰ লগতে ইটাৰ পৰিৱৰ্তে শিল-বালিৰে সম্পূৰ্ণ ৱাল নিৰ্মাণ কৰা বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে। এই লৈ সংগঠনটোৱে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰি উক্ত আঁচনিখন তদন্ত কৰি ক্ষিপ্ৰ প্ৰদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## উত্তৰ লুইত পাৰত লক্ষীমন ধৰ্মগুৰুজনাৰ আৱিৰ্ভাৱ তিথি 'কুৰু-চিংদুক' উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৭ জুন ঃ** সমগ্ৰ লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে কালি কাৰ্বি সমাজৰ লক্ষীমন ধৰ্মগুৰু লখন ইংতি হেনচেক দেৱৰ ৭৬ সংখ্যক আৱিৰ্ভাৱ তিথি অৰ্থাৎ 'কুৰু-চিংদুক' সমগ্ৰ লক্ষীমন দ'ৱানসমূহত ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰে। কেথম দ'ৱান লংৰি আমেইৰ প্ৰচাৰ সম্পাদক ৰামিন তিমুঙে জানিবলৈ দিয়া মতে, ইয়াৰ সমান্তৰালকৈ উত্তৰ লুইত পাৰত অৱস্থিত লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ ককিলা, বালিজান, লখিমপুৰ জিলাৰ ঢেকিয়াজুলি, সোণজুলি, বিশ্বনাথ জিলাৰ কমাৰজুৰি, উত্তৰ কেকুৰীজান, চিৰাজুলি, বিহমাৰী, চেৰেলীয়া, মোনাবাৰী গ্ৰান্ট, তিনিসুঁতি, কলাপানী, ভৰালীজুলি, নাহৰবাৰী, শামুকজুলি আৰু বালিচাং লক্ষীমন দ'ৱানতো লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে গুৰুজনাৰ জন্ম তিথি উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ লগতে উক্ত তিথিৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেল-ধেমালি, কবিতা আবৃত্তি, চিত্ৰাংকন আৰু নাচ-গান আদি কাৰ্যসূচী হাতত লয়। উল্লেখ্য যে ১৯৪৬ৰ ১৬ জুনত কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ ড'লামৰাৰ বগাৰাম টকবি নামৰ অতি পিছপৰা গাঁওখনত পিতৃ প্ৰয়াত পালম ইংতি হেনচেক আৰু মাতৃ প্ৰয়াত কাটু ৰংফাৰপীৰ পুত্ৰ তথা ধৰ্মগুৰু কুৰুচাৰ লখন ইংতি হেনচেকে এক ঐশ্বৰিক গুণৰ অধিকাৰীপ্ৰাপ্তি হৈ জন্মগ্ৰহণ কৰি আধ্যাত্মিক জ্ঞান আৰু একতাৰ ডোলেৰে কাৰ্বি সমাজখনক আগুৱাই নিয়াৰ স্বাৰ্থত লক্ষীমন ধৰ্ম প্ৰতিষ্ঠা কৰিছিল।

## চিৰাঙৰ ঢালিগাঁৱত ঘৰুৱা হিংসা সম্পৰ্কীয় অনুষ্ঠান বেচৰকাৰী সংস্থা দ্য এণ্টৰ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৭ জুন ঃ** চিৰাং জিলাৰ ৰৌমাৰীত অৱস্থিত উত্তৰ পূৰ্বাঞ্চলৰ স্বেচ্ছাসেৱী সংগঠন দ্য এণ্টৰ উদ্যোগত আৰু চিৰাং জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ ঢালিগাঁও হাইস্কুল প্ৰেক্ষাগৃহত কালি ঘৰুৱা হিংসা বন্ধ কৰা বাবে গঠিত সঁহাৰি দলৰ সম্বৰ্ধনা আৰু স্বীকৃতি প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত উপস্থিত থাকি চিৰাং জিলা আইন প্ৰাধিকৰণৰ সচিব বন্দিতা গগৈয়ে ঘৰুৱা হিংসা সম্পৰ্কীয় উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়দানৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে অৱগত কৰে। 'দ্য এণ্ট'ৰ সমন্বয়ক লক্ষ্মী ছেত্ৰীয়ে আঁত ধৰা অনুষ্ঠানত চিৰাং জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া সোমেশ্বৰ মুছাহাৰীয়ে সন্মানীয় অতিথিৰূপে উপস্থিত থাকি জিলাখনৰ বিভিন্ন প্ৰান্তত 'দি এণ্ট' নামৰ সামাজিক অনুষ্ঠানটোৱে ৰাইজৰ হকে কাম কৰি অহাত স্বেচ্ছাসেৱী সংগঠনটোৰ শলাগ লয়। অনুষ্ঠানত 'দি এণ্ট'ৰ পৰিচালন ট্ৰাষ্টী ড° সুনীল কৌল, চিৰাং জিলা শিশু সুৰক্ষা বিষয়া সুৰশ্ৰী পাঠক আৰু জিলা আঁচনি প্ৰৱন্ধক চন্দনা শৰ্মা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। দ্য এণ্ট নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ পৰা বিগত দিনত বিভিন্ন ঠাইত ঘৰুৱা হিংসা ৰোধৰ বাবে কৰি অহা সজাগতাৰ উপৰি প্ৰচাৰ কৰি আহিছে। এই অনুষ্ঠানত দ্য এণ্টৰ ৯৭ টা সঁহাৰি দলৰ ভিতৰত শ্ৰেষ্ঠ সঁহাৰি দল হিচাপে নিৰ্বাচিত হোৱা বৰ্মনপাৰা নেপালী বস্তি দলক ১০ হেজাৰ টকাৰে পুৰস্কৃত কৰা হয়। অনাগত দিনতো যাতে সমাজৰ নিপীড়িত লোকৰ সহায়ৰ বাবে কাম কৰি যাব পাৰে তাৰ বাবে সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে দ্যা-এণ্টৰ তৰফৰ পৰা। অনুষ্ঠানত চিৰাং জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা আহি উপস্থিত হোৱা দুই শতাধিক লোক উপস্থিত থাকে প্ৰতিকূল বতৰকো নেওচি।

## চতিয়াত ক্ষেমেশ্বৰী বৰাৰ ৯৫ বছৰত মৃত্যু

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৭ জুন ঃ** চতিয়া কৰতি গাঁৱৰ প্ৰখ্যাত মুক্তিযোদ্ধা প্ৰয়াত জয়ৰাম বৰাৰ সহধৰ্মিণী ক্ষেমেশ্বৰী বৰা (৯৫)ৰ কালি পুৱা নিজ বাস ভৱনতে বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। শতায়ু গৰকিবলৈ আৰু মাত্ৰ পাঁচ বছৰ বাকী থকা প্ৰয়াত বৰা আছিল এগৰাকী ধৰ্মপ্ৰাণা মহিলা। সুদীৰ্ঘ কাল সুস্বাস্থ্যৰে জীয়াই থকা মহিলাগৰাকীয়ে কালি সন্ধিয়াৰ ভাগত সামান্য অসুস্থতা ভোগাৰ পাছত আজি পুৱা প্ৰায় চাৰি বজাত আকস্মিকভাৱে মৃত্যুবৰণ কৰে। এগৰাকী মুক্তিযোদ্ধাৰ সহধৰ্মিণীৰূপে এটা আদৰ্শ জীৱন যাপন কৰা ক্ষেমেশ্বৰী বৰা নিভাঁজ অৰ্থত গাঁৱলীয়া নাৰীৰ এক আদৰ্শ প্ৰতিভূ আছিল। মহিলাগৰাকীৰ মৃত্যুত মুক্তিযোদ্ধা সন্মিলনীৰ চতিয়া শাখা, চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, কৰতি গাঁৱৰ গাঁও সংগঠনৰ লগতে চতিয়াৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। প্ৰয়াত মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত চাৰিগৰাকী কন্যা, তিনি পুত্ৰ আৰু নাতি-নাতিনীক এৰি গৈছে।

## জাৰাগুৰিত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তস্থিত জাৰাগুৰি গোবিন্দ বসুমতাৰী কলেজ কৰ্তৃপক্ষই কালি দিনৰ ১১ বজাত উক্ত মহাবিদ্যালয়খনৰ চৌহদত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে গোবিন্দ বসুমতাৰী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী মাৰ্জিত বসুমতাৰীয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে জাৰাগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হাকিম তৰফদাৰে। তৰফদাৰে তেওঁৰ বক্তব্যত কয় যে প্ৰতিজন ছাত্ৰ-ছাত্ৰী দেশৰ সুনাগৰিক হোৱাৰ বাবে শিক্ষা গ্ৰহণ কৰাৰ বিকল্প নাই। শিক্ষিত হৈ নিজকে প্ৰতিষ্ঠিত কৰাৰ লগতে সমাজৰ আৰ্তজনৰ কাষত থিয় দি মানৱতা আৰু প্ৰমূল্যবোধৰ উদাহৰণ দাঙি ধৰিব লাগে। আন এগৰাকী অতিথি হাছৰাওবাৰী আজমল কলেজৰ অধ্যক্ষ আনোৱাৰ হুছেইনে কয় যে শিক্ষাৰ জৰিয়তে জ্ঞান আহৰণৰ লগতে জীৱনত সমাজৰ বিশেষকৈ নিজৰ অঞ্চলৰ বিকাশ সাধনৰ পিনে দৃষ্টি দিয়া উচিত বুলি মন্তব্য কৰে। উল্লেখ্য যে বৃহত্তৰ জাৰাগুৰি অঞ্চলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীক আজি সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত ১০ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ প্ৰতি মাহে ১৫০০ টকাকৈ উচ্চ শিক্ষাৰ বাবে অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী মাৰ্জিত বসুমতাৰীয়ে। তদুপৰি যিসকল ছাত্ৰ- ছাত্ৰী ডিষ্টিংচন, ষ্টাৰ নম্বৰ আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীকো সমাজকৰ্মীগৰাকীয়ে ফুলাম গামোচা, এখনকৈ অভিধান, কলম আৰু নগদ ১৫০০শকৈ টকা দি সম্বৰ্ধনা জ্ঞাপন কৰে। আজিৰ সম্বৰ্ধনা সভাত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সদস্য তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰেনজেন্দ্ৰ নাৰ্জাৰী, শিমলুটাপু শংকৰ আজান জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক আবু হানিফ জোৱাৰ্দ্দাৰে ছাত্ৰ-ছাত্ৰীক মূল্যবান দিহা- পৰামৰ্শ আগবঢ়ায়।

### ■ সোণালী জয়ন্তী বৰ্ষ পালনৰ ব্যাপক প্ৰস্তুতি

## পলাশবাৰীৰ ঝাৰোবড়িত দুৰ্গা পূজাৰ লাইখুঁটা স্থাপন



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১৭ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ ঝাৰোবড়িত শাৰদীয় দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষৰ প্ৰথম কাৰ্যসূচী হিচাপে ১৪ জুনত ঝাৰোবড়ি আঞ্চলিক দুৰ্গা পূজা সমিতিয়ে লাইখুঁটা স্থাপন কাৰ্যসূচী সুচাৰুৰূপে পালন কৰে। প্ৰথমে পূজা সমিতিৰ মূল পুৰহিতে পূজা অৰ্চনা কৰাৰ পাছতে সম্পূৰ্ণ বৈদিক ৰীতি-নীতি অনুসৰি দেৱী দুৰ্গাৰ আশীষ লৈ সমিতিৰ সকলো সদস্যৰ উপস্থিতিত সভাপতি কামিনি কুমাৰ দাসে লাইখুঁটা স্থাপন কৰে। এইবেলি সমিতিয়ে জানিবলৈ দিয়া মতে, বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰে ন দিনীয়াকৈ উদ্‌যাপন কৰা হ'ব দুৰ্গা পূজাৰ সোণালী জয়ন্তী উৎসৱ। লাইখুঁটা স্থাপন কৰা অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্য। কাৰ্যসূচীত উপস্থিত থাকি বৈশ্যই ভাষণ প্ৰসংগত কয় যে পূজা সমিতিৰ নিৰ্মীয়মাণ মনিকুট সকলোৰে সহযোগত পূজা অনুষ্ঠিত হোৱাৰ পূৰ্বে সম্পূৰ্ণ কৰিব লাগে। এইক্ষেত্ৰত সকলোৰে দান বৰঙণি দি মণিকূটটো আটক ধুনীয়াকৈ সজায় তুলিব লাগে। মণিকূট নিৰ্মাণৰ বাবে ইতিমধ্যে বৈশ্যই সমিতিলৈ ব্যক্তিগতভাৱে এক লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে লগতে পৰৱৰ্তী সময়ত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে বৈশ্যই আজিৰ সমাজ কৰ্মীয়ে সাংস্কৃতিক সন্ধিয়াত প্ৰতিযোগিতামূলকভাৱে আৰ্থিক বৰঙণি আগবঢ়ায় কিন্তু অঞ্চলসমূহৰ ঐতিহাসিক মঠ-মন্দিৰ উন্নয়নৰ ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ কৰা দেখা নাযায়। মঠ-মন্দিৰত আৰ্থিক সাহায্য দিলে অঞ্চলতো চহকী হোৱাৰ লগতে সমিতিয়ে সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীসফল ৰূপায়ণৰ ক্ষেত্ৰত সকলো ৰাইজৰে সহায় সহযোগিতা কামনা কৰে। অনুষ্ঠানত ঝাৰোবড়ি দুৰ্গাপূজাৰ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ লগতে অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

## ছয়গাঁও মহাবিদ্যালয়ত কেৰিয়াৰ সজাগতা কৰ্মশালা সম্পন্ন

**ছয়গাঁও, ১৭ জুন ঃ** স্কুল অব বেংকিং এণ্ডএছএছচিৰ উদ্যোগত (গুৱাহাটী) আৰু ছয়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সহযোগত কালি ছয়গাঁও মহাবিদ্যালয়ত এখন কেৰিয়াৰ সজাগতা কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ সমন্বয়ক ড° বনমালী নাথে আঁত ধৰা এই কৰ্মশালাৰ শুভ উদ্বোধন কৰে অধ্যক্ষ ড° নৱ কুমাৰ কলিতাই। স্নাতক কলা আৰু বাণিজ্য শাখাৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত সমল ব্যক্তি হিচাপে থাকে স্কুল অব বেংকিং এনএছএছচিৰ সঞ্চালক আকবৰ হুছেইন আৰু শ্ৰীধৰ মিশ্ৰ। কৰ্মশালাখনত স্কুল অব বেংকিং এনএছএছচিৰ ৰিলেচন ছিফ মেনেজাৰ মিতালী দাস, ছয়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা শৰ্মিলা ৰয় দাসো উপস্থিত থাকে।

## মৰিগাঁও জিলাত ১৪৪ ধাৰা জাৰি

অগ্ৰদূত বাৰ্তা


**মৰিগাঁও, ১৭ জুন ঃ** কালি মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই এক জাননী যোগে জিলাখনত ১৪৪ ধাৰা জাৰি কৰাৰ নিৰ্দেশনা দিয়ে। উল্লেখ্য যে সমগ্ৰ মৰিগাঁও জিলাত অনুমতি অবিহনে শোভাযাত্ৰা বা ধৰ্ণা কাৰ্যসূচী নিষিদ্ধকে ধৰি অনুমতিবিহীনভাৱে লাউড স্পীকাৰ বা মাইক্ৰ'ফোন ব্যৱহাৰ নিষিদ্ধ, আপত্তিজনক বাৰ্তা অথবা শান্তি ভংগ কৰিব পৰা ভাষণ নিষিদ্ধৰ লগতে একক ইঞ্জিনযুক্ত নাৱৰ ক্ষমতাতকৈ অধিক বোজা কঢ়িওৱাত বাধা আৰোপ। বান্ধবোৰ ধ্বংস অথবা ক্ষতি কৰাত বাধা আৰোপ। সামাজিক আৰু ভাষিক শান্তি ভংগ কৰিব পৰা উত্তেজিত শ্ল'গান নিষিদ্ধ। আৰু যিকোনো ব্যক্তিৰ দ্বাৰা কৰা ধৰ্মীয়, ভাষিক তথা পৰম্পৰাগত সমাজক ক্ষতি কৰিব পৰা যিকোনো কাৰ্য নিষিদ্ধ। দোষী বুলি সাব্যস্ত কৰিব পৰা কোনো ধৰণৰ প'ষ্টাৰ, বেনাৰ লগোৱা নিষিদ্ধ আৰু কোনো সুৰক্ষা নোহোৱাকৈ নদীলৈ যোৱা নিষিদ্ধ। গৰাখহনীয়াৰ সম্ভাৱনাযুক্ত ঠাইলৈ যোৱা নিষেধৰ লগতে শিশুবোৰক পানী বঢ়া ঠাইলৈ যোৱাত নিষেধাজ্ঞাৰ ওপৰত কালি জিলা উপায়ুক্তই এক নিৰ্দেশনাৰ জৰিয়তে ১৪৪ ধাৰা জাৰি কৰে।

## শিৱসাগৰ দৰবাৰ টাং-চু-ডু প্ৰশিক্ষণ কেন্দ্ৰৰ আছিক ৰহমানক ব্লেক বেল্ট প্ৰদান

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৭ জুন ঃ** শিৱসাগৰ দৰবাৰ টাং-চু-ডু প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈ আছিক ৰহমানে শিৱসাগৰ কনক ভৱনত অনুষ্ঠিত হোৱা টাং-চু-ডুৰ বেল্ট পৰীক্ষাত ব্লেক বেল্ট প্ৰথম ডান পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। অসম টাং-চু-ডুৰ মুখ্য প্ৰশিক্ষক তথা উত্তৰ পূৰ্বাঞ্চলৰ টেকনিকেল চেয়াৰমেন দেৱজিত গগৈয়ে আছিকক বেল্ট আৰু প্ৰমাণপত্ৰ প্ৰদান কৰে। এই বেল্ট প্ৰদান অনুষ্ঠানত উপস্থিত থাকে অসম টাং-চু-ডুৰ মুখ্য প্ৰশিক্ষক দেৱজিত গগৈ, শিৱসাগৰ টাং-চু-ডুৰ মুখ্য প্ৰশিক্ষক বিচিত্ৰ বুঢ়াগোঁহাই, দৰবাৰ টাং-চু-ডুৰ মুখ্য প্ৰশিক্ষক হাৰুণ আলিৰ লগতে প্ৰশিক্ষাৰ্থীসকল। এই সফলতাত দৰবাৰ টাং-চু-ডুৰ সভাপতি জাবেদ আলিয়ে অভিনন্দন জনাইছে।

## তিনিচুকীয়াত জিলা ভিত্তিক যোগাসন প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৭ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ স'তে সংগতি ৰাখি ৰাষ্ট্ৰীয় আয়ুস অভিযান, অসম আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত তথা সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সহযোগত কালি তিনিচুকীয়াৰ গোলাপ চন্দ্ৰ-ৰবিচন্দ্ৰ নাট্য মন্দিৰত তিনিচুকীয়া জিলাভিত্তিক যোগাসন প্ৰতিযোগিতাৰ বন্তি প্ৰজ্বলন কৰি শুভ উদ্বোধন কৰে স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকাই। তেওঁৰ লগত উপস্থিত থাকে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড° ৰমেন সোণোৱাল আৰু আয়ুসৰ নডেল বিষয়া ড° মণিৰাম কলিতা। যোগাসন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰি অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকাই সকলো প্ৰতিযোগিকে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সুন্দৰ যোগ প্ৰদৰ্শনেৰে ৰাজ্যিক পৰ্যায়ত জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ আহ্বান জনায়। আজিৰ জিলাভিত্তিক যোগাসন প্ৰতিযোগিতাত তিনিচুকীয়া জিলা স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে সেৱা ভাৰতী পূৰ্বাঞ্চলৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ১৭ জুন ঃ** বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত আৰু কলকাতাৰ মৌলানা আবুল কালাম আজাদ ইনষ্টিটিউট অব এছিয়ান ষ্টাডীজ (মাকায়াচ)ৰ সৌজন্যত ১৩ আৰু ১৪ জুনত দুদিনীয়া কাৰ্যসূচীৰে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। 'dentity Assertions and the Context of Conflicts in Southeast Asis' শীৰ্ষক আলোচনাচক্ৰখনত অসমৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষক আৰু গৱেষকে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অধ্যাপক কৈলাশ চন্দ্ৰ বাৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক লালন কিশোৰ সিং আৰু আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক দিলীপ বৰা। আলোচনা চক্ৰত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰকাশ শৰ্মা উপস্থিত থাকে। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা তথা ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনত কে'বাখনো উচ্চমানৰ গৱেষণা পত্ৰ আলোচিত হয়।

## নগাঁও-ডিমা হাছাওত বানাক্ৰান্তৰ মাজত বিনামূলীয়া স্বাস্থ্য শিবিৰ

অগ্ৰদূত বাৰ্তা

**নগাঁও, ১৭ জুন ঃ** মেডিকেল ছাৰ্ভিচ চেণ্টাৰ আৰু অল ইণ্ডিয়া ডিএছঅ'ৰ যৌথ উদ্যোগত বানবিধ্বস্ত ৰাইজৰ সাহায্যাৰ্থে নগাঁও আৰু জিমা হাছাও জিলাৰ বিভিন্ন স্থানত যোৱা ১৪ জুনৰ পৰা অনুষ্ঠিত হৈ থকা স্বাস্থ্য শিবিৰসমূহত বহুতো ৰোগীক বিনামূলীয়া চিকিৎসা আৰু ঔষধ প্ৰদান কৰা হয়। যোৱা দুদিন লৰাৰ হাফলং অঞ্চলত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ পাছত কালি পুৱা ন বজাৰ পৰা এনডি ৰাজি গাঁৱত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হোৱাৰ লগতে হাফলং কলেজৰ ছাত্ৰ আৰু-ছাত্ৰী হোষ্টেলত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া চিকিৎসা আৰু ঔষধ পত্ৰ যোগান ধৰা হয়। তদুপৰি কালি এনডি ৰাজি কেম্পত অল ইণ্ডিয়া ডিএছঅ'ৰ অসম ৰাজ্যিক কমিটীৰ সম্পাদক হেমন্ত পেগুৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষা সামগ্ৰী বিতৰণ কৰা হয়। নগাঁও জিলাতো তিনিদিনীয়া কাৰ্যসূচীৰ শেষদিনা কালি চকীটুপ গাঁৱত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মেডিকেল ছাৰ্ভিচ চেণ্টাৰৰ চিকিৎসকসকলৰ লগতে অল ইণ্ডিয়া ডিএছঅ'ৰ এটা প্ৰতিনিধি দলে কালি মাৰাত্মক ভূমিস্খলনত বিধ্বস্ত ৱৰাৰ হাফল্য, ম'লহৈ আৰু এনডি ৰাজি অঞ্চল পৰিদৰ্শন কৰি এই দুৰ্ভগীয়া মানুহখিনিৰ যি অভাৱনীয় ক্ষয়-ক্ষতি হৈছে, তাৰ বুজ লৈ কয় যে ৰাইজৰ এই ক্ষতি সহজতে পূৰণ কৰা নাযাব। বহুতৰে ঘৰ-বাৰী ভূমিস্খলনত একেবাৰে ধূলিসাৎ হৈ গৈছে আৰু একেটা ঠাইত কেতিয়াও ঘৰদুৱাৰ পুনিৰ্নিমান কৰা সম্ভৱ নহ'ব। এই অসহায় মানুহখিনিক অবিলম্বে বিনামূলীয়াকৈ প্ৰয়োজনীয় মাটি আৱণ্টন দিয়াৰ লগতে ঘৰ পুনৰ্নিমান কৰাৰ বাবে নামমাত্ৰ সাহায্য দি দায়িত্ব নাসামৰি সকলোকে যথোপযুক্ত আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। তদুপৰি অহা দুই তিনিমাহলৈকে যিহেতু বেছিভাগৰে পুনৰ সংস্থাপন সম্ভৱ নহয়, সেয়েহে তেতিয়ালৈকে ক্ষতিগ্ৰস্ত লোকৰ বাবে আশ্ৰয়, খাদ্য আৰু খোৱা পানীৰ ব্যৱস্থা কৰাৰ লগতে অতি সোনকালে ছাত্ৰ-ছাত্ৰীৰ বাবে স্কুলসমূহ মুকলি কৰি শিক্ষাদানৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰক আহ্বান জনোৱা হয়।

## সত্ৰীয়া সংস্কৃতিকে আপোন কৰিছে চাহ জনগোষ্ঠীয় বৰদ'ল গাঁৱৰ ৰাইজে

### ■ নামঘৰত প্ৰতিষ্ঠা কৰিলে গুৰু আসন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১৭ জুন ঃ** চতিয়াৰ উত্তৰত, ঘিলাধাৰী নৈৰ নাতিদূৰত থকা বৰদ'ল প্ৰাক্তন চাহ জনগোষ্ঠীয় লোকেৰে পূৰ্ণ এখন সৰু গাঁও। চাহ বাগিচাত কাম কৰোৱাবলৈ ব্ৰিটিছে অনা লোকসকল আছিল এওঁলোকৰ পূৰ্বপুৰুষ। স্বাধীনতাৰ পূৰ্বেই সমীপৱৰ্তী প্ৰতাপগড় চাহ বাগিচাৰ কেইঘৰমান লোকে ইংৰাজৰ শৃংখলত জীন যাব নুখুজি ঘিলাধাৰী নদী পাৰ হৈ বৰদ'লত থিতাপি লৈ কৃষিকৰ্মত মনোনিৱেশ কৰিছিল। প্ৰয়াত সান্দুৰা কমাৰ, ভাদুৰা কমাৰ, বন্ধোৰা কমাৰ, চুতিয়া খেৰিয়া, মংগলা মূৰা, আঘোনা কমাৰ, সুফল কমাৰ, ফাগুৱা কমাৰ আদি লোকসকল ওচৰৰ মুদৈগাঁও, পুৰণি গাঁও, সাপেখাতী আদি গাঁৱৰ অসমীয়াভাষী লোকৰ সংস্পৰ্শলৈ আহি গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ পৰে। ইতিমধ্যে মাগুৰমাৰী কুৰ্মীগাঁৱৰ লোকসকলে গুৰুজনাৰ আদৰ্শ সাৰোগত কৰি একশৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি নামঘৰ, মণিকূট, গুৰুআসন আদি প্ৰতিষ্ঠা কৰি ভাওনা, বৰসবাহ আদি অনুষ্ঠিত কৰি আহিছিল। এই মহৎ কামত মুদৈগাঁও, মাগুৰমাৰী আদি গাঁৱৰ লোকসকলৰ লগতে নাহৰখাত সত্ৰৰ সত্ৰীয়া ভকতসকলে অকুণ্ঠভাৱে সহযোগ কৰিছিল। কুৰ্মীগাঁৱৰ এই আদৰ্শত অনুপ্ৰাণিত হৈ বৰদ'লৰ লোকসকলেও এটি নামঘৰ প্ৰতিষ্ঠা কৰিবলৈ মন মেলিলে। মুদৈগাঁৱৰ প্ৰয়াত বাপাৰাম হাজৰিকাই নামঘৰ নিৰ্মাণৰ বাবে তাহানিয়েই এডোখৰ ভূমি দান কৰাত গাঁওবাসীয়ে তাতে এটা সৰু নামঘৰ নিৰ্মাণ কৰি পুৱা-গধূলি বন্তি জ্বলাবলৈ ল'লে। এই কামত মুদৈগাঁৱৰ গুণ হাজৰিকাকে ধৰি বহু লোকে সহযোগ কৰিছিল। এনেদৰেই বহু বছৰ চলি আছিল। বৰদ'লৰ নৱপ্ৰজন্মই এই নামঘৰভাগতে শেহতীয়াকৈ গুৰুআসন প্ৰতিষ্ঠাৰ কাম হাতত লয়। আৰ্থিকভাৱে তেনেই নিশকটীয়া, বাৰিষাৰ বানত সততে নিঠৰুৱা হোৱা গাঁওবাসীয়ে বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি যোৱা ১৪ জুনত নামঘৰত নৱনিৰ্মিত আসনভাগ প্ৰতিষ্ঠা কৰে। নাহৰখাত সত্ৰৰ জ্যেষ্ঠ সত্ৰীয়া প্ৰবীণ গোস্বামীয়ে আয়তীৰ উৰুলি, ডবা, কাঁহৰ শব্দই সৃষ্টি কৰা এক গুৰুগম্ভীৰ পৰিৱেশত আসনভাগ প্ৰতিষ্ঠা কৰে। প্ৰতিষ্ঠাৰ পূৰ্বে এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। ভূমি দান কৰা বাপাৰাম হাজৰিকাৰ উত্তৰাধিকাৰী, জ্যেষ্ঠ সত্ৰীয়া প্ৰবীণ গোস্বামী, তৰুণ গোস্বামী আদিক গাঁওবাসীয়ে আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰতিষ্ঠা উপলক্ষে হোৱা নাম প্ৰসংগত, মুদৈগাঁও, কুৰ্মীগাঁও, মাগুৰমাৰী, সাপেখাতী আদি গাঁৱৰ ভকত ৰাইজে অংশগ্ৰহণ কৰে।

# ৭০ বছৰ বয়সত স্নাতকোত্তৰ ডিগ্ৰী ল'লে নগাঁৱৰ গুণকান্ত শইকীয়াই

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** মানুহৰ আগ্ৰহ, স্পৃহা, ধৈৰ্য আৰু একাগ্ৰতা থাকিলে সকলো কামেই সম্ভৱ হৈ উঠে। বিশেষকৈ শিক্ষা আহৰণৰ ক্ষেত্ৰত বয়স বা অভাৱ কেতিয়াও হেঙাৰ হ'ব নোৱাৰে তাকেই এবাৰ প্ৰমাণ কৰি দেখুৱালে নগাঁৱৰ ৭০ উৰ্দ্ধৰ এগৰাকী ব্যক্তিয়ে । নগাঁও চহৰৰ ১৯ নম্বৰ মহলাৰ অসম আৰক্ষীৰ ৰেডিঅ' অপাৰেটৰ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক গুণকান্ত শইকীয়াই চাকৰিৰ পৰা অৱসৰ পাইছিল ১০ বছৰৰ পূৰ্বেই । তেওঁৰ এক হাবিয়াস আছিল অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰা। চাকৰি জীৱনৰ ব্যস্ততাৰ বাবে গুণকান্ত শইকীয়াই তেওঁৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিলে যদিও চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত নিজৰ পৰিয়ালটোৰ যাৱতীয় কাম-কাজখিনি সম্পূৰ্ণ কৰি তেওঁ 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ৰ অধীনত অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অধ্যয়নত মনোনিবেশ কৰিবলৈ ধৰিলে। তাৰেই ফলস্বৰূপে চলিত বছৰত ৭০ বছৰ বয়সত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁও মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। উল্লেখ্য যে তেওঁৰ দুই পুত্ৰ আৰু দুয়ো গৰাকী বোৱাৰী চিকিৎসক । গুণকান্ত শইকীয়াৰ এই সাফল্যত গৌৰৱ অনুভৱ কৰিছে খুটিকটীয়াবাসীয়ে।

## ■ জলমগ্ন ৰঙিয়া চহৰ ঃ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থানান্তৰ

# কৃত্ৰিম বানত বিপৰ্যস্ত ৰঙিয়াৰ জনজীৱন

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৭ জুন ঃ** কিছুদিন ধৰি চলি থকা ধাৰাসাৰ বৰষুণৰ ফলত বিপৰ্যস্ত হৈ পৰিছে ৰঙিয়াবাসীৰ সাধাৰণ জনজীৱন। নেৰানেপেৰা বৰষুণ হৈ থকাত ৰঙিয়া চহৰৰ অধিকাংশ অঞ্চল পানীৰ তলত। বিশেষকৈ ৰঙিয়া চক্ৰ বিষয়াৰ কাৰ্যালয়ত পানী সোমোৱাত চৰকাৰী কাম-কাজ ব্যাহত হৈছে যদিও ৰাজহ চক্ৰ বিষয়া লীনা কুমাৰী পাৰে নিজৰ চৰকাৰী বাসভৱনৰ পৰা কৰ্তব্য কৰ্ম সম্পাদন কৰি থকা পৰিলক্ষিত হৈছে।



ইপিনে, বৰষুণৰ পানীয়ে ৰঙিয়া সৰস্বতী কল'নী, মিলনপুৰ, খৈৰাবাৰী, এনটি ৰোডৰ উপৰি বিহাপাৰা, চেনিমাৰা, কাউৰবাহা, গড়ভিতৰ আদি অঞ্চল সম্পূৰ্ণৰূপে বুৰাই পেলাইছে। বানৰ পানীয়ে ৰঙিয়া-চিৰাখুন্দি-কাউৰবাহা পথ আৰু চেনিমাৰা-বিহাপাৰা-কাউৰবাহা পথ সম্পূৰ্ণৰূপে বুৰাই পেলোৱাত যাতায়াত ব্যাহত হৈছে। ইপিনে, ধাৰাবাহিক বৰষুণৰ ফলত ৰঙিয়া মহকুমাৰ কেউখন নদীৰে জলস্তৰ বৃদ্ধি পাইছে। বৰলীয়া আৰু নোনা বিপদসীমাৰ ওপৰত বৈ থকাৰ বিপৰীতে পুঠিমাৰীৰ জলপৃষ্ঠ এতিয়াও বিপদসীমাৰ সামান্য তলত আছে যদিও যিকোনো সময়ত বিপদসীমা অতিক্ৰম কৰাৰ সম্ভাৱনা দেখা দিছে। ৰঙিয়া মহকুমাৰ সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে মহকুমা প্ৰশাসন সষ্টম হৈ আছে বুলি চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ। ধাৰাসাৰ বৰষুণকো নেওচি প্ৰশাসন আৰু জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলে নিশাৰ ভাগতো মথাউৰিসমূহৰ বিপদসংকুল অংশসমূহৰ নিৰীক্ষণ আৰু তদাৰকীৰ কাম অব্যাহত ৰাখিছে। বছৰৰ দ্বিতীয়টো বানত আজি বিয়লি পৰ্যন্ত ৰঙিয়া মহকুমাৰ ১৮ খন ৰাজহ গাঁও ক্ষতিগ্ৰস্ত হৈছে। মহকুমাটোৰ হাচানটুক প্ৰাথমিক বিদ্যালয় আৰু বালাগাঁও প্ৰাথমিক তথা মজলীয়া বিদ্যালয়ত দুটা আশ্ৰয় শিবিৰ মুকলি কৰা হৈছে য'ত ক্ৰমান্বয়ে ১৬০ আৰু ১৪১ গৰাকী বানাক্ৰান্তই আশ্ৰয় লৈ আছে। ৰঙিয়া মহকুমাৰ নৈ-উপনৈসমূহৰ জলপৃষ্ঠ উৰ্দ্ধগামী হোৱাৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য বান পৰিস্থিতিৰ তদাৰকীৰ বাবে ৰঙিয়া মহকুমা প্ৰশাসনে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ এটা ২৪ ঘণ্টীয়া নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। ৰঙিয়া মহকুমাৰ সহকাৰী আয়ুক্ত অম্লান বৈশ্যৰ তত্বাৱধানত ৰঙিয়াৰ আৱৰ্ত ভৱনত মুকলি কৰা এই কক্ষত নিয়োজিত কৰ্মচাৰীসকলে তিনিটা ক্ষেপত দিনটোৰ ২৪ ঘণ্টাই সেৱা আগবঢ়াব বুলি মহকুমা প্ৰশাসনৰ তৰফৰ পৰা জনোৱা হৈছে। এই নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ ৯৩৮৭৯-৬০৭৩১ত যোগাযোগ কৰি বান পৰিস্থিতি সন্দৰ্ভত যিকোনো তথ্য যিকোনো সময়তে অৱগত কৰাৰ লগতে সাহায্য তথা উদ্ধাৰ অভিযানৰ বাবে প্ৰশাসনৰ স'তে যোগাযোগ কৰিবলৈ ৰঙিয়াৰ মহকুমাধিপতি জাবিৰ ৰাহুল সুৰেশে ৰাইজলৈ আহ্বান জনাইছে।

# গোলাঘাটত প্ৰাপ্য পাৰিতোষিকৰ পৰা বঞ্চিত শ শ আশাকৰ্মী

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৭ জুন ঃ** গোলাঘাট জিলাখনৰ ভিন্ন প্ৰান্তৰৰ আশাকৰ্মীসকলে দীৰ্ঘদিন ধৰি প্ৰাপ্য পাৰিতোষিকৰ পৰা বঞ্চিত হৈ আৰ্থিক সংকটত ভুগি আছে। প্ৰাপ্য তথ্য মতে, দিন-ৰাতি একাকাৰ কৰি স্বাস্থ্য বিভাগৰ গুৰু দায়িত্ব পালন কৰি অহা আশাকৰ্মীসকলে নিয়মিতভাৱে পাৰিতোষিক লাভ নকৰাত যাতায়াত-যোগাযোগত ভীষণ সমস্যাৰ সৃষ্টি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। মাত্ৰ দুহেজাৰ টকাত স্বাস্থ্য বিভাগে নিয়োজিত কৰা আশাকৰ্মীসকলে চলিত বৰ্ষৰ তিনিমাহ পৰ্যন্ত পাৰিতোষিক লাভ কৰা নাই। লক্ষ্যণীয় যে প্ৰতিদিনে গৰ্ভৱতী, প্ৰসূতি আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন কৰ্মসূচীত সহযোগিতা আগবঢ়াই অহা আশাকৰ্মীসকলৰ দুৰ্দশাৰ প্ৰতি গুৰুত্ব দিয়া নাই চৰকাৰৰ দায়িত্বশীল কৰ্তৃপক্ষই। ইয়াৰ ফলশ্ৰুতিত আৰ্থিক সংকটত পৰিছে আশাকৰ্মীসকলে।

# ডিব্ৰুগড়ৰ ছাগলী পামত চোৰৰ চাফাই

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৭ জুন ঃ** ডিব্ৰুগড়ত বৃদ্ধি পাইছে চোৰৰ তাণ্ডৱ। নিশাৰ ভাগত পশু পামৰ পৰা প্ৰায় চাৰি লাখ টকাৰ মূল্যৰ ছাগলী চুৰি হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নটাকৈ বিশেষ প্ৰজাতিৰ ছাগলী নিৰ্বিঘ্নে চোৰে লৈ যায়। ডিব্ৰুগড়ৰ আমোলাপট্টিস্থিত আশ্ৰানুল হ'ক নামৰ ব্যক্তিজনৰ মালিকানাধীন এগ্ৰ এনিমেল ফাৰ্মছলৈ বিশেষ প্ৰজাতিৰ ছাগলীসমূহ আনিছিল পঞ্জাৱৰ পৰা। কিন্তু যোৱা নিশা পশু পামখনৰ পৰা ৩৪ টা ছাগলীৰ ভিতৰত নটা ছাগলী লৈ যায়। নিশাৰ ভাগত ছাগলীসমূহ চোৰে লৈ যোৱাৰ দৃশ্য চি চি টিভি কেমেৰাতো বন্দী হৈছে। ইতিমধ্যে ডিব্ৰুগড় আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও কোনো তথ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই।





*মাজুলী জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ এটি মুহূৰ্ত।*

# কমলাবাৰীত ৰাভা গীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৭ জুন ঃ** মাজুলীৰ তিনিটা অগ্ৰণী স্বেচ্ছাসেৱী সাংস্কৃতিক অনুষ্ঠান ক্ৰমে, ১৯৩৮ত প্ৰতিষ্ঠিত মাজুলীৰ সাংস্কৃতিক জগতৰ ঐতিহ্যৰ বাৰ্তা বাহক-মাজুলী মিলন সংঘ, ১৯৮৬ত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰথমখন, একমাত্ৰ প্ৰণালীবদ্ধ সংগীত শিক্ষানুষ্ঠান-মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয় আৰু কমলাবাৰীৰ প্ৰথম আৰু একমাত্ৰ চিত্ৰকলা বিদ্যালয়-ৰূপবৰণ চিত্ৰ কলা বিদ্যালয়ৰ যৌথ উদ্যোগত 'ৰাভা দিৱস' উপলক্ষে আন্তঃমাজুলী বিষ্ণুপ্ৰসাদ ৰাভা সংগীত, বিষ্ণুপ্ৰসাদ ৰাভা সংগীতৰ আধাৰত সৃষ্টিশীল নৃত্য আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১৯ জুন ৰবিবাৰে পুৱা ন বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। ক'-শাখা-প্ৰথম পৰা পঞ্চমলৈ। খ' শাখা-ষষ্ঠ পৰা দশমলৈ। বিষ্ণুপ্ৰসাদ ৰাভা সংগীত ঃ (নিৰ্বাচিত গীত) ক'-শাখা ১) আজি মন্দিৰৰ দুৱাৰ- ২) ৰৈ ৰৈ কেতেকী....৩) আজলী ছোৱালী... খ' শাখা- ১) আজি মন্দিৰৰ দুৱাৰ.. ২) মোৰ কবিতাৰ ছন্দ... ৩) এয়ে মোৰ শেষ গান... সৃষ্টিশীল নৃত্যৰ বাবে নিৰ্বাচিত গীত, ক-শাখা ১) বিলতে হালিছে, ২) টিলাই টিলাই, ৩) নিচলা আইৰে। খ' শাখা ১) বিশ্বৰ ছন্দে ছন্দে, ২) আজলী হিয়াৰ মাজে, ৩) নাহৰ ফুলে নুশুৱাই...। চিত্ৰাংকন প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগিতাৰ আগমুহূৰ্তত বিষয় ঘোষণা কৰা হ'ব। প্ৰতিযোগীয়ে আৱশ্যকীয় সামগ্ৰী নিজে আনিব লাগিব। গীতৰ বাবে সময় তিনি মিনিট, নৃত্যৰ বাবে- পাঁচ মিনিট আৰু চিত্ৰাংকনৰ বাবে ৩০ মিনিট সময় নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগীয়ে এশ টকা ভৰ্তি মাচুলসহ ১৮/৬/২৩ তাৰিখে যোগদান নিশ্চিত কৰিব লাগিব। প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ তলত উল্লেখ কৰা ফোন নম্বৰত যোগাযোগ কৰিব পাৰে। ৮৬৩৮৭৭১৪৩৩, ৬০০২০৯২৮৯০, ৭০০২৫৩৪৩২২, ৯৪৩৫২০৩২৩২, ৯১০১৪৩৩৩২৮, ৮৪৭২৮০৭৬৩৮।

# তামুলপুৰত ৰাভা জনগোষ্ঠীৰ কৃষি উৎসৱ বায়খো পূজা সাংস্কৃতিক সমাৰোহ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৭ জুন ঃ** প্ৰতিকূল বতৰকো নেওচি তামুলপুৰত উলহ-মালহেৰে কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় ৰাভা জনগোষ্ঠীৰ পৰম্পৰাগত বায়খো পূজা আৰু সাংস্কৃতিক সমাৰোহ । বায়খো হুৰি, অসমৰ উত্তৰ-পশ্চিম তামুলপুৰ শাখা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ জামুগুৰিত অনুষ্ঠিত পঞ্চম বাৰ্ষিক বায়খো পূজা আৰু সাংস্কৃতিক সমাৰোহৰ কাৰ্যসূচী অনুসৰি, পুৱা পূজা স্থাপনৰ পাছতেই উদ্‌যাপন সমিতিৰ সভাপতি লভি ৰাম ৰাভাই ধৰ্মীয় পতাকা উত্তোলন কৰে। ইয়াৰ পাছতেই গছপুলি ৰোপণ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। অবিভক্ত নলবাৰী জিলা ৰাভা সাহিত্য সভাৰ সভাপতি সুৰেণ ৰাভাই উদ্বোধন কৰা ধৰ্মালোচনী সভাখন সঞ্চালনা কৰে শিক্ষক মাধৱ ৰাভাই। বিয়লি চাৰি বজাত অনুষ্ঠিত ৰাভা কৃষ্টি প্ৰদৰ্শন উদ্বোধন কৰে ২৬ নম্বৰ দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিত গৌৰা নাৰ্জাৰীয়ে। ৰাভা জনগোষ্ঠীৰ বহুকেইটা কৃষ্টি দলে অংশগ্ৰহণ কৰা জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শনত সহস্ৰাধিক লোকে উপভোগ কৰে। সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলেনেৰে কাৰ্যসূচীৰ সমাপ্তি হয়। ৰাভা জনগোষ্ঠীৰ প্ৰধান কৃষিভিত্তিক উৎসৱ 'বায়খো উৎসৱ'। প্ৰতিকুল বতৰৰ মাজতে তামুলপুৰৰ জামগুৰীত কালি এদিনীয়া কাৰ্যসূচীৰে বায়খো উৎসৱ উদ্‌যাপন কৰা হয়। উল্লেখ্য যে প্ৰতিবছৰে ৰাভা জনগোষ্ঠীৰ লোকসকলে জেঠৰ পুৰ্ণিমা তিথিত পৰম্পৰাগতভাৱে পালন কৰি আহিছে কৃষিভিত্তিক উৎসৱ বায়খো পূজা। কৃষি কাৰ্যৰে জীৱন যাপন কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলে কৃষি কাৰ্য ভাল হোৱাৰ লগতে সমাজত অপায়- অমংগল আদি দূৰ হোৱাৰ কামনাৰে প্ৰতিবছৰে উদ্‌যাপন কৰি আহিছে বায়খো উৎসৱ। প্ৰবাদ অনুসৰি ৰাভা ৰজা দ'দান, মাৰুখেত্ৰী আদিয়ে যুদ্ধ বিগ্ৰহৰ ক্ষেত্ৰত প্ৰজাগণক শান্তি দিয়াৰ উদ্দেশ্যে বায়খো উৎসৱ পালন কৰিছিল আৰু তেতিয়াৰ পৰাই বায়খো উৎসৱ পালন কৰে।

# তেজপুৰত এনপিএছ কৰ্মচাৰীৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৭ জুন ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওপৰতে শেষ ভৰসা ৰাজ্যৰ লক্ষাধিক এনপিএছ কৰ্মচাৰীৰ। দেশৰ কে'বাখনো ৰাজ্যত এই নতুন পেঞ্চন আঁচনি বাতিল কৰাৰ দৰে ৰাজ্যৰ এনপিএছ কৰ্মচাৰীৰ ভৱিষ্যতৰ স্বাৰ্থত ৰাজ্যতো পুৰণি পেঞ্চন নীতি বাহালৰ দাবীত যোৱা ৰপ্ত জুনত ৰাজ্যজুৰি পালিত গণ স্বাক্ষৰ সংগ্ৰহ অভিযানৰ এক বিশেষ কাৰ্যসূচী তেজপুৰতো ৰূপায়ণ কৰে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাই। তেজপুৰত সন্থাৰ জিলা সমিতিয়ে একে দাবীৰ সমৰ্থনত অনুৰূপ কাৰ্যসূচী ৰূপায়ণ কৰি ৰাজ্যত পুৰণা পেঞ্চন নীতিকেই বলৱৎ কৰাৰ দাবী জনায়। উল্লেখ্য যে এই সন্দৰ্ভত ইতিমধ্যে ১২ জুনত ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰীৰে এক সৌহাৰ্দপূৰ্ণ আলোচনা অনুষ্ঠিত হৈ যায় এনপিএছ কৰ্মচাৰী সন্থাৰ। সেয়ে সন্থাই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ওপৰতে শেষ ভৰসা কৰিছে এইসকল কৰ্মচাৰীয়ে। তেওঁলোকৰ আশা যাতে আগন্তুক কম দিনৰ ভিতৰত এনপিএছ কৰ্মচাৰীৰ দীৰ্ঘদিনীয়া ন্যায্য প্ৰাপ্তি প্ৰদান কৰি লক্ষাধিক চৰকাৰী কৰ্মচাৰীৰ অন্ধকাৰাচ্ছন্ন ভৱিষ্যৎ পোহৰাই তোলে। উল্লেখ্য যে আজিৰ গণ স্বাক্ষৰ সংগ্ৰহ অভিযানৰ অন্তত দেশৰ প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ এনপিএছ কৰ্মচাৰী সন্থাই তেওঁলোকৰ দাবীৰ সমৰ্থনত শোণিতপুৰৰ উপায়ুক্তৰ জৰিয়তে পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কলেজ শিক্ষকৰ লগতে শিক্ষক তথা আন এনপিএছ কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে।

# আউনীআটী বিদ্যা নিকেতনৰ উদ্যোগত ডিব্ৰুগড় জিলা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৭ জুন ঃ** আউনীআটী বিদ্যা নিকেতনৰ উদ্যোগত আউনীআটী নামঘৰ পৰিচালনা সমিতি আৰু ৰামধেনু সাংস্কৃতিক মহিলা চ'ৰাৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে ১৯ আৰু ২০ জুনত বিষ্ণু প্ৰসাদ ৰাভা দিৱসৰ আয়োজন কৰিবলৈ লোৱা হৈছে। এই সংক্ৰান্তত আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত কালি আয়োজিত এখন সভাতেই ডিব্ৰুগড় জিলা ভিত্তিত এখন চিত্ৰাংকন প্ৰতিযোগিতা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিব্ৰুগড়ৰ পৰা স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আউনীআটী বিদ্যা নিকেতনৰ সভাপতি প্ৰণৱ কুমাৰ মাক্ৰাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত আউনীআটী নামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰেমকান্ত সোণোৱাল, ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি নোমল চন্দ্ৰ গগৈ, ৰামধেনু সাংস্কৃতিক মহিলা চ'ৰাৰ সম্পাদক ৰিণু বৰগোহাঞি, অশোক কুমাৰ দাস, ভৰেন সোণোৱাল, শান্তনু শৰ্মা, বিধু বৰকাকতি, বুলুমণি বৰুৱা, কুযেশ্বৰ গগৈ, অনিতা স্বৰ্গাৰী প্ৰমুখ্যে ভালেসংখ্য লোক উপস্থিত থাকি মতামত ব্যক্ত কৰে। আউনীআটী বিদ্যা নিকেতনৰ সম্পাদক সুমন দত্তই পৰিচালনা কৰা এই সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে ১৯ জুনত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতাৰ বাবে কোনো ধৰণৰ যোগদানৰ মাচুল নাথাকিব আৰু আৰ্ট পেপাৰ আয়োজক সমিতিৰ তৰফৰ পৰা যোগান ধৰা হ'ব। তদুপৰি ২০ জুনৰ মুকলি সভাতেই আউনীআটী বিদ্যা নিকেতনৰ বৈশিষ্ট্য তথা নিয়মাৱলী সন্দৰ্ভত প্ৰস্তুত কৰা পুস্তিকাখন উন্মোচন কৰি ৰাইজৰ বাবে মুকলি কৰি দিয়া হ'ব।

# ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হঠাৎ শিক্ষামন্ত্ৰী

## ■ ফলাফলক লৈ অসন্তুষ্টি মন্ত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১৭ জুন ঃ** এশ বছৰৰো অধিক পুৰণি ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি হঠাৎ উপস্থিত হয় ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। পৰিদৰ্শন কৰে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু পৰিৱেশ দেখি মুকলিকৈয়ে অসন্তুষ্টি প্ৰকাশ কৰে মন্ত্ৰীজনে। বিদ্যালয়খনৰ পৰা এইবাৰ ৪০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। বিদ্যালয়খনত আছে ৫৫ জনকৈ শিক্ষক। তেনে অৱস্থাত বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলক লৈ স্বভাৱিকতেই বিযোদগাৰ প্ৰকাশ কৰে মন্ত্ৰীজনে আৰু জবাবদিহি কৰে অধ্যক্ষাক। এই ফলাফল কোনো কাৰণতে মানি ল'ব নোৱাৰি বুলি কৈ মন্ত্ৰীজনে লগতে বিদ্যালয়খনৰ পৰা শিক্ষক কৰ্তনৰো হুমকি দিয়ে। বিদ্যালয়খনৰ পৰীক্ষাৰ ফলাফলক লৈ অসন্তুষ্টি প্ৰকাশ কৰা মন্ত্ৰীজনে অভিভাৱক সভা অনুষ্ঠিত কৰি আত্মবিশ্লেষণ কৰিবলৈয়ো অধ্যক্ষাৰ লগতে শিক্ষকসকলক নিৰ্দেশ দিয়ে।

# নগাঁৱৰ ৰিজাল্ট শূন্য কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত বিত্তীয় সন্দৰ্ভত বাতৰিৰ প্ৰভাৱ

## ■ তিনিদিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিলৰ নিৰ্দেশ উপায়ুক্তক

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নাৰী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্যৰ আন ঠাইৰ লগতে নগাঁও জিলাতো চৰকাৰে স্থাপন কৰা তিনিখনকৈ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ এইবাৰৰ মেট্ৰিক পৰীক্ষাৰ পুতৌজনক ফলাফলৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত স্বয়ং ৰাজ্যৰ শিক্ষামন্ত্ৰীজনে ক্ষুণ্ণ হৈ পৰিছে। আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত বিভাগীয় বিষয়া-কৰ্মচাৰীৰ স'তে হোৱা এক বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশিত বাতৰিৰ প্ৰসংগ উল্লেখ কৰি জিলাখনৰ বিভিন্ন স্থানত থকা কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ ৰিজাল্ট লৈ ক্ষোভিত হৈ পৰে। উল্লেখ্য যে আঠজনতকৈ অধিক শিক্ষক-কৰ্মচাৰী থকা লাওখোৱা আৰু জুৰীয়াত থকা কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত এইবাৰৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল প্ৰকাণ্ড শূন্য। আনহাতে, বটদ্ৰৱাত থকা বিদ্যালয়খনৰ ফলাফল অতি পুতৌজনক। মন্ত্ৰীজনে এই শোচনীয় ফলাফলৰ কাৰণ বিচাৰে। তদুপৰি, চৰকাৰী খণ্ডৰ এই আৱাসিক বিদ্যালয়কেইখনত বিগত সময়ছোৱাত বিত্তীয় অনিয়ম সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগৰ সন্দৰ্ভতো এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে। লগতে তেওঁ তিনিদিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈকো নিৰ্দেশ দিয়ে।

# বঙালমৰাত ৰাইজে ধৰিলে ড্ৰাগছ সৰবৰাহকাৰী শহুৰ-জোঁৱায়েকক

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১৭ জুন ঃ** ড্ৰাগছৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যজুৰি অসম আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ সময়তে ড্ৰাগছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে একাংশ লোক। যোৱা ১৫ জুনত লখিমপুৰৰ বঙালমৰা ইছলামপুৰত ৰাইজে খেদি কৰায়ত্ত কৰিলে ড্ৰাগছ সৰবৰাহকাৰী শহুৰ-জোঁৱায়েক। ইছলামপুৰ বেছাপট্টীৰ আতিকুল ইছলাম আৰু আৰ্জত আলী নামৰ সৰবৰাহকাৰী দুজনক ৰাইজে লপা থপা দি বিহপুৰীয়া আৰক্ষীক চমজাই দিয়ে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে সৰবৰাহকাৰী দুটাৰ বাসগৃহত অভিযান চলাই ১৩.৩২ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰে। উল্লেখ্য যে বিহপুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰাই আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও ৰোধ কৰিব পৰা নাই ড্ৰাগছৰ বেহা।

# নলবাৰীত কৃষক মৰ্চাৰ জনসম্পৰ্ক অভিযানৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৭ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ অষ্টম বৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ নিৰ্দেশ অনুযায়ী নলবাৰী জিলা কৃষক মৰ্চাই জিলাখনৰ আঠটা মণ্ডলত চোতাল বৈঠক আৰু জনসম্পৰ্ক অভিযান বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। যোৱা তিনিজুনৰ পৰা অনুষ্ঠিত হোৱা মৰ্চাৰ চোতাল বৈঠক আৰু জনসম্পৰ্ক অভিযানৰ যোৱা ১৫ জুনত সামৰণি পৰে। অভিযানৰ সময়ত জিলা কৃষক মৰ্চাৰ সভাপতি ৰেখান্ত দাস আৰু সাধাৰণ সম্পাদকদ্বয় নিপন ভৰালী, গোপেশ ভৰালী, উপ-সভাপতি প্ৰদীপ চৌধুৰীৰ লগতে জিলাৰ সকলো বিষয়ববীয়া আৰু কাৰ্যকৰ্তা উপস্থিত থাকি মত বিনিময় কৰে। বিশেষকৈ জনসম্পৰ্ক অভিযানত চৰকাৰী আঁচনি লাভ কৰা হিতাধিকাৰীসকলে কিমান উপকৃত হৈছে বা কিবা অসুবিধাত ভুগিছে নেকি সেই বিষয়ে আলোচনা কৰা হয়। এই চোতাল বৈঠক আৰু জনসম্পৰ্ক অভিযানত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদিকা ইন্দ্ৰাণী তহবিলদাৰ, অসম ৰাজ্যিক কৃষক মৰ্চাৰ কাৰ্যালয় সম্পাদিকা তৃষ্ণা দেৱী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অনুৰাগ চলিহাও উপস্থিত থাকে। জনসম্পৰ্ক অভিযানৰ মত বিনিময় অনুষ্ঠানটোৰ জৰিয়তে চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলৰ মনৰ অনুভূতি আৰু পৰিৱেশ তথা পৰিস্থিতিৰ বুজ লোৱাত হিতাধিকাৰীসকলে কৃষক মৰ্চাক ধন্যবাদ জ্ঞাপন কৰে।

# মটেৰঝাৰত পুখুৰীত বাগৰিল পাথৰ ভৰ্তি ডাম্পাৰ



**তামাৰহাট, ১৭ জুন ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত মটেৰঝাৰত ১৪ জুনৰ নিশা এখন পাথৰ ভৰ্তি ডাম্পাৰ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা এটা পুখুৰীত বাগৰি পৰে। প্ৰচণ্ড শব্দ শুনি স্থানীয় ৰাইজ দৌৰি আহি ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাত পতিত ডাম্পাৰখনৰ চালক আৰু হেণ্ডিমেনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এএছ-১৭ চি-৫৬৫৯ নম্বৰ ডাম্পাৰখনে গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ অঞ্চলৰ পৰা পাথৰ বোজাই কৰি কালি প্ৰস্তাৱিত ১২৭ (বি) ঘাইপথৰে শ্ৰীৰামপুৰৰ পৰা ভাৰত-বাংলাদেশ সীমান্তৰ সোণাহাট আন্তঃৰাষ্ট্ৰীয় বজাৰ অভিমুখে গৈ থাকোতে মটেৰঝাৰ নামৰ ঠাইত পথৰ দাঁতিত বাগৰি পৰে। মন কৰিবলগীয়া যে পথছোৱা মেৰামতিৰ দায়িত্বত থকা ঠিকাৰে ক্ৰটিপূৰ্ণভাৱে পথছোৱা মেৰামতি কৰাৰ বাবেই পথছোৱাত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। কাৰণ ঘাইপথৰ কাম আৰম্ভ হোৱাৰ আগে আগে পাগলাহাটৰ পৰা বালাজানলৈ থকা পথছোৱা মেৰামতিৰ দায়িত্ব লাভ কৰা ঠিকাদাৰজনে মাত্ৰ এখন গাড়ী কোনোমতে যাব পৰাকৈ পথছোৱা ঠেককৈ পকীকৰণ কৰিছে। ইয়াৰ উপৰি নিয়ম মতে পথৰ পকী অংশৰ দুয়োফালে শিল-বালি দি ৰোলাৰ কৰিব লাগিছিল, কিন্তু ঠিকাদাৰে আবন্টিত ধনৰাশি আত্মসাৎ কৰাৰ উদ্দ্যেশেৰে শিল-বালিৰ পৰিৱৰ্তে নামমাত্ৰ মাটি পেলাই দি কামৰ দায়িত্ব সামৰে। ফলত অলপ বৰষুণ দিলেই ৰাস্তাৰ দুয়ো কাষে থকা অংশ পিছল হৈ পৰে আৰু পথছোৱাৰে চলাচল কৰা যান-বাহনবোৰৰ চকা পকী অংশৰ পৰা অলপ নামি গ'লেই দুৰ্ঘটনাত পতিত হয়। সেয়ে অতি শীঘ্ৰে পথছোৱাৰ পকী অংশৰ দুয়ো ফালে শিল-বালি পেলাই ৰোলাৰ কৰি পথছোৱাৰে যাতায়াত সুচল কৰি তুলিবলৈ স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# বাদুলি পুখুৰী-ঢেকীয়ানি ভৰলুৱা পথত পুখুৰী সদৃশ গাঁত

## ■ স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো অৱহেলিত এই পথ

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১৭ জুন ঃ** টীয়ক সমষ্টিৰ অন্তৰ্গত বাদুলি পুখুৰী ঢেকীয়ানি পথটোৱে যমৰ যাতনা ভোগাইছে অঞ্চলবাসীক। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বাদুলিপুখুৰী- ঢেকীয়ানি ভৰলুৱা পথটো স্বাধীনতাৰ ৭৪ বছৰৰ পাছতো সামান্যতমো উন্নতি নহ'ল। ফলত প্ৰতিবছৰে বাৰিষা বৰষুণতে কদৰ্যৰূপ ধাৰণ কৰাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগা হৈছে। স্বাধীনতাৰ ৭৪ বছৰ গৰকাৰ পাছতো টীয়ক সমষ্টিৰ এই পথটো দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ বাবেই এনেদৰে কদৰ্যৰূপ ধাৰণ কৰিছে । পথটো মেৰামতি কৰিবৰ বাবে স্থানীয় জনপ্ৰতিনিধিক বাৰম্বাৰ আবেদন-নিবেদন কৰি ভাগৰিছে অঞ্চলবাসী। প্ৰতিবাৰেই এইবাৰ ৰাস্তাটো ধৰা হৈছে বুলি কৈ আহিছে কিন্তু নিৰ্মাণ হে হোৱা নাই। ইফালে, নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলে উক্ত পথটোক ইচ্ছু হিচাপে লয় যদিও নিৰ্বাচনৰ পাছত কোনো গুৰুত্ব আৰোপ নকৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে।



আনহাতে, ৰাইজে যাতায়াতৰ বাবে দীৰ্ঘদিন ধৰি গাঁঠিৰ ধন ভাঙি পথটো মেৰামতি কৰি আহিছে। সেয়েহে বিষয়টো ৰাজনৈতিক মেৰপাকত আবদ্ধ নকৰি ৰাইজৰ সুবিধাৰ্থে শীঘ্ৰেই পথটো নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছে।

অসম দাপোণ



# বাগৰি পৰিল নৱনিৰ্মিত বৰপেটা জিলা সত্ৰ ন্যায়াধীশ আদালত চৌহদৰ পকী দেৱাল

## নিৰ্মাণত বিসংগতিৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৭ জুন ঃ** বৰপেটা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পিছপিনে বৰপেটা আইন মহাবিদ্যালয়ৰ সমীপৱৰ্তী নৱ নিৰ্মিত বৰপেটা জিলা সত্ৰ ন্যায়াধীশ আদালত চৌহদৰ পূব পিনৰ বৃহৎ পকী দেৱালখন আৰু পুৱা প্ৰায় সাত বজাত বাগৰি পৰে। পুৰণি আদালত চৌহদত থকা সকলোবোৰ আদালত উপায়ুক্তৰ কাৰ্যালয়ৰ ওচৰৰ পৰা স্থানান্তৰ কৰাৰ লক্ষ্যৰে উপায়ুক্তৰ কাৰ্যালয়ৰ পিছপিনে নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱা জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতখন দুই-এমাহৰ ভিতৰতে উদ্বোধন কৰাৰ কথা আছিল যদিও চৌহদৰ পূব দিশৰ বৃহৎ পকী দেৱালখন বৰষুণৰ ফলত বাগৰি পৰাত মহা অথন্তৰে দেখা দিলে। নৱ নিৰ্মিত আদালত ভৱনটো উদ্বোধন কৰিব নৌপাওঁতে চৌহদৰ পকী দেৱাল ভাঙি পৰাক লৈ বৰপেটাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনহাতে আদালত ভৱন চৌহদৰ উত্তৰ দিশৰ দেৱালতো বৃহৎ ফাঁট মেলিছে আৰু যথেষ্ট হালি গৈছে। অনুপম শৰ্মাৰ মালিকানাধীন অনুপম কনষ্ট্ৰাকছনৰ অধীনত চলি আছিল আদালত ভৱনটোৰ নিৰ্মাণৰ কাম। প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মাণ আদালত ভৱনৰ চৌহদৰ পকী দেৱালখন কিদৰে নিৰ্মাণৰ পাছতেই খহি পৰিল তাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দেৱালখন খহি পৰাৰ ফলত কে'বাটাও বিদ্যুতৰ খুঁটা আৰু ট্ৰেন্সফৰ্মাৰ এটা আইন মহাবিদ্যালয়ৰ পুখুৰীৰ পানীত বুৰ গৈছে। ইপিনে, দেৱালৰ লগতে নিৰ্মীয়মাণ পকী নলাটোও বাগৰি পৰিছে। নিৰ্মাণ সংস্থাটোৰ অভিযন্তা প্ৰহ্লাদ মহন্তই প্ৰৱল বৰষুণৰ বাবেই দেৱালখন ভাঙি পৰা বুলি মন্তব্য কৰিছে। নৈশ চকীদাৰ অনুপ দত্তই জনোৱা মতে, নিশা প্ৰায় ২.৩০ বজাৰ পৰা দেৱালখনৰ শব্দ শুনিবলৈ পাইছিল আৰু পুৱা প্ৰায় সাত বজাত বাগৰি পৰিছিল। কোনো নদীৰ পানীৰ প্ৰভাৱ নপৰাকৈ কেৱল বৰষুণৰ বাবে এখন মজবুত দেৱাল ভাগি পৰাক লৈ ৰাইজৰ মাজত বহু প্ৰশ্নৰ উদয় হৈছে। প্ৰত্যক্ষদৰ্শী ৰাইজে দেৱাল নিৰ্মাণত ব্যাপক বিসংগতি থকা বুলি সন্দেহ প্ৰকাশ কৰিছে।



# ৰাহুল গান্ধীক ইডিৰ জেৰা নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ইডিয়ে জেৰা কৰি হাৰাশাস্তি কৰাৰ প্ৰতিবাদত আজি নগাঁও জিলা কংগ্ৰেছৰ উদ্যোগত নগাঁও চহৰত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে ৰাহুল গান্ধীক হাৰাশাস্তি কৰা তথা দিল্লীৰ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আৰু অসম প্ৰদেশ কংগ্ৰেছ কাৰ্যালয়ত আৰক্ষীৰ অত্যাচাৰৰ অভিযোগ তুলি কংগ্ৰেছ কৰ্মীসকলে আজি সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে সমদল কৰি আগবাঢ়োতেই কাৰ্যালয়টোৰ সন্মুখতে আৰক্ষীয়ে নেতা-কৰ্মীসকলে 'ৰাহুল গান্ধী জিন্দাবাদ, কংগ্ৰেছ জিন্দাবাদ, অসম পুলিচ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ' আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰা আৰু বিধায়ক নুৰুল হুদাই বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে সমালোচনাত মুখৰ হৈ পৰে।

# কলিয়াবৰত পথ দুৰ্ঘটনাত নিহত তেল পৰিবাহী টেংকাৰৰ চালক

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৭ জুন ঃ** কলিয়াবৰত আজি পুৱা সংঘটিত হয় এক পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণহীন গতিবেগৰ বাবেই নিয়ন্ত্ৰণ হেৰুৱাই তেল টেংকাৰে মহটিয়ালে ঘাইপথৰ দাঁতিৰ এটা বাটচ'ৰা। জখলাবন্ধাৰ ৰাঙলুৰ ৩৭ নম্বৰ ঘাইপথত পুৱা সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনাটো। গুৱাহাটীৰ পৰা যোৰহাট অভিমুখী তেল টেংকাৰখন সৌভাগ্যক্ৰমে খালী আছিল, ফলত এক ভয়ংকৰ ঘটনাৰ পৰা ৰক্ষা পৰে অঞ্চলটো। দুৰ্ঘটনাত পতিত টেংকাৰখনৰ নম্বৰ এনএল-০১ এএ-৪৬২১। পুৱাৰে পৰা অব্যাহত মুষলধাৰ বৰষুণৰ ফলতে নিয়ন্ত্ৰণ হেৰুৱাই ঘাইপথৰ দাঁতিৰ বাটচ'ৰাটোত প্ৰচণ্ড জোৰে খুন্দা মৰাৰ ফলতে দুৰ্ঘটনাটো সংঘটি হোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত বহু সময় ধৰি তেল টেংকাৰৰ ভিতৰতে আবদ্ধ হৈ থাকে চালকজন। পৰৱৰ্তী সময়ত চালকজনক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি জখলাবন্ধা আৰক্ষীয়ে জখলাবন্ধা চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত চালকজন মহেশ চন্দ্ৰ দাস বুলি চিনাক্ত কৰিছে আৰক্ষীয়ে।

## তিনিখন গ্ৰন্থ উন্মোচন

# ৰহাত ৰূপকোঁৱৰৰ ওপজা দিন উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**


**ৰহা, ১৭ জুন ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে ৰহাতো আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱস ৰহা শাখা সাহিত্য সভাৰ উদ্যোগত উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে ৰহা পণ্ডিত গোপীনাথ বৰদলৈ বিদ্যাপীঠত অনুষ্ঠিত অনুষ্ঠানৰ পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ৰহা শাখা সাহিত্য সভাৰ সভাপতি ঘনশ্যাম নাথে, বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি তথা সাংবাদিক সুভাষ ডেকা আৰু স্মৃতি তৰ্পণ কৰে তিৱা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা উপ-সভাপতি প্ৰহলাদ কুমাৰ মছৰঙে। দুপৰীয়া সমবেত সংগীতৰে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে ৰহা শাখা সাহিত্য সভাৰ সভাপতি ঘনশ্যাম নাথে। সভাত অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহলাদ চন্দ্ৰ তাছা, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, বিশিষ্ট শিক্ষাবিদ হিৰণ্য নাৰায়ণ বৰাকে আদি কৰি বহু কেইজন ব্যক্তিয়ে। লক্ষী প্ৰসাদ ডেকা আৰু অপূৰ্ব কুমাৰ বৰুৱাই আঁতধৰা উক্ত মুকলি সভাতে ৰসধৰ বৰদলৈৰ। 'কবিতা কলি', ভুৱন চন্দ্ৰ দাসৰ 'এঁকা বেঁকা বাটেৰে মোৰ জীৱন ৰথ' আৰু মুনীন্দ্ৰ কুমাৰ বৰদলৈৰ 'চিনাকি কবিৰ কবিতা' নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়।

# গোসাঁইগাঁৱৰ ফুলকুমাৰী গাঁৱত জৰাজীৰ্ণ দলঙৰ পৰা নৈত পৰি যুৱক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৭ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ তুলসীবিল আৰক্ষী চকীৰ অন্তৰ্গত এক নম্বৰ ফুলকুমাৰী গাঁৱত এখন জৰাজীৰ্ণ দলঙৰ পৰা পৰি টিপকাই নদীত এজন যুৱক সন্ধানহীন হৈ পৰে। যুৱকজন কোকৰাঝাৰ জিলাৰ টিপকাই আৰক্ষী চকীৰ অন্তৰ্গত মংলাঝোৰাৰ আক্সিঝোৰা গাঁৱৰ নিবাসী সুনিৰাম হাছদা (২৭)। যুৱকজন আন এজন সতীৰ্থৰ স'তে নিশা মংলাঝোৰাৰ পৰা ভোগঝোৰা গাঁৱলৈ আহোতে ফুলকুমাৰী গাঁৱত জৰাজীৰ্ণ দলঙৰ পৰা পৰি সন্ধানহীন হৈ পৰে যদিও আন এজন কথমপি ৰক্ষা পৰে। এফালে বিধ্বস্ত দলং আৰু আনপিনে ফেনে ফোটোকাৰে বাঢ়ি অহা পানীৰ ধলে যুৱকজনক মুহূৰ্ততে উটুৱাই নিয়ে। নিশা নদীৰ পানী বৃদ্ধি পোৱাত দলংখন বাঢ়নী পানীয়ে উটুৱাই নিয়াত যোগাযোগ ব্যৱস্থা বন্ধ হৈ পৰে। খবৰ পাই তুলসীবিল আৰক্ষী চকীৰ আৰক্ষীৰ এটি দলে যোৱা নিশাৰ পৰাই এছডিআৰএফৰ সহায়ত উদ্ধাৰ অভিযান চলাই যদিও পানীত পৰা যুৱকজনৰ কোনো শুংসূত্ৰ পোৱা নাই। আজিও এছডিআৰএফে পুনৰায় নদীত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে যদিও এতিয়াও নিৰুদ্দিষ্ট যুৱকজনক জীৱিত বা মৃত অৱস্থাত উদ্ধাৰ কৰিব পৰা নাই। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা দলংখন মৰণফান্দত পৰিণত হৈ আছে যদিও চৰকাৰে কোনো ব্যৱস্থা নোলোৱাৰ বাবেই কালি এনে মৰ্মান্তিক ঘটনাটো সংঘটিত হৈছে বুলি গাঁওবাসীয়ে অভিযোগ কৰিছে।

# জামুগুৰিহাটৰ ভোট জলকীয়াৰ খেতিয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰিছে সমাদৰ



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৭ জুন ঃ** জামুগুৰিহাটৰ মৰিসুঁতিত উৎপাদন কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিটা বিশেষ প্ৰজাতিৰ ভোটজলকীয়াই বজাৰত লাভ কৰিছে বিশেষ সমাদৰ। সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে অষ্ট্ৰেলিয়ান চিটু, অসম টু, এছ ওৱান চিটু নামৰ ভোট জলকীয়া কেইবিধ বজাৰত ক্ৰয় কৰিবলৈ এতিয়া হেতা-ওপৰা কৰে ক্ৰেতাই। জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ মৰিসুতিৰ যুৱ কৃষক জীৱন গুৰুংয়ে কৃষি বিভাগৰ প্ৰশিক্ষণ তথা সহযোগিতাৰ অবিহনেই উৎপাদন কৰিছে এইকেইবিধ ভোট জলকীয়া। কম মাটিতে অধিক পৰিমাণে উৎপাদন কৰা এই নতুন প্ৰজাতিৰ ভোট জলকীয়া খেতি কৰি নতুন প্ৰজন্মৰ খেতিয়ক উপকৃত হ'ব পৰাৰ থ'ল আছে বুলি মন্তব্য কৰিছে যুৱ কৃষক জীৱন গুৰুংয়ে। যুৱ কৃষকজনে আৰু জানিবলৈ দিয়া মতে, অসমৰ মাটি ভোট জলকীয়া খেতিৰ বাবে অতিকৈ উপযুক্ত। চৰকাৰী সা-সুবিধা লাভ কৰিলে অসমৰ যুৱ প্ৰজন্মই অন্যান্য কৃষি কৰ্মৰ লগতে এই ভোট জলকীয়া খেতিতো মনোনিৱেশ কৰি আত্মসংস্থাপনৰ বাট মোকলাব পাৰে। উল্লেখ্য যে জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ উৎপাদন হোৱা ভোট জলকীয়াই পূৰ্বেতে ইতিমধ্যে অত্যধিক জলা জলকীয়াৰূপে পৰিচয় পাবলৈ সক্ষম হোৱাৰ লগতে এই অঞ্চলত উৎপাদন হোৱা নেমু অসমৰ প্ৰায়সমূহ জিলালৈ ৰপ্তানি হোৱাৰ লগতে বহিঃৰাজ্যলৈ ৰপ্তানি হৈছে।

## উদ্‌যাপনৰ উদ্দেশ্যেৰে ৰাজহুৱা সভা

# শেনছোৱা মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ



**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১৭ জুন ঃ** শেনছোৱা মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতিৰ উদ্দেশ্যৰে আজি বিদ্যালয়খনৰ সভা কামত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক জাপান বৰুৱাই সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক বাবুল ফুকনে। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ ওপৰত বক্তব্য ৰাখে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বৰুৱা, উমেশ শইকীয়া, ভানু হাজৰিকা, গোপীনাথ ফুকন, প্ৰতাপ হাজৰিকা প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে। উক্ত সভাতে ৰাইজৰ সৰ্বসন্মতিক্ৰমে প্ৰদীপ বৰুৱাক সভাপতি, ধন বৰুৱাক কাৰ্যকৰী সভাপতি, বাবুল ফুকনক সম্পাদক, ভৰত হাজৰিকাক সহকাৰী সম্পাদক, ইন্দ্ৰ গগৈক কোষাধ্যক্ষ, স্মিতা লাহাক সাহিত্য সম্পাদিকাৰূপে লৈ ২১ জনীয়া শেনছোৱা মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি গঠন কৰা হয়। ১৯৭০ৰ পহিলা জানুৱাৰীত প্ৰতিষ্ঠা হোৱা শেনছোৱা মজলীয়া বিদ্যালয় ২০২৩ৰ পহিলা জানুৱাৰীত ৫০ বছৰত ভৰি দিব। বিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ২০২৩ৰ ফেব্ৰুৱাৰীৰ দ্বিতীয় সপ্তাহত আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

# ডিগবৈ কালিবাৰী হাউছিং অঞ্চলত অগ্নিকাণ্ড



## অগ্নিকাণ্ডত যৌথ পৰিয়ালৰ কে'বালাখো টকাৰ সা-সম্পত্তি ভস্মীভূত

**ডিগবৈ, ১৭ জুন ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত তৈলনগৰী ডিগবৈ চহৰৰ গাতে লাগি থকা কালিবাৰী হাউছিং অঞ্চলত আজি দিনৰ প্ৰায় ১০ বজাত সংঘটিত হয় এক অগ্নিকাণ্ডৰ ঘটনা। কালিবাৰী হাউছিং অঞ্চলৰ নিবাসী, যৌথ পৰিয়াল প্ৰকাশ গুপ্তা আৰু লাল গুপ্তাৰ বাসগৃহত এল পি জি গেছ চিলিণ্ডাৰৰ পৰা অকস্মাতে অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ বাসগৃহটো জুইৰ লেলিহান শিখাই সম্পূৰ্ণৰূপে আৱৰি ধৰে। আকস্মিকভাৱে সংঘটিত অগ্নিকাণ্ডৰ ফলত যৌথ পৰিয়ালটোৰ বাসগৃহৰ ভিতৰত থকা কে'বা লক্ষাধিক টকাৰ মূল্যবান সা-সামগ্ৰী জুইত জাহ যায়। পৰৱৰ্তী সময়ত ডিগবৈ অসম তেল সংমণ্ডলৰ অগ্নি নিৰ্বাপক বাহিনীৰ বাহনে প্ৰায় এঘণ্টা জোৰা নেৰানেপেৰা প্ৰচেষ্টাৰ পাছত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। সৌভাগ্যবশতঃ অগ্নিকাণ্ডৰ ফলত পৰিয়ালৰ কোনো লোক হতাহত হোৱা নাই।

# শিমলুগুৰিৰ দিজৈখনা জানত ৰাসায়নিক পদাৰ্থ ঃ মাছৰ মৃত্যু

## তীব্ৰ প্ৰতিক্ৰিয়া



**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ১৭ জুন ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি নগৰৰ মাজেৰে বৈ যোৱা ঐতিহাসিক দিজৈখনা জানত এটা উদ্যোগৰ পৰা গেদেৰী তেল জাতীয় ৰাসায়নিক পদাৰ্থ পেলাই দিয়াৰ ফলত বিভিন্ন প্ৰজাতিৰ মাছৰ মৃত্যু হোৱা ঘটনাই শিমলুগুৰিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিমলুগুৰিৰ ৰেলৱে ক্ৰ'ছিঙৰ সমীপৰ 'মছকৰা' নামৰ ব্যৱসায়ীজনৰ মাটিত ভাড়াতীয়াৰূপে থকা অ'এনজিচিৰ এটা ৰাসায়নিক গুদামৰ পৰা প্ৰায়ে জানটোত ৰাসায়নিক পদাৰ্থ পেলাই থকাৰ অভিযোগ উঠি আহিছে। এনে ৰাসায়নিক সামগ্ৰীৰ প্ৰকোপত জানটোত থকা বিভিন্ন প্ৰজাতিৰ থলুৱা মাছৰ মৃত্যু হোৱাৰ লগতে এনে মৰা মাছ খাই হাঁহ-কুকুৰাৰ মৃত্যু হোৱাৰ লগতে জানটোৰ পানী স্থানীয় ৰাইজে ব্যৱহাৰ কৰাত বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। এই সংক্ৰান্তত স্থানীয় ৰাইজে আৰক্ষীক অৱগত কৰাৰ লগতে মহকুমা প্ৰশাসনক বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে।

# তিতাবৰ আছুৰ পৰা বহিষ্কাৰ

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১৭ জুন ঃ** যোৰহাট জিলাৰ তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চানী ৰাজখোৱাক তৎক্ষণাত কাৰ্যকৰী হোৱাকৈ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাথমিক সদস্য পদৰ পৰা বহিষ্কাৰ কৰা হৈছে। অসাংবিধানিক কাৰ্যকলাপত জড়িত হোৱাৰ লগতে তেওঁৰ ওপৰত কেতবোৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন হোৱাত তেওঁক বহিষ্কাৰ কৰা হৈছে বুলি এক বিবৃতিযোগে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই অৱগত কৰিছে। ভৱিষ্যৎ দিনত ছাত্ৰ সন্থাৰ কোনো বিষয়ত বহিষ্কৃত চানী ৰাজখোৱাৰ স'তে যোগাযোগ নকৰিবলৈ সকলোকে আহ্বান জনাইছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই।

# আমতোলাত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৭ জুন ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত আমতোলাত আজি জলাশয় এটাৰ পৰা চাইকেল আৰোহী এজনৰ মৃতদেহ উদ্ধাৰ হয়। আমতোলাৰ পথৰ দাঁতিত পানীৰে উপচি পৰা জলাশয়টোৰ পৰা স্থানীয় লোকে উদ্ধাৰ কৰা যুৱকজন বিক্ৰম ৰায় (২৫) বুলি জানিব পৰা গৈছে। স্থানীয় লোকে জনোৱা মতে, বিক্ৰমে আজি পুৱাৰ ভাগত চাইকেল চলাই থকা অৱস্থাত বিক্ৰমৰ দুৰ্ঘটনাজনিত কাৰণত সলিল সমাধি ঘটে। পাছত আৰক্ষী উক্ত স্থানত গৈ মৃতদেহটো উদ্ধাৰ কৰে।

# অগৰু গছত কৃত্ৰিমভাৱে ভেঁকুৰ সংৰোপণৰ প্ৰশিক্ষণৰ বাবে বিদেশলৈ বিজ্ঞানী ড° ৰাজীৱ বৰা

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৭ জুন ঃ** অগৰু গছত কৃত্ৰিমভাৱে ভেঁকুৰ সংৰোপণৰ দ্বাৰা অগৰু উৎপাদন কৰি দেশে-বিদেশে খ্যাতি অৰ্জন কৰা যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী ড° ৰাজীৱ বৰাক প্ৰশিক্ষণ প্ৰদানৰ কাৰণে নেপাল চৰকাৰে নিমন্ত্ৰণ জনাইছে। প্ৰাকৃতিকভাৱে অগৰু নথকা আগৰ গছত কিদৰে বেজী দি কৃত্ৰিমভাৱে অগৰু তেল উৎপন্ন কৰিব পাৰি সেই সম্পৰ্কে উদ্ভিদ বিজ্ঞানীজনে নেপালৰ দামুলী নামৰ ঠাইত অগৰু গছৰ কৃষকক প্ৰশিক্ষণ প্ৰদান কৰিব। কাইলৈৰ পৰা তেওঁ এই প্ৰশিক্ষণ প্ৰদান কৰিব। উল্লেখ্য যে বিজ্ঞানীজনে উলিওৱা কৃত্ৰিম ভেঁকুৰ ইতিমধ্যে ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠানে ক্ৰয় কৰাত যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান লাভান্বিত হৈছে। প্ৰথমবাৰৰ বাবে এই ভেঁকুৰ বিদেশলৈ ৰপ্তানি হ'ব। স্মৰ্তব্য যে ২০০৬ৰ পৰা গৱেষণা কৰি ২০০৯ত বিজ্ঞানী ড° বৰাই প্ৰাকৃতিকভাৱে অগৰু তেল উৎপাদন নোহোৱা আগৰ গছত কৃত্ৰিমভাৱে সংৰোপণ কৰিব পৰা এই ভেঁকুৰ উলিয়াইছিল। কে'বা বছৰো বিভিন্নধৰণে প্ৰায়োগিক ব্যৱহাৰ কৰি সফলতা লাভ কৰাৰ পাছত ২০২১ৰ ১৯ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যৱসায়ৰ কাৰণে এই ভেঁকুৰৰ আৰম্ভ কৰে। ইয়াৰ পাছত দেশৰ বিভিন্ন প্ৰতিষ্ঠানে এই ভেঁকুৰ ক্ৰয় কৰাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰে। পনীয়া আৰু মিশ্ৰণ অৱস্থাত ইয়াক পোৱা যায়। আগৰ কৃষিৰ বিশেষজ্ঞ ড° বৰাই ইতিমধ্যে দেশৰ বিভিন্ন আগৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে মালয়েছিয়া, টাইৱান আদি দেশৰ সন্মিলনটো ভাগ লৈছে। অসম চৰকাৰে শেহতীয়াকৈ আগৰৰ ক্ষেত্ৰত থকা বিভিন্ন বাধা শিথিল কৰাৰ পাছত আগৰ কৃষিৰ প্ৰসাৰতা বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতৰ অন্যান্য স্থানটো আগৰ কৃষিৰ সমাদৰ বৃদ্ধি পাইছে। পনীয়া সোণৰূপে খ্যাত আগৰ উদ্ভিদৰ কৃষি কৰ্মই অসমৰ অৰ্থনৈতিক দিশ সবল কৰাৰ সম্ভাৱনা কঢ়িয়াই অনাৰ সময়ত ড° বৰাৰ উদ্ভাৱনে গুৰুত্ব লাভ কৰিছে।

# নগাঁৱত দুদিনীয়াকৈ ৰাভা দিৱসৰ আয়োজন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নগাঁও জিলা বাৰ্তাজীৱী সংঘ আৰু নগাঁও ইলেক্ট্ৰনিক মিডিয়া এছ'চিয়েচনৰ উদ্যোগত অহা ২০ আৰু ২১ জুনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ২০ জুনত নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সদৌ অসম ভিত্তিত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কুইজ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত থুলাই বৰা সোঁৱৰণত নগদ ১১,১১১ টকা আৰু মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত নৰেন্দ্ৰ নাথ বৰদলৈ আৰু সুৱৰ্ণ বালা বৰদলৈ সোঁৱৰণত নগদ ৭,৭৭৭ টকা আৰু মানপত্ৰ আৰু তৃতীয় পুৰস্কাৰ প্ৰয়াত ভূধৰ মেধি আৰু প্ৰয়াত গুণেমাই মেধিৰ সোঁৱৰণত নগদ ৫,৫৫৫ টকা আৰু মানপত্ৰ কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলে ৯১০১৪০১৫৭৬ আৰু ৬০০৩৪০১৫০৩ নম্বৰত যোগাযোগ কৰিব পাৰিব। আনহাতে, ২১ জুনত নগাঁও জিলা পুথিভঁৰালত অপু ভৰদ্বাজৰ গল্পৰ আধাৰত হিমাংশু প্ৰসাদ দাসৰ পৰিচালনাৰ এখন ব্যতিক্ৰমী নাটক 'মাংস' প্ৰদৰ্শিত হ'ব। আয়োজক সমিতিয়ে ৰাভা দিৱসৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

## শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগক ৰাইজৰ দাবী

# নগৰবেৰা-গুমী সংযোগী মথাউৰিৰ টুপামাৰীত খহনীয়া

**আলোপতি, ১৭ জুন ঃ** নেৰানেপেৰা বৰষুণৰ লগতে ব্ৰহ্মপুত্ৰৰ সুঁতিৰ বাঢ়নী পানীয়ে তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে কামৰূপ জিলাৰ নগৰবেৰা-গুমী সংযোগী ইএণ্ডডি মথাউৰিৰ টুপামাৰী অঞ্চলত। প্ৰায় ৫০ বছৰ পুৰণি এই বৃহৎ মথাউৰিটোৱে জিলাখনৰ লক্ষাধিক পৰিয়ালক বানপানীৰ পৰা সুৰক্ষা দিয়াৰ লগতে অঞ্চলটোৰ কৃষকসকলক উপকৃত কৰাৰ উপৰি নগৰবেৰাৰ পৰা সোণতলী হৈ গুমীলৈ যোৱা অন্যতম ব্যস্ত পথ হিচাপে ব্যৱহাৰ কৰি আহিছে। কিন্তু মথাউৰিটোৰ উন্নয়ন আৰু মেৰামতিৰ বাবে যিমানখিনি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল বিগত দিনত সেইখিনি কৰা নহ'ল। সম্প্ৰতি জলসম্পদ বিভাগৰ অৱহেলাৰ বাবেই আতংকত দিন কটাবলগীয়া হৈছে শ শ পৰিয়াল। বিগত দুই-তিনি বছৰে মথাউৰিটোৰ বকো সমষ্টিৰ ভিতৰত থকা অংশখিনিৰ প্ৰয়োজনীয় মেৰামতি নকৰাৰ বাবে প্ৰতিটো বানে মথাউৰিটোৰ বিভিন্ন অংশ খহাই নিয়া পৰিলক্ষিত হৈছে। শেহতীয়াকৈ হৈ থকা নেৰানেপেৰা বৰষুণৰ লগতে ব্ৰহ্মপুত্ৰৰ সুঁতি নৈৰ বাঢ়নী পানীয়ে পুনৰ ভাবুকি সৃষ্টি কৰিছে মথাউৰিটোলৈ। যোৱা কেইদিন ধৰি মথাউৰিটোৰ কে'বা অংশৰ লগতে জিলাখনৰ অন্যতম বৃহৎ বজাৰ হিচাপে বিবেচিত টুপামাৰী বজাৰৰ নিচেই কাষতে থকা মথাউৰিটোৰ এটা অংশ খহাই নি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। যিকোনো মুহূৰ্ততে মথাউৰিটো ছিঙি নিয়াৰ সম্ভাৱনা ব্যক্ত কৰিছে স্থানীয় লোকে। মথাউৰিটোৰ এনে অৱস্থা দেখি আতংকিত হৈ পৰিছে ওচৰ-পাঁজৰৰ পৰিয়ালৰ লোকসকল। ইপিনে, বজাৰখনৰ প্ৰতিও আহিছে ভাবুকি। খহনীয়াই বৃহৎ মথাউৰিটোলৈ তীব্ৰ ভাবুকি কঢ়িয়াই অনাত চিন্তিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। শীঘ্ৰে মথাউৰিটোৰ খহনীয়া হোৱা স্থানসমূহ মেৰামতিৰ পদক্ষেপ হাতত ল'বলৈ জিলা প্ৰশাসনৰ লগতে জলসম্পদ বিভাগক অঞ্চলটোৰ ৰাইজে দাবী জনাইছে।



# কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতিৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৭ জুন ঃ** সদৌ বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি তথা প্ৰাক্তন সাধাৰণ সম্পাদক মিলন ৰায়ৰ কালি বিয়লি বানপানীৰ কবলত পৰি এক মটৰ চাইকেল দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাত সন্থাই গভীৰ শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাৰ ভোটগাঁও-মোকৰাপাৰা নিবাসী ৫০ বছৰীয়া ৰায়ে এক বিশেষ কাম কৰি টিলাপাৰাৰ পৰা মটৰ চাইকেলেৰে উভতি আহোতে ৰাস্তাৰ ওপৰেৰে বৈ যোৱা খৰস্ৰোতা পানীত মটৰ চাইকেলসহ পিছলি দ' খাৱৈত পৰি অকাল মৃত্যুক সাবটি লৈছিল। উপ-সভাপতিজনৰ এনে অকাল মৃত্যুত বিটিআৰ কোচ ৰাজবংশী সন্মিলনীয়ে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ এই মৃত্যু জাতিটোৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। শোক বাৰ্তাত ছাত্ৰ জীৱনৰে পৰা কোচ ৰাজবংশী নজনগোষ্ঠীৰ উত্তৰণৰ হকে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা ৰায়ৰ বিদেহী আত্মাৰ চিৰশান্তিৰ কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। লগতে জাতিৰ প্ৰতি তেওঁৰ কৰ্মৰাজিক সন্মান জনাই কেন্দ্ৰীয়, জিলা, আঞ্চলিক তথা শাখা কাৰ্যালয়সমূহত অহা ১৯ জুনলৈ সন্থাৰ পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব বুলি সদৰী কৰিছে।



# অগ্নিপথ আৰু জলপথ

**দিল্লীৰ** ৰাজসভাত বহি বাদশ্বাহ গভীৰ চিন্তাত মগ্ন হৈ আছে। মাজে মাজে টিভিটোলৈ চায়, টিভিত আখামৰ ফ্লাড চায় আৰু পুনৰ গালত হাত দি চিন্তা কৰিবলৈ ধৰে। এজন এজনকৈ সভাসদসকল আহিল। সোমাই আহি বাদশ্বাহক সিংহাসনত বহি থকা দেখি সভাসদসকলে ভাবি ল'লে যে আজি কথা বিষম। ডাঙৰ লেঠা লাগিছে। নহ'লে ৰাজসভাত বাদশ্বাহে ইমান আগেয়ে আহি বহি নাথাকে। আটায়ে আহি নিজৰ নিজৰ আসন গ্ৰহণ কৰাৰ লগে লগে বাদশ্বাহে টিভিটোলৈ চাই চাই আৰম্ভ কৰিলে, 'তোমালোকে নিউজ চাইছানে?'

ঃ চাইছো জাহাপনা।
ঃ কিহৰ নিউজ চাইছা?
ঃ সব চেনেলৰে নিউজ চাইছো জাহাপনা।
ঃ চেনেলৰ কথা সোধা নাইহে!
ঃ তেন্তে?
ঃ কি ধৰণৰ নিউজ চাইছা?
ঃ অগ্নিপথৰ নিউজ চাইছো জাহাপনা।
ঃ কি চাইছা?
ঃ বহুত প্ৰতিবাদ হৈছে।
ঃ কেনে প্ৰতিবাদ?
ঃ ৰেলত জুই লগাই দিছে।
ঃ আৰু?
ঃ বাছত জুই লগাই দিছে।
ঃ আৰু কি কৰিছে?
ঃ ৰেল লাইন উঘালি পেলাইছে।
ঃ আৰু?
ঃ আমাৰ অফিচত জুই লগাই দিছে।
ঃ আৰু?



ঃ আমাৰ মানুহৰ গাড়ীত শিল মাৰিছে।
ঃ কোনে কৰিছে এইবোৰ?
ঃ ল'ৰাবোৰে কৰিছে জাহাপনা।
ঃ কিয় কৰিছে?
ঃ খঙতে কৰিছে জাহাপনা?
ঃ কিয় ইমান খং?
ঃ চাৰি বছৰীয়া জোৱানৰ চাকৰি! চাৰি বছৰ পাছত কি কৰিব, তাকে লৈ চিন্তা।
ঃ এতিয়া কি হ'ব?
ঃ কৃষি কানুনৰ দৰে হ'ব যেন লাগিছে জাহাপনা।
ঃ মানে?
ঃ মানে পুৱাতে উঠি মুখখন ধুয়ে আপুনি যেনেকৈ কৃষি কানুন বাতিল কৰি দিছিল, অগ্নিপথো বাতিল কৰি দিব যেন লাগিছে।

বাদশ্বাহে দাড়িকিডাল হাতেৰে মোহাৰি পুনৰ টিভিটোলৈ চালে আৰু ক'লে, 'আখামৰ নিউজবোৰ চাইছানে?' সমূহ সভাসদে একেলগে ক'লে, 'নাই চোৱা জাহাপনা!'

উত্তৰটো শুনিয়ে বাদশ্বাহৰ খং উঠি গ'ল— 'কেনেকুৱা মানুহহে তোমালোক?'

ঃ কি হ'ল জাহাপনা?
ঃ তোমালোকে আচল খবৰবোৰ কিয় নেচোৱাহে?
ঃ কি আচল খবৰ জাহাপনা?
ঃ আখামত কিমান পানী হৈছে গম নোপোৱা?
ঃ গম পাওঁ জাহাপনা।
ঃ গুৱাহাটী ডুবি গৈছে।
ঃ হয় জাহাপনা।
ঃ ৰাস্তা-দলং ভাঙি তহিলং কৰিছে পানীয়ে।
ঃ হয় জাহাপনা।
ঃ মথাউৰিও ভাঙিছে।
ঃ হয় জাহাপনা।

এজন সভাসদে থিয় হৈ ক'লে— 'আখামততো এইবোৰ ঘটিয়ে থাকে জাহাপনা!' বাদশ্বাহে ক'লে— 'আগেয়ে যি হৈছিল হৈছিল। এতিয়া কিন্তু আমাক আখামেই বচাব লাগিব!'

ঃ আখামে কেনেকৈ বচাব জাহাপনা?
ঃ চাৰিওফালে অগ্নিপথক লৈ হাংগামা হোৱা নাই জানো?
ঃ হৈছে।
ঃ আখামৰ পথবোৰ আকৌ জলপথ হৈ গৈছে।
ঃ হয় জাহাপনা।
ঃ অগ্নিপথক জলপথেদি পাৰ কৰাই দিব পাৰিলে অগ্নি নিৰ্বাপিত হ'লহেঁতেন বুজিছা।

# পূব নলবাৰীৰ কৃষিভূমি-কালভাৰ্টৰ সোঁতত মৎস্য চিকাৰৰ উজান

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৭ জুন ঃ** নলবাৰী জিলাৰ প্ৰতিটো অঞ্চল সম্প্ৰতি বানৰ কৱলত। কি গাঁও, কি চহৰ এইবাৰৰ বানৰ প্ৰলয়ে সকলোকে ছুই গৈছে। কাৰোবাৰ ঘৰ-বাৰী, ভেটি তল কৰিলেও আন কাৰোবাৰ যাতায়াত পথ, বাৰীৰ পাণ-তামোল, ৰবি শস্যৰ খেতিডৰাৰ উপৰি ঘৰৰ পিছফাল অথবা আগফালে থকা সাঁচতীয়া মাছৰ পুখুৰীটোকে বুৰাই পেলাইছে। উল্লেখ্য যে দীৰ্ঘ বছৰৰ মূৰত অথবা কৰ'না মহামাৰীৰ বিভীষিকাময় পৰিস্থিতিৰ পাছত বান আহিলেও ৰাইজ সিমান ভীতিগ্ৰস্ত হোৱা নাই। মৰাপাগলাদিয়া নৈখন বাঢ়নী পানীৰ প্ৰৱল সোঁতে দুঠাইত ছিঙি নিয়াৰ পাছত অঞ্চলসমূহত মানুহ আৰু





## ■ বানে পুখুৰীসমূহ বুৰাই পেলোৱাত লক্ষ লক্ষ টকাৰ লোকচান ■ জালত উঠিছে ১৪ কিলোৰ বিগহেড, ৰৌ, ভকুৱা

পশুধনৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হৈছে যদিও জিলাখনৰ গৰিষ্ঠসংখ্যক ঘৰ-বাৰী, কৃষিভূমি কৃত্ৰিম বানত বুৰ গৈছে। কৃত্ৰিম বানৰ বিভীষিকাই জিলাখনৰ বিভিন্ন অঞ্চলত পথ যোগাযোগৰ ব্যাপক ক্ষতিসাধন কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে জিলাখনৰ বৃহত্তৰ বৰভাগ অঞ্চলত বানে আজি জটিল ৰূপ লৈছে। অঞ্চলটোত বানে ৪০খনৰো অধিক গাঁৱৰ ঘৰ-বাৰী, পথ একঁকাল পৰ্যন্ত বুৰাই পেলাইছে। ঠায়ে ঠায়ে পানীৰ প্ৰৱল সোঁতে কালভাৰ্ট, পথ ছিঙি যোগাযোগ বিচ্ছিন্ন কৰি পেলাইছে। উল্লেখ্য যে ইয়াৰ মাজতে জিলাখনৰ বিশেষকৈ পূব নলবাৰী অঞ্চলত পানী, বাম সকলোতে মাছৰ উজান উঠা পৰিলক্ষিত হৈছে। লক্ষ্যণীয় কথা যে যোৱা কিছুদিন নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত ৩১ নম্বৰ ঘাইপথৰ উত্তৰে প্ৰায় ৩০ খন গাঁৱৰ প্ৰতিটো পৰিয়ালৰ মাছ ভৰ্তি পুখুৰীৰ লগতে ঘগাবিল, কেন্দুকুছিত মীন পালকৰ প্ৰায় ৫০-৬০টা পুখুৰীৰ উপৰি পৰিয়াল সমূহৰ পুখুৰীবোৰ কৃত্ৰিম বানত বুৰ যোৱাত ডাঙৰ-সৰু সকলো মাছ পুখুৰীৰ পৰা ওলাই যোৱাত পথাৰ, বাম সকলোতে মাছৰ উজান উঠিছে। ইয়াৰ উপৰি ৩১ নম্বৰ ঘাইপথৰ দক্ষিণে পূব নলবাৰী অঞ্চল আৰু বৃহত্তৰ বৰভাগ অঞ্চলৰ প্ৰায় সংখ্যক গাঁৱৰ পৰিয়ালৰ ঘৰ-বাৰী বিশেষকৈ পুখুৰীসমূহ পানীয়ে বুৰাই পেলোৱাত পথাৰসমূহত উভৈনদী হৈ পৰিছে বিভিন্ন প্ৰজাতিৰ মাছ। উল্লেখ্য যে কালিৰ পৰা অঞ্চলসমূহত পানীয়ে বুৰাই পেলোৱা প্ৰতিটো পথতে ৰাইজে ২০-২৫ কিলোগ্ৰাম বৃহৎ আকাৰৰ মাছ ধৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোৰ বজালী উদয়পুৰ আৰু বাউসী উদয়পুৰৰ মাজৰ কৃষি পথাৰখন বানে বুৰাই পেলোৱাৰ উপৰি পানীৰ সোঁতত ডাঙৰ ডাঙৰ মাছৰ উজানে সকলোকে আকৰ্ষিত কৰি তুলিছে। অকল এইখন পথাৰতে নহয় অঞ্চলটোৰ প্ৰতিখন কৃষি পথাৰত সৃষ্টি হোৱা বাঢ়নী পানীৰ সোঁত আৰু প্ৰতিটো কালভাৰ্টৰ পানীৰ সোঁতত দিনে-নিশাই দলে দলে মৎস্য চিকাৰ কৰাৰ দৃশ্যই এতিয়া গ্ৰাম্য চহা জীৱনৰ মনোৰম ছবি এখন উপভোগ কৰিবলৈ সুলভ কৰি তুলিছে। কালিৰ পৰা পাইকাৰকুছি-বালিকুছি চ'ক হৈ ৰণাকুছি পকী পথ আৰু দুয়োপাৰে থকা কৃষিভূমিত ৰৌ, ভকুৱা, বিগহেড, চিলভৰকাৰ্প, কমনকাৰ্প, ৰূপচান্দা, মিৰিকা মাছৰ উজানে বাটৰুৱাকো ৰৈ যাবলৈ বাধ্য কৰাইছে। উল্লেখ্য যে মাছৰ উজানৰ খবৰ বিয়পি পৰাৰ পাছতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা লোকসকল গৈ মৎস্য চিকাৰত নামি পৰিছে। ইয়াৰ লগে লগে অসমীয়া গ্ৰাম্য সমাজৰ মৎস চিকাৰৰ আহিলা জাল, হুকমা, কাৰৈ লেঙী আদিকে ধৰি আহিলাসমূহ প্ৰাণৱন্ত হৈ পৰিছে। গুৰুত্বপূৰ্ণ যে বানৰ ফলত মাছৰ উজান উঠিছে যদিও জিলাখনৰ লগতে বিশেষকৈ পূব নলবাৰী আৰু বৃহত্তৰ বৰ্মাই অঞ্চলৰ হেজাৰৰো অধিক পুখুৰীৰ পৰা লক্ষ লক্ষ টকাৰ সৰু-বৰ মাছ ওলাই যোৱাত মীন পালনৰ গৰাকীসকল ভীষণভাৱে ক্ষতিগ্ৰস্ত হ'বলগীয়া হৈছে। ইপিনে, দক্ষিণ গাঁৱত অৱস্থিত নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ সমীপত থকা বড়মপুৰ কৃষি সত্ৰৰ পাঁচটা পুখুৰী বানে বুৰাই পেলোৱাত অতি কমেও সাত লাখ টকা লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে।

# ১৭ হেজাৰ হিতাধিকাৰী চাউলৰ সমস্যাত পৰাৰ আশংকা



## পানীৰ তলত ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ বহুমুখী সমবায়

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১৭ জুন ঃ** নলবাৰী বিধানসভা সমষ্টিত বানে কালৰূপ ধাৰণ কৰাৰ সময়তে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২০ খনতকৈ অধিক গাঁও পানীৰ তলত থকাৰ উপৰি ধুৰকুছিস্থিত বড়িগোগ বনভাগ সমবায়খনো বৰ্তমানে পানীৰ তলতে আছে। বহুমুখী সমবায় সমিতিখনৰ কাৰ্যালয়তো চৌদিশৰ পৰা বাঢ়নী পানীয়ে ইতিমধ্যে আৱৰি ধৰি ভিতৰত প্ৰৱেশ কৰিছে। সমবায়খনত বৰ্তমানে প্ৰায় ১৬শ ২২ কুইণ্টল চাউল পানীত নষ্ট হোৱাৰ উপক্ৰম হোৱাৰ উপৰি তিনি-চাৰি কুইণ্টল চাউল ইতিমধ্যে চাউল ৰখা গৃহটোত বাঢ়নী পানী সোমাই নষ্ট কৰিছে বুলি সমবায়খনৰ সচিব বসন্ত বেজবৰুৱাই সদৰী কৰিছে। উল্লেখ্য যে যদিহে প্ৰশাসনে শীঘ্ৰে চাউলখিনি উদ্ধাৰৰ ব্যৱস্থা নকৰে তেতিয়াহ'লে প্ৰায় ১৭ হেজাৰ হিতাধিকাৰীয়ে চাউলৰ নাটনিত পৰিব বুলি আশংকা কৰিছে সচেতন ৰাইজে। উল্লেখ্য যে সমবায়খনলৈ যোৱা দামোদৰ হাইস্কুল, ধুৰকুছি বিষহৰি মন্দিৰকে ধৰি ধুৰকুছি অঞ্চলটো ধাম পথ প্ৰায় ৪০০ মিটাৰ পানীয়ে উটুৱাই নিয়াৰ উপৰি সিদ্ধি শৰ্মা সাগৰ সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। ইফালে, বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত আজি তিনিদিন ধৰি বিদ্যুৎ সংযোগ ব্যাঘাত হৈ থকা ৰাইজে বিভিন্ন সমস্যা পৰাৰ লগতে ম'বাইল সেৱা প্ৰায় বন্ধ হৈ পৰিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.


Contact No- 70021-60730, 7002316720

# হেঁপাহৰ পথাৰডৰাই সাৰ পাইছে বলধহালৰ খোজৰ ছন্দত

## আশাৰ বৰষুণজাক মূৰত লৈ কঠীয়া সিঁচাত ব্যস্ত কলিয়াবৰৰ চহা খেতিয়ক

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৭ জুন ঃ** বাৰিষা নামিছে। চহা খেতিয়কৰ বুকুলৈ নামি আহিছে জাকে জাকে আশাৰ বৰষুণ। হেঁপাহৰ পথাৰডৰাই যেন সাৰ পাইছে ৰঙা-কজলা বলধহাল, গোনা ম'হহালৰ খোজৰ ছন্দত। এতিয়া পথাৰত শালিখেতিডৰাৰ বাবে মাটি ভঙাৰ বতৰ। কঠীয়া সিঁচি ধাননিডৰা লহপহীয়া কৰাৰ আশাৰে এতিয়া ব্যস্ত হৈ পৰিছে চহা খেতিয়ক। কলিয়াবৰৰ পথাৰত ব্যস্ততা বাঢ়িছে খেতিয়কৰ। ৮০ শতাংশ কৃষিভুমিৰে আৱৰা কলিয়াবৰৰ গ্ৰামাঞ্চলৰ পথাৰত এতিয়া খেতিয়কৰ ব্যস্ততা। বুৰৈ ধান চপোৱাৰ পাছতে এতিয়া শালিধানৰ খেতিৰ বাবে সাজু হৈছে কৃষক। আইজং, ৰণজিত, বৰা, কোমল, জহাধানৰ কঠীয়া সিঁচিবৰ বাবে কৃষিভূমি তৈয়াৰৰ লগতে আগতীয়াকৈ খেতিমাটিডৰা হাল বাই প্ৰস্তুত কৰিছে খেতিয়কে। আলিপাহ কাটি চিকুণাই লৈছে মাটিডৰা। বসন্তৰ মিঠা পৰশত ধৰাৰ বুকুলৈ লাহে লাহে নামি আহিছে বাৰিষা। বাৰিষাৰ প্ৰথমজাক বৰষুণৰ লগে লগে সেউজ সপোনবোৰ বুকুত বান্ধিয়েই বাঢ়ি আহিছে গাঁৱৰ চহা কৃষকৰ ব্যস্ততা। কিয়নো সগৰ্ভা হৈ পৰা পথাৰখনৰ লগত খেতিয়ক একাত্ম হৈ পৰাৰ সময় এয়া। কিন্তু ইয়াৰ মাজতো যান্ত্ৰিকতাৰ ধামখুমীয়াত ঠায়ে ঠায়ে ক্ৰমাৎ হেৰাই গৈছে পথাৰৰ চিনাকি ছবিখন। সময়ৰ লগে লগে গৰু হালৰ ঠাইত স্থান লৈছে টেক্টৰ, পাৱাৰ টিলাৰে। মূৰত পিন্ধা টকৌপটীয়া জাপি, নাঙল-যুঁৱলি, মৈ-টকা, পানী সিঁচা লাহনী বা লেহেতি, কান্ধত কঠীয়া কঢ়িওৱা বিৰিয়া, হোলোঙা, খেতি চিকুণ দিয়া বিন্ধা আজি যেন বিলুপ্ত হৈ পৰিছে কালৰ বুকুত। কিন্তু এই যান্ত্ৰিক পৃথিৱীৰ মাজতো ঠায়ে ঠায়ে জীপাল হৈ আছে তাহানিৰ পথাৰৰ সেই জীয়া ছবিখন। তাহানিৰ মনভৰা ছবিখনৰ দৈন্যৰ মাজতো গ্ৰাম্য জীৱনৰ একো একোখন জীয়া ছবিয়ে যেন জগাই তুলিছে জীয়াই থকাৰ দুগুণ হেঁপাহ। চৌপাশে মনস্তাত্বিক দৈন্যৰ মাজতো এতিয়াও কলিয়াবৰৰ দলিবাৰী-খুটামৰা পথাৰত পুৱাই কান্ধত নাঙলখন লৈ ওলাই আহে গ্ৰামাঞ্চলৰ বহুজন কৃষক। ওঁঠত মিঠা হাঁহি এটি লৈ পথাৰত হাল জোৰে। চহ কৰে এডৰা এডৰাকৈ কে'বাডৰা মাটি। গৰু পিঠিত হালোৱা এছাৰিৰে কোবাই খেদাৰ শব্দত মুখৰ হৈ পৰে পথাৰখনো। হালখনৰ পাছে পাছে দেও দি দি উৰামাৰে বগলী, শালিকীৰ জাক। এয়াই গ্ৰামাঞ্চলৰ ছবি। ব'হাগে আশাৰ বতৰা লৈ আনে গ্ৰামাঞ্চলৰ প্ৰতিজন কৃষকৰ মুখলৈ। জেঠত চহ কৰা মাটি ডৰাত চিকুণাই চহ কৰি আহাৰ-শাওণৰ প্ৰথমতেই গুজি দিব লাগিব হেঁপাহৰ কঠীয়া। এই সময়ত যেন বলধ দুটাই একমাত্ৰ সংগী কৃষকৰ। ব'হাগৰ পুৱা মাহ-হালধিৰে গৰু বিহুৰ দিনা নোৱাই-ধুৱাই বলধহালক সাজু কৰি তোলা হয় বাৰিষাৰ পথাৰত মাটি চহ কৰিবলৈকে। কিন্তু বৰ্তমান যান্ত্ৰিকতাৰ ধামখুমীয়াত সলনি হৈছে গ্ৰামাঞ্চলৰ ছবিখনো। যান্ত্ৰিকতাৰ ধামখুমীয়াত হেৰাই যাবলৈ ধৰিছে চিনাকি পথাৰৰ চিনাকি ছবিখন। গৰু হালৰ ৰজনজনাই যোৱা 'হেই ঘূৰ-ঘূৰ' শব্দৰ পৰিবৰ্তে ট্ৰেক্টৰৰ কাণ তাল মৰা কৰ্কশ শব্দই ঠাই লৈছে পথাৰত। সময় আৰু শাৰীৰিক শ্ৰম লাঘৱ কৰিবলৈকে কৃষকসকলে বাদ দিছে গৰু হালৰ। যেন যন্ত্ৰচালিত ট্ৰেক্টৰৰ শব্দত আৰু আধুনিকতাৰ পৰশত হেৰাই গৈছে পূৰ্বৰ পথাৰৰ গৰিমা। বৰ্তমানে ঠায়ে ঠায়েহে দুই-এখন গৰু আৰু ম'হৰ হাল দেখিবলৈ পোৱা যায়। কিন্তু সেয়াও লেখত ল'বলগীয়া। পৰিৱৰ্তনৰ ধামখুমীয়াত নৱপ্ৰজন্মৰ বাবে যেন অচিনাকি হৈ পৰিছে গৰু-ম'হৰ হালখন। যান্ত্ৰিক নাঙলে গাঁৱৰ চহা কৃষকজনৰ কষ্ট লাঘৱ কৰিছে ঠিকেই কিন্তু যান্ত্ৰিকতাৰ ধামখুমীয়াত হেৰাই গৈছে পথাৰৰ প্ৰকৃত মাদকতা। পিছে এতিয়াও কলিয়াবৰৰ বহুকেইখন পথাৰত চহা খেতিয়কে জুৰি আহিছে গৰু-ম'হৰ হালখন। যি আজিৰ এই জটিল সময়ৰ এক অনুপম ছবি। বহুতৰে আশা, বিজ্ঞানে উচ্চ শিখৰত অৱগাহন কৰক। জীৱনে বিজ্ঞান সামৰি লওক। কিন্তু নাঙল, মৈ, মৈ-টকা, টকৌপটীয়া জাপিটোৱে জীপাল হৈ ৰওক প্ৰতিখন পথাৰ।





অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com